● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন

মই কি আৰু মই কিয় ইয়াত আছো সেই কথা নজনাকৈ জীৱন সম্ভৱেই নহয়।

লিঅ' টলষ্টয়
ৰুছ সাহিত্যিক

৭ বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত নিজৰ নাম নিবিচাৰে গেটছে
১৫ ছিংগাপুৰ অপেনৰ ছেমিফাইনেলত সিন্ধু
৪ আপদকালত আত্ম-বিশ্বাসৰ সমল

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৬তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩১ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৬ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 16 July 2022 মূল্য ঃ ৯.০০ টকা

■ 'অসংসদীয়' শব্দৰ তালিকাক লৈ বিতৰ্কৰ মাজতে নতুন নিৰ্দেশনা জাৰি ■ প্ৰতিবাদৰ জাঙুৰ খাই উঠিল বিৰোধী ■ বৰ্ষাকালীন অধিবেশনত চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ বন্ধ কৰাৰ কৌশল আখ্যা

সংসদ চৌহদত ধৰ্ণা-বিক্ষোভ-অনশন নিষিদ্ধ

■ সাংসদক নিয়ন্ত্ৰণৰ বাবে তৎপৰ চৰকাৰ ■ মহাত্মা গান্ধীৰ মূৰ্তি আঁতৰাই নেপেলাই কিয়?

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ১৫ জুলাই ঃ 'অসংসদীয় শব্দ'ক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে সংসদৰ এখন জাননীক কেন্দ্ৰ কৰি এক নতুন বিতৰ্কৰ সূচনা হৈছে। সংসদ চৌহদত এতিয়াৰে পৰা সাংসদসকলে কোনো ধৰণৰ ধৰ্ণা-বিক্ষোভ প্ৰদৰ্শন কৰিব নোৱাৰিব। আনকি অনশনৰো অনুমতি দিয়া নহ'ব। ৰাজ্যসভা সচিবালয়ে জাৰি কৰা জাননী অনুসৰি সংসদ ভৱনৰ চৌহদত আৰু বিক্ষোভ, প্ৰতিবাদ, ধৰ্ণা, অনশন আদি কৰিব নোৱাৰিব। সংসদত কিছুমান শব্দ ব্যৱহাৰত নিষিদ্ধকৰণৰ নিৰ্দেশক লৈ বিৰোধীৰ ক্ষোভৰ মাজতে ধৰ্ণা বা প্ৰতিবাদ সম্পৰ্কীয় এই জাননীৰ তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছে। ১৮ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে ৰাজ্যসভাৰ মহাসচিব পি চি মোদীয়ে জাৰি কৰা বুলেটিনত এই ক্ষেত্ৰত সংসদৰ সদস্যসকলৰ সহায় সহযোগিতা কামনা কৰা হয়। বুলেটিনত কোৱা হৈছে যে সদস্যসকলে সংসদ ভৱনৰ চৌহদত কোনো ধৰণৰ বিক্ষোভ, ধৰ্ণা, ধৰ্মঘট, উপবাস বা কোনো ধৰ্মীয় অনুষ্ঠান সম্পন্ন কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰিব নোৱাৰে।

১০ পৃষ্ঠাত চাওক



স্কেলৰ আকাৰত পেণ্টৰ বেল্টৰ লগত বান্ধি দিল্লীলৈ সৰবৰাহৰ চেষ্টা

গুৱাহাটী ৰেল ষ্টেছনত ৫০ লাখ টকাৰ মূল্যৰ চোৰাং সোণ জব্দ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ ম্যানমাৰৰ পৰা দিল্লীলৈ সৰবৰাহৰ চেষ্টা কৰা বৃহৎ পৰিমাণৰ সোণসহ এজন লোকক আজি ৰেল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

১০ পৃষ্ঠাত চাওক

■ নামচাইত স্বাক্ষৰিত অসম-অৰুণাচল সীমা বিবাদৰ ঘোষণা পত্ৰ

■ দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ স্বাক্ষৰ ■ ১২৩ খন গাঁৱক লৈ বিবাদ নিষ্পত্তিৰ প্ৰক্ৰিয়া ■ ৮৬ খন গাঁৱক লৈহে এতিয়া বিবাদ ঃ ড° শৰ্মা ■ ১৫ আগষ্টৰ পূৰ্বে আঞ্চলিক সমিতিৰ প্ৰতিবেদন ■ ছেপ্টেম্বৰৰ ভিতৰত সমস্যা সমাধানৰ চেষ্টা

প্ৰথম পৰ্যায়ত ৩৪খন গাঁও অন্তৰ্ভুক্ত অৰুণাচলত, অসমৰ ভাগত তিনিখন

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ মেঘালয়ৰ পাছত অৰুণাচল প্ৰদেশৰ লগত থকা দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ লক্ষ্যৰে আজি নামচাইত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ত স্বাক্ষৰিত হয় ঘোষণা পত্ৰ। অসম আৰু অৰুণাচলৰ মাজত ১২৩খন গাঁৱক লৈ সীমা বিবাদ চলি আহিছে। এই ঘোষণা পত্ৰৰ জৰিয়তে অহা ছেপ্টেম্বৰৰ ভিতৰত সমস্যাটোৰ সমাধানৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। তাৰ পূৰ্বে ৰাজ্য চৰকাৰ দুখনে নিজাকৈ গঠন কৰা ১২ খনকৈ আঞ্চলিক সমিতিয়ে বিবদমান অঞ্চলসমূহ যৌথভাৱে পৰ্যবেক্ষণ কৰি অহা ১৫ আগষ্টৰ ভিতৰত নিজ নিজ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ হাতত প্ৰতিবেদন দাখিল কৰিব বুলি ঘোষণা পত্ৰত উল্লেখ কৰা হৈছে। ঘোষণা পত্ৰত স্বাক্ষৰৰ পাছত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে যদিও প্ৰথমতে ১২৩ খন গাঁৱক লৈ বিবাদ চলি অহাৰ তথ্য পোহৰলৈ আহিছিল কিন্তু পৰৱৰ্তী সময়ত সেই সংখ্যা ৮৬ লৈ হ্ৰাস হয়। ইয়াৰ কাৰণ উল্লেখ কৰি

১০ পৃষ্ঠাত চাওক

ৰাজ্যত দুজন লোক ছোৱাইন ফ্লু'ত আক্ৰান্ত

নিশ্চিত কৰিলে স্বাস্থ্যমন্ত্ৰী মহন্তই

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ প্ৰলয়ংকৰী বানৰ পাছতে জাপানী এনকেফেলাইটিছ, ডেংগু আদি ৰোগৰ সংক্ৰমণ দ্ৰুতহাৰত বৃদ্ধি হোৱা অসমত এইবাৰ মানৱ দেহত ধৰা পৰিছে ছোৱাইন ফ্লু'ৰ বীজাণু। আজি স্বাস্থ্যমন্ত্ৰী

১০ পৃষ্ঠাত চাওক

■ চৰকাৰৰ জৰুৰী নিৰ্দেশনা ■ জনতা ভৱনত ১৫ দিনৰ ভিতৰত সম্পন্ন হ'ব লাগিব ফাইলৰ কাম ■ প্ৰশাসনীয় সংস্কাৰৰ প্ৰচেষ্টা

কাৰ্যালয়ত ৪৮ ঘণ্টাৰ ভিতৰত উত্তৰ দিব লাগিব ফাইলত উত্থাপিত প্ৰশ্নৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ অসম চৰকাৰে আজি গ্ৰহণ কৰা এক সিদ্ধান্ত অনুসৰি এতিয়াৰ পৰা ক্ষেত্ৰীয় তথা সংমণ্ডলৰ কাৰ্যালয়সমূহত এটা ফাইলত উত্থাপিত প্ৰশ্ন অথবা আলোচনা কৰ্মদিনৰ ৪৮ ঘন্টাৰ ভিতৰত সম্পন্ন কৰি পৰৱৰ্তী স্তৰলৈ প্ৰেৰণ কৰিব লাগিব। ইয়াৰ পাছত জনতা ভৱনত সেই ফাইলৰ কাম ১৫ দিনৰ ভিতৰত সম্পন্ন হ'ব লাগিব। আজি এই সম্পৰ্কীয় জাননী জনতা ভৱনৰ পৰা মহকুমা পৰ্যায়লৈ অসম চৰকাৰৰ সকলো কাৰ্যালয়ৰ সংশ্লিষ্ট বিষয়াসকললৈ প্ৰেৰণ কৰা হয়। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰশাসনিক সংস্কাৰৰ অংশস্বৰূপে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে একোটা ফাইলৰ নামত মাহৰ পাছত মাহ সাধাৰণ ৰাইজে টাকুৰী ঘূৰা দি ঘূৰি থাকিবলগীয়া হয়। এনে হাৰাশাস্তিৰ পৰিপ্ৰেক্ষিততে এনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি কোৱা হৈছে।

সুৰা বিপণীৰ অনুজ্ঞাপত্ৰক লৈ উত্তপ্ত হ'ল বৰপেটাৰোড পৌৰসভা

অগ্ৰদূত বাৰ্তা

বৰপেটাৰোড, ১৫ জুলাই ঃ বৰপেটাৰোড পৌৰ অঞ্চলত নতুনকৈ সাতখন বিলাতী সুৰাৰ বিপণী তথা ৱাইন শ্বপ (ঠাইতে মদ খোৱা) স্থাপনক লৈ আজি পৌৰ ব'ৰ্ডত তীব্ৰ বাক বিতণ্ডাৰ সৃষ্টি হয়। আনকি

১০ পৃষ্ঠাত চাওক

ডিব্ৰুগড়ৰ বইদুল্লা খানৰ আন এক ক'লা অধ্যায়

এক লাখ ধাৰলৈ দি বৃক্ক বিক্ৰী কৰাই আদায় কৰিলে চাৰে তিনি লাখ

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৫ জুলাই ঃ ডিব্ৰুগড়ৰ বিনীত বাগাৰীয়াৰ আত্মহত্যাৰ ঘটনাত অভিযুক্ত বইদুল্লা খানৰ আন এক ক'লা অধ্যায় পোহৰলৈ আহিছে। এগৰাকী মহিলাই ধাৰলৈ লোৱা এক লাখ টকা নিজৰ বৃক্ক বিক্ৰী কৰি বইদুল্লা খানক ঘূৰাই দিছিল চাৰে তিনি

১০ পৃষ্ঠাত চাওক



তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৭°	২৭°
ডিব্ৰুগড়	৩৭°	২৭°
দিল্লী	৩৪°	২৯°
কলকাতা	৩৪°	২৭°
মুম্বাই	২৯°	২৭°
চেন্নাই	৩৬°	২৮°
বাংগালুৰু	২৭°	১৯°
শ্বিলং	২৭°	১৮°

১৫ জুলাই, ২০২২

চেঙা তেল



গাখীৰ নিয়াৰ চলেৰেই যে ক'বাদিনৰ মূৰত আজি ঘৰৰ পৰা ওলাব পাৰিলো!

কৰ'নাৰ হেঁচাত নৱজাতকৰ প্ৰতিষেধকৰ অভাৱ

জীৱনদায়িনী প্ৰতিষেধকৰ পৰা বঞ্চিত ভাৰতসহ পাঁচ দেশৰ আঢ়ৈ কোটি শিশু

নিউজ ব্যুৰ'

নতুন দিল্লী, ১৫ জুলাই ঃ অতিমাৰী ৰোধ কৰিবলৈ গৈ স্বাস্থ্যৰক্ষাৰ আন ঢাল-তৰোৱালবোৰ পাহৰিবলৈ ধৰিছে ভাৰতসহ কে'বাখনো দেশৰ চৰকাৰে। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত এই কথা উল্লেখ কৰা হৈছে। বিশ্ব স্বাস্থ্য

১০ পৃষ্ঠাত চাওক

১৯৯৩ত নিযুক্ত ৩০২ শিক্ষকক নিয়মীয়াকৰণৰ পত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৫ জুলাই ঃ ২২ বছৰৰ পাছত ন্যায় লাভ কৰিলে ১৯৯৩ত নিযুক্তি লাভ কৰা ৩০২জন শিক্ষকে। ১৯৯৩ত জিলা শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকে নলবাৰী জিলাত শিক্ষক নিযুক্তি দিছিল। তেতিয়াৰ নলবাৰী জিলাত প্ৰাথমিক

১০ পৃষ্ঠাত চাওক

ষ্টেটফেডৰ দুৰৱস্থাৰ পুনৰাবৃত্তি ■ আঠমাহে দৰমহা নাই কৰ্মচাৰীৰ

বিক্ৰী-উৎপাদন কেন্দ্ৰ বন্ধ ঃ সংকুচিত হৈছে আয়ৰ পথ, মৃত্যুঘণ্টা আৰ্টফেডত

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ ৰাজ্যৰ সমবায় খণ্ডৰ বৃহৎ প্ৰতিষ্ঠান আৰ্টফেডত বাজিছে মৃত্যুঘণ্টা। চৰকাৰৰ লগতে প্ৰতিষ্ঠানটো পৰিচালনাৰ দায়িত্বত থকাসকলে কোনো মন-কাণ নিদিয়াৰ পৰিণতিতে সৃষ্টি হৈছে এই পৰিস্থিতিৰ। পৰিস্থিতি এতিয়া এনে পৰ্যায় পাইছে যে ৰাজ্যৰ ভিতৰে-বাহিৰে থকা ৪৮ টা শ্ব'ৰুম তথা বিক্ৰী কেন্দ্ৰত বিক্ৰী কৰিবলৈ সামগ্ৰীৰ অভাৱ। তিনিটা উৎপাদন কেন্দ্ৰৰো কাম-কাজ এতিয়া বন্ধ। ফলস্বৰূপে আয়ৰ উৎস একেবাৰে সীমিত হৈ পৰিছে। ইয়াৰ পৰিণতিত কৰ্মচাৰীৰ দৰমহাও মাহৰ পাছত মাহ বন্ধ হৈ আছে। প্ৰতিষ্ঠানটোৰ শীৰ্ষ সূত্ৰই সদৰী কৰা অনুসৰি বন্ধ হোৱাৰ পূৰ্বে ষ্টেটফেডৰ দৰে ৰাজহুৱা খণ্ডৰ লাভজনক প্ৰতিষ্ঠান ষ্টেটফেডৰ এটা সময়ত যি পৰিস্থিতি হৈছিল তাৰেই

১০ পৃষ্ঠাত চাওক

■ চৰকাৰী জাননী পৰিণত হ'ল পেলনীয়া কাগজত ■ আন্তঃগাঁথনি উন্নয়নত মূৰপোলোকা শিক্ষা বিভাগৰ ■ মূল্যহীন চৰকাৰী সিদ্ধান্ত

চাৰি বছৰে পৰি ৰ'ল ৬৭ মহাবিদ্যালয়ত বিএড পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ মৌখিক প্ৰতিশ্ৰুতি বাদেই চৰকাৰী জাননীও কাৰ্যকৰী নহয় অসমত। ফলত তেনে জাননী শেষত গৈ পেলনীয়া কাগজত পৰিণত হয়। ৰাজ্যৰ শিক্ষা বিভাগতে তেনে এক ঘটনা সংঘটিত হৈছে। শৈক্ষিক ক্ষেত্ৰৰ মান উন্নয়নৰ বাবে ৰাজ্যৰ প্ৰাদেশিকীকৃত বিভিন্ন মহাবিদ্যালয়ত বিএড পাঠ্যক্ৰম আৰম্ভ কৰাৰ এক সিদ্ধান্ত বিগত ২০১৯ত তদানীন্তন চৰকাৰৰ শিক্ষা বিভাগে গ্ৰহণ কৰিছিল। তাৰ পাছত উপযুক্ত বুলি বিবেচনা কৰা ৬৭ খনত বিএড পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি বিগত ২০১৯ৰ ১৭ জুনত উচ্চ শিক্ষা

১০ পৃষ্ঠাত চাওক

■ বৰ্ষাকালীন অধিবেশনতে বিধেয়ক উত্থাপন ■ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত বিবেচনাধীন হৈ আছে বিধেয়ক ■ আইনৰ অধীনলৈ আহিব ■ তথ্য-সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ নিয়ন্ত্ৰণাধীন হ'ব

ডিজিটেল সংবাদ মাধ্যমক নাকী কেন্দ্ৰৰ

■ **নিউজ ব্যুৰ'**

নতুন দিল্লী, ১৫ জুলাই ঃ দেশত প্ৰথমবাৰৰ বাবে ডিজিটেল সংবাদ মাধ্যমক নিয়ন্ত্ৰণৰ অধীনলৈ অনা হ'ব। ইয়াৰ ফলত যিকোনো ধৰণৰ নীতি ভংগৰ বাবে কাৰ্যব্যৱস্থাৰ সন্মুখীন হ'ব পাৰে ডিজিটেল সংবাদগোষ্ঠী। কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কীয় বিধেয়ক সংশোধন কৰিব। ১৮ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিবেশনত সংশোধনী বিধেয়ক উত্থাপনৰ বাবে পৰিকল্পনা কৰিছে কেন্দ্ৰীয় চৰকাৰে। মিডিয়াৰ পঞ্জীয়নৰ বাবে প্ৰথমবাৰৰ বাবে হ'বলগীয়া আইনত ডিজিটেল মিডিয়াও অন্তৰ্ভুক্ত হ'ব। এই পৰ্যন্ত কোনো আইন অথবা চৰকাৰী নিয়ন্ত্ৰণৰ আওতালৈ অহা নাছিল ডিজিটেল সংবাদ মাধ্যম। সেয়েহে কেন্দ্ৰই সংশোধনী আনিব 'ৰেজিষ্ট্ৰেছন অব্ প্ৰেছ আৰু পিৰিঅ'ডিকেলছ' বিধেয়কৰ। ইয়াতে ডিজিটেল সংবাদ মাধ্যমো অন্তৰ্ভুক্ত হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে ইতিমধ্যে ইয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। যাৰ ফলত ডিজিটেল বাতৰি প্ৰকাশকসকলে পঞ্জীয়নৰ বাবে আবেদন কৰিব লাগিব আৰু আইন বলৱৎ হোৱাৰ ৯০ দিনৰ ভিতৰতে এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। এই পঞ্জীয়ন কৰিব লাগিব

১০ পৃষ্ঠাত চাওক

গোটাবায়া পলাল যদিও শ্ৰীলংকা ত্যাগত বাধা মাহিন্দাক



■ **নিউজ ব্যুৰ'**

কলম্বো, ১৫ জুলাই ঃ শ্ৰীলংকাত সুদীৰ্ঘকাল পৰিয়ালতান্ত্ৰিক ৰাজনীতি চলাই থকা ৰাজাপক্ষ পৰিয়াল সম্প্ৰতি তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইতিমধ্যে পলাতক সদ্য প্ৰাক্তন ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষই শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰূপে

১০ পৃষ্ঠাত চাওক

■ মেট্ৰিকৰ ফলাফল ঘোষণাৰ ডেৰ মাহ পাছত ষষ্ঠ স্থানত শিৱসাগৰৰ প্ৰাৰ্থনা দত্ত- দশম স্থানত ছিপাঝাৰৰ অবিনাশ চহৰীয়া

পুনৰীক্ষণত বিজ্ঞানত ৬৭ৰ পৰিৱৰ্তে ৯৯, গণিতত ৫৩ৰ পৰিৱৰ্তে এশ পালে



ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

গুৱাহাটী/শিৱসাগৰ/ছিপাঝাৰ, ১৫ জুলাই ঃ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ লগত হেতালি খেলাটো যেন কেতিয়াও বন্ধ নহ'ব অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ। অন্যান্য নানান বিসংগতি বাদেই হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো প্ৰতি বছৰে খেলিমেলি সংঘটিত কৰি আহিছে ছেবা কৰ্তৃপক্ষই। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল। যোৱা ছয় জুনত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষিত হৈছিল। তাৰে ডেৰমাহ পাছত আজি ছেবাই ঘোষণা কৰে যে শীৰ্ষ ১০ৰ ভিতৰত আৰু

১০ পৃষ্ঠাত চাওক

নটি শিশুৰ জে ই সদৃশ ৰোগত মৃত্যু

এএমচিএইছত ৫৬ জনৰ দেহত চিনাক্ত জাপানীজ এনকেফেলাইটিছ

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৫ জুলাই ঃ ৰাজ্যত ক্ৰমাগতভাৱে ক'ভিডৰ সমান্তৰালকৈ বৃদ্ধি পাইছে জাপানীজ এনকেফেলাইটিছৰ আতংক। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত শেহতীয়াকৈ জাপানীজ এনকেফেলাইটিছৰ লগতে ইয়াৰ সদৃশ ৰোগী আৰু ক'ভিড ৰোগীৰ সন্দৰ্ভত চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক প্ৰশান্ত দিহিংগীয়াই কয় যে এই চিকিৎসালয়ত

১০ পৃষ্ঠাত চাওক

গাহৰি পালকলৈ অশনি সংকেত ■ ৪০ হেজাৰ গাহৰিৰ মৃত্যু আফ্ৰিকান ছোৱাইন ফিভাৰত

সংক্ৰমণ ৰোধ কৰিবলৈ ১২শ গাহৰি নিধন ■ চৰকাৰীভাৱে নিধন কৰা পালকে লাভ কৰিব ক্ষতিপূৰণ

২২ জিলাত আফ্ৰিকান ছোৱাইন জ্বৰৰ ত্ৰাস

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৫ জুলাই ঃ গাহৰি পালনৰ জৰিয়তে স্ব-নিয়োজনৰ পথ প্ৰশস্ত কৰি অহা গাহৰি পালকসকললৈ অশনি সংকেত কঢ়িয়াই আনিছে মাৰাত্মক ভাইৰাছ আফ্ৰিকান ছোৱাইন জ্বৰে। ক'ভিডৰ সমান্তৰালভাৱে ২০২০ত অসমত প্ৰাদুৰ্ভাৱ ঘটা এই ভাইৰাছৰ ফলত ৰাজ্যখনত শ শ গাহৰিৰ মৃত্যু হোৱা তথা ভূপালৰ পৰীক্ষা কেন্দ্ৰই এই বীজাণু 'আফ্ৰিকান ছোৱাইন ফিভাৰ' বুলি নিশ্চিত কৰাৰ পাছতে ৰাজ্যখনত ইয়াৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ চৰকাৰে গাহৰি মাংসৰ বিক্ৰী, ভক্ষণৰ লগতে সৰবৰাহ আৰু আমদানি নিষিদ্ধ কৰি এই ৰোগত আক্ৰান্ত গাহৰি নিধন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল। ফলত ইয়াৰ সংক্ৰমণ কিছু নিয়ন্ত্ৰণলৈ অহাৰ পাছতে বহিঃৰাজ্যৰ পৰা আমদানি সম্পূৰ্ণৰূপে বন্ধ ৰাখি সকলো নিষিদ্ধকৰণ বাতিল কৰাত ৰাজ্যখনৰ গাহৰি পালন তথা উৎপাদন ক্ষেত্ৰত পূৰ্বৰ

১০ পৃষ্ঠাত চাওক

গোৱালপাৰাত উইছ ফাউণ্ডেছনৰ ৰাও ভান মুকলি

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৫ জুলাই ঃ গোৱালপাৰা জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ চৌহদত আজি উইছ ফাউণ্ডেছন আৰু স্বাস্থ্য বিভাগৰ যুটীয়া উদ্যোগত 'ৰাও বাহন' এখন মুকলি কৰে। স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত পল্লৱ জ্যোতি নাথে পতাকা জোকাৰি মুকলি কৰা ৰাও বাহনখনে ক'ভিড প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি উইছ ফাউণ্ডেছনৰ জিলা সমন্বয়ক নাজীয়া খানে জানিব দিয়ে। এই বাহনখনে জিলাখনৰ অতি দুৰ্গম অঞ্চলবোৰত বিশেষভাৱে সক্ষম, গৰ্ভৱতী, প্ৰসূতি আৰু বয়োজ্যেষ্ঠসকলক ঘৰে ঘৰে গৈ ক'ভিড প্ৰতিষেধক প্ৰদান কৰিব। উল্লেখ্য যে উইছ ফাউণ্ডেছনে দুমাহমান পূৰ্বেও জিলাখনত এনে বাহনেৰে ক'ভিড প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। আজিৰ কাৰ্যসূচীত অতিৰিক্ত উপায়ুক্তৰ লগতে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ নীল মাধৱ দাস, জিলা প্ৰতিষেধক বিষয়া, স্বাস্থ্য বিভাগৰ ডিপিএম আৰু ভিচিচিএম, উইছ ফাউণ্ডেছনৰ জিলা সমন্বয়ক, খণ্ড সমন্বয়ক আৰু কমিউনিটি ম'বিলাইজাৰসকল উপস্থিত থাকে।

No. F&ES/Clothing/

PRESS NOTICE

The Spl.Director General of Police-cum-Director of Fire & Emergency Services, Assam on behalf of Governor of Assam invites bids from the registered Class-I (A/B/C) contractors of APWD (Building) for the year 2022-23 with requisite bidding capacity with a validity of 180 (one hundred eighty) days from the date of submission of the tenders for construction of RCC 4 storied quarter for accommodation of officers/instructors of F&ES, Assam at RTC, Sila, North Guwahati. Details of the bids and details Notice Inviting Bids may be seen in the online portal www.assamtenders.gov.in

- The bidders must be registered with e-tendering system (ETS) of the Govt. of Assam. (Web site: http//assamtenders.gov.in)
- All terms and conditions wili be as per the Bidding Document.
- The Press Notice will be a part of the Bidding Document.

Sd/-
Spl. Director General of Police-cum
Director of Fire & Emergency Services,
Assam, Panbazar, Guwahati

Janasanyog/C/6552/22

ASSAM ELECTRICITY GRID CORPORATION LIMITED

EMPLOYMENT NOTICE

[illegible]

No.Agri/Esstt/AAM/8635/2021-22/64

ORDER

The appointment orders issued vide No.Agri/Esstt/AAM/8635/2021-22/30-A, Dated: 13/06/2022, No.Agri/Esstt/AAM/8635/2021-22/31-A, Dated: 13/06/2022 and No.Agri/Esstt/AAM/8635/2021-22/32-A, Dated: 15/06/2022 for the post of Programme Officer, Accounts Officer and Media Expert respectively on contractual basis under Assam Agriculture Mission 2021-22. The following candidates are failed to join their duty within the stipulated time period and their appointment orders are hereby cancelled accordingly.

PROGRAMME OFFICER

1. MS. JAYA GOGOI, D/O-Late- Tileswar Gogoi,
2. MR. MRIDUPABAN MUDOI, S/O-Harendra Mudoi
3. MR. ASHOK KAMAL GOGOI, S/O-Sarbananda Gogoi,
4. MS. MUSLIHA NASRIN, D/O- Md. Mofijur Rahman,
5. MR. DIPANKAR KALITA, S/O- Sri Ramesh Chandra Kalita,
6. MS. LARBEEN TERONGPI, S/O-Late BaritheTeron,
7. MS. DEBAJANI DEURI, D/O-Gargadhar Deuri,
8. MR. RANGBAMON TERON, S/O-Ramjeet Teron,
9. MR. UTPAL BARUAH S/O-Kulendra Baruah (Resigned)

ACCOUNTS OFFICER

1. Monika Bora, D/O-Pradip Kr. Borah
2. Biraj Dhar, S/O-Shri Anil Dhar
3. Dipon Chokroborty, S/O-Ranjan Chokroborty
4. Rajlakhsmi Baishya, D/O-Sanjeeb Kr. Baishya
5. Abhijit Saikia, S/O-Biren Saikia
6. Surajit Saha, S/O-Pranab Saha
7. Chintu Kalita, S/O-Chakradhar Kalita

MEDIA EXPERT

1. MS. MRIDUSMITA SARMA, D/O-Late Pabitra Kumar Sarma
2. MS. PINKI KAKATI, D/O-Bhupendra Nath kakati
3. MR. NABA KUMAR BHARALI,S/O-Lalit Bharali
4. MS. SYEDA RAHAT TANZIN, D/O-Syed Ismail Ali
5. MR. SUHAN AHMED SWAPNIL, S/O-Jamal Ahmed Mazumder
6. MS. SUNAM CHOUDHURY, D/O-Ajit Choudhury
7. MS. KINKINI KUSUM KASHYAP SHARMA, D/O-Siba Prasad Sharma
8. MS. SAWASWATI BORAH,D/O-Mr. Trailokya Borah
9. MR. JATIN LAHAN,S/O-Bhaben Lahan

Sd/-
(Anant Lal Gyani, IAS)
Director of Agriculture, Assam
Khanapara, Guwahati-22

Janasanyog/DF/836/22

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ** জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।

জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556, 9957066469.

হেৰাইছে

মোৰ নাম শ্ৰীমতী সন্ধ্যা ভৰালী। মোৰ B.A. Pass Provisional Certificate Roll-85 No. A-360 Registration No-23323 year 2006-07 হেৰাইছে। কোনো সদাশয় ব্যক্তিয়ে যদি পাইছে তলৰ ঠিকনাত যোগাযোগ কৰে যেন।

শ্ৰীমতী সন্ধ্যা ভৰালী
পিতা- শ্ৰী যোগেন্দ্ৰ ভৰালী
কপৌটিং গাঁও
পোঃ অঃ বাঢ়েটিং
জিলা - শিৱসাগৰ
ম'বাইল ঃ ৯৯৫৪৯৯৩৭৪১

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৩১ আহাৰ শনিবাৰ ১৬ জুলাই

সূৰ্যোদয় ঃ ঘঃ ৪।৪৫।১৪, **সূৰ্যাস্ত ঃ** ঘঃ ৬।১৪।১৯। **তিথি ঃ** কৃষ্ণ তৃতীয়া, দং ৩১।৩০।৭ আঘঃ ৫।২১।১৬। **নক্ষত্ৰ ঃ** ধনিষ্ঠা, দং ৩৭।১৮।৭ ৰাঘঃ ৭।৪০।২৮। **যোগ ঃ** আয়ুষ্মান, দং ৫৩।১১।২৬ ৰাঘঃ ২।১।৪৮। **কৰণ ঃ** বনিজ। **জন্মত ঃ** মকৰৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী ৰাহু বিংশোত্তৰী মঙলৰ দশা, ঘঃ ৮।১৯।৫ যোৱাত কুম্ভৰাশি, বৈশ্যবৰ্ণ, দেৱাৰিগণ, মনুষ্যৰ অস্থি, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ, ৰাঘঃ ৭।৪০।২৮। ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** অগ্নিকোনত, আঘঃ ৫।২১।১৬ যোৱাত নৈঋতত। **যাত্ৰা ঃ** নাই, বিষ্টিভদ্ৰা দোষ, আঘঃ ৫।২১।১৬ যোৱাত শুভ সিদ্ধি যোগ, পূবত নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** পটল আঘঃ ৫।২১।১৬ যোৱাত মূলা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ সমস্যা সমাধান, পৰিবেশ অস্থিৰ হ'ব পাৰে। নতুন সংযোগ পাব পাৰে। খৰচ বৃদ্ধি, বস্তু লাভৰ যোগ, ভ্ৰমণ শুভ, শুভ ৰং আকাশী নীলা। শুভ সংখ্যা ২।

বৃষ ঃ ভ্ৰাতৃ সহায়, খৰচ বৃদ্ধি, শুভ কৰ্মৰ যোগ, শৰীৰ মাধ্যম, কৰ্মক্ষেত্ৰ কিছু জটিলতা সন্মুখীন হ'ব পাৰে। শুভ ৰং বেঙুনীয়া। শুভ সংখ্যা ৫।

মিথুন ঃ পাৰিবাৰিক শান্তি। মাতৃৰ শুভ, শৰীৰৰ মাধ্যম, সন্মান বৃদ্ধি, কৰ্মক্ষেত্ৰত শুভ, আয় বৃদ্ধি, শুভ ৰং মেৰুণ। শুভ সংখ্যা ৮।

কৰ্কট ঃ সন্তানৰ পৰা সুখবৰ। মনৰ দৃঢ়তা বৃদ্ধি, কৰ্ম ব্যস্ততা বৃদ্ধি, শত্ৰু পৰা সাৱধান, শিৱ মন্দিৰত পূজা কৰক। দুখীয়াক বস্ত্ৰ দান কৰক, শুভ ৰং মুগা। শুভ সংখ্যা ৪।

সিংহ ঃ আনৰ প্ৰিয়পাত্ৰ। কৰ্মত মাধ্যম, নিজা সম্পাদৰ ওপৰত নজৰ ৰাখক। বন্ধুৰ পৰা সতৰ্ক হওক, ভ্ৰমণত কষ্ট, পাৰিবাৰীক বুজাবুজিৰ অভাৱ। শুভ ৰং ৰঙা। শুভ সংখ্যা ৬।

কন্যা ঃ ভ্ৰমণ যোগ, নিজৰ স্থিতি অটুট ৰাখিব, কৰ্মত মাধ্যম, শৰীৰ যত্ন লওক। বন্ধুৰ পৰা উৎসাহ পাব, ভ্ৰমণত কষ্ট। শুভ ৰং পাতল নীলা। শুভ সংখ্যা ৩।

তুলা ঃ ৰাজহুৱা সন্মান। কৰ্মত শুভ, ধৈৰ্যৰ সুফল, বিদ্যাত শুভ, ভ্ৰমণত শুভ বিদ্যাত প্ৰতি যত্ন লওক। শুভ ৰং বগা। শুভ সংখ্যা ১।

বৃশ্চিক ঃ পুৰণি বন্ধু আগমন। পদোন্নতিৰ যুগ, ধনৰ লালসা বৃদ্ধি, পিছবেলা যানবাহনৰ পৰা সাৱধান হওক। অৰ্থ নাশ হ'ব পাৰে। শুভ ৰং হালধীয়া। শুভ সংখ্যা ৯।

ধনু ঃ সমাজ সেৱা কৃতিত্ব লাভৰ যুগ, শিল্পী, বিজ্ঞানী, ৰাজনৈতিকবিদ সন্মান বৃদ্ধি, বিদ্যা বুদ্ধিৰ শুভ, শুভ ৰং মাখন। শুভ সংখ্যা চাৰি।

মকৰ ঃ পৰিশ্ৰম বৃদ্ধি, আশা কৰা মতে সুফল পাব, আনে অতিষ্ঠ কৰিব পাৰে, ভ্ৰমণত শুভ, ধৰ্মগুৰু দৰ্শনে আনন্দিত কৰিব, ধনৰ চিন্তা বৃদ্ধি, শুভ ৰং বগা। শুভ সংখ্যা ৫।

কুম্ভ ঃ অবাবত ধন ক্ষয়, ধন আগমনৰ যুগ, শত্ৰু নাশ, জ্ঞানী লোকৰ পৰা উৎসাহ পাব, কৰ্মস্থান মাধ্যম, বিদ্যাত শুভ। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ৮।

মীন ঃ নতুন প্ৰেমত আনন্দ। অৰ্থ লাভ, ভ্ৰমণত শুভ, সময় অপচয় নকৰিব, মানসিক স্থিতি দুৰ্বল, সম্পদ লাভ, শুভ ৰং মুগা। শুভ সংখ্যা ২।

শব্দ-ৰেহ ঃ ১৬ জুলাই ২০২২



[illegible]

লালাবৰিত তামোলৰ গাঁঠি লাগি মৃত্যু

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ১৫ জুলাই ঃ গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত লালাবৰিৰ জাৰবৰিত আজি এজন লোকৰ তামোলৰ গাঁঠি লাগি কৰুণভাৱে মৃত্যু ঘটে। মৃত লোকজন বলেন ৰায় (৪৮)। তথ্য মতে, আজি আবেলি ভাত খাই উঠি মুখশুদ্ধিৰ বাবে তামাল পাগুলি থাকোতে হঠাৎ ডিঙিত লাগি ধৰি ঢলি পৰে বলেন। লোকজনৰ আকস্মিক বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

ষ্টেডফেডৰ প্ৰাক্তন মেনেজাৰ আয়াজ আলীৰ মৃত্যু

বিশেষ সংবাদদাতা

মঙলদৈ, ১৫ জুলাই ঃ মঙলদৈ চহৰৰ দুই নম্বৰ ৱাৰ্ডৰ বাসিন্দা, ষ্টেডফেডৰ গুৱাহাটী মুখ্য কাৰ্যালয়ৰ প্ৰাক্তন উপ-পৰিচালক মঙলদৈ শাখাৰ প্ৰাক্তন পৰিচালক হাজী আয়াজ আলী (৮৩)ৰ আজি দিনৰ ১২-৫৫ বজাত বাৰ্ধক্যজনিত কাৰণত মঙলদৈ অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। কিছুদিন ধৰি তেওঁ শাৰীৰিকভাৱে অসুস্থ হৈ থকাত পৰিয়ালৰ লোকে তেওঁক চিকিৎসকৰ পৰামৰ্শত নিজ ঘৰতে চিকিৎসা কৰাই আছিল যদিও তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত আজি তেওঁক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। বিভিন্ন সামাজিক কামৰ স'তে জড়িত হৈ থকা আয়াজ আলী মঙলদৈ চহৰৰ সেউজ নগৰ জুম্মা মছজিদ পৰিচালনা সমিতিৰ সভাপতি, জন্মভূমি ছিপাঝাৰ সমষ্টিৰ বাঘমাৰা অঞ্চলৰ পশ্চিম মঙলদৈ হাই মাদ্ৰাছাৰ সভাপতি, চেঙেলিয়াঝাৰ মম্বাউল ইছলাম মাদ্ৰাছাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও মঙলদৈ সদৰ ঈদগাহ আৰু কবৰস্থান সমিতিৰ লগতো জড়িত আছিল। তেওঁৰ মৃত্যুত মঙলদৈৰ লগতে ছিপাঝাৰ অঞ্চলতো শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ-বোৱাৰী, নাতি আৰু অসংখ্য আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। আজি বিয়লি ৫-৩০ বজাত মঙলদৈ কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

দুমুনিচকীৰ সৰবৰহী লোক ইদ্ৰীছ আলীৰ বিয়োগ

দুমুনিচকী, ১৫ জুলাই ঃ দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকী নিবাসী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সমাজকৰ্মী ইদ্ৰীছ আলী (৭৫)ৰ আজি পুৱা মৃত্যু হয়। জটিল ৰোগত আক্ৰান্ত হৈ নিজ গৃহতে মৃত্যুক সাবটি লয় আলীয়ে। একেদৰে সাহিত্যানুৰাগী আলীৰ বিভিন্ন বিষয়ৰ লেখা বাতিৰ কাকত, আলোচনী, স্মৃতিগ্ৰন্থ আদিত প্ৰকাশ হৈছিল। এজন পুত্ৰসহ আৰু তিনি কন্যা, বোৱাৰী, নাতি-নাতিনীৰ লগতে অনেক গুণমুগ্ধক এৰি ইহসংসাৰৰ পৰা বিদায় লয়। সৰবৰহী লোকজনৰ মৃত্যুত দুমুনিচকী বৰনৈ প্ৰেছ ক্লাব, পোহৰ এনজিঅ'কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে লোক বিশেষে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

দৰঙৰ সুকনান্নী ওজাপালি তুলসী বৰুৱাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ১৫ জুলাই ঃ দৰং জিলাৰ বিশিষ্ট সুকনান্নী ওজাপালি তুলসী বৰুৱা (৮১)ৰ আজি মঙলদৈৰ উপহুপাৰাৰ বাসগৃহত দিনৰ দুই বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। উল্লেখ্য যে তেওঁৰ ওজাপালিৰ দলে যেতিয়া ওজাপালি পৰিবেশন কৰে দৰ্শকে সেই গীত নৃত্য দেখি আপ্লুত হৈ পৰিছিল । সুদীৰ্ঘ সময় দৰঙী কলা কৃষ্টিৰ এই বিশেষ কৃষ্টিবিধৰ চৰ্চা কৰা, সৰবৰহী নাগৰিক বৰুৱাই মৃত্যুৰ সময়ত পত্নী, নিউজ লাইভৰ কেমেৰা পাৰ্চন ধৰ্ম বৰুৱা, কন্যা, নাতি-নাতিনী আৰু গুণমুগ্ধক এৰি থৈ যায়। তেওঁৰ মৃত্যুত মঙলদৈ মিডিয়া চাৰ্কোলৰ সমূহ সদস্য, মঙলদৈ টাউন ক্লাব, চিৰসেউজী সংঘ, কেটচ্ আৰ্ট ক্লাব, জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ দাস, নিউজ লাইভৰ দৰঙৰ ব্যুৰ' চিফ্ হেমন্ত বৰুৱাই গভীৰ শোক প্ৰকাশ কৰিছে।

চিলঙনী আমতলা ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত ম'বাইল টিকাকৰণ ভান মুকলি

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱতো আজিৰে পৰা পুনৰ ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ আৰম্ভণি কৰে নগাঁও জিলা স্বাস্থ্য বিভাগে। সেই উপলক্ষে চিলঙনী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নগাঁও জিলা যুটীয়া স্বাস্থ্য সঞ্চালকে মুকলি কৰে তৃতীয় পালি অৰ্থাৎ ক'ভিডৰ বুষ্টাৰ ড'জ প্ৰদান কাৰ্যসূচীৰ। উল্লেখ্য যে আজিৰে পৰা ১৮ বছৰৰ ওপৰৰ সকলো হিতাধিকাৰীয়ে ক'ভিড প্ৰতিষেধক তৃতীয় পালি অৰ্থাৎ বুষ্টাৰ ড'জ ৭৫ দিনৰ বাবে বিনামূলীয়াকৈ চিলঙনী আমতলা ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত প্ৰদান কৰা হ'ব। চৰকাৰৰ নতুন নিৰ্দেশনা অনুসৰি, হিতাধিকাৰীয়ে দ্বিতীয় পালি প্ৰতিষেধক লোৱাৰ ছমাহ সম্পূৰ্ণ,

ক'ভিড বুষ্টাৰ ড'জ প্ৰদান কাৰ্যসূচীৰো আৰম্ভ

হ'লে তৃতীয় পালি অৰ্থাৎ বুষ্টাৰ ড'জ ৭৫ দিনৰ বাবে বিনামূলীয়াকৈ ল'বলৈ সুবিধা গ্ৰহণ কৰিব আৰু এই সুবিধা ওচৰৰ স্বাস্থ্য কেন্দ্ৰ অথবা ক'ভিড ভেকচিন চেন্টাৰত উপলব্ধ হ'ব। আনহাতে, উক্ত সভাতেই নগাঁও জিলা চিলঙনী আমতলা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত অতিৰিক্ত উপায়ুক্ত দেৱযানী চৌধুৰীয়ে জিলাখনৰ অধিক দূৰৈলৈকে থকা অঞ্চলৰ বাবে ৰাইজ ফাউণ্ডেছন এনজিঅ' ম'বাইল টিকাকৰণ বাহন উদ্বোধন কৰে। কাৰ্যসূচীত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অৰূপ জ্যোতি মহন্ত প্ৰমুখ্যে জিলা স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে চিকিৎসাকৰ্মীসকলৰ গ্ৰামাঞ্চলত প্ৰতিষেধক প্ৰদান কৰাৰ সুবিধা হোৱাকৈ ৰাইজ ফাউণ্ডেছনে চিকিৎসাকৰ্মী কঢ়িওৱা চাৰিচকীয়া বাহনখনে গ্ৰামাঞ্চলৰ ৰাইজক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে।

আজিৰে পৰা কলিয়াবৰ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস

ৰূপালী জয়ন্তীৰ কাৰ্যসূচী, সাংবাদিকতাৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ১৫ জুলাই ঃ ১৯৯৭ৰ ১৭ জুলাইতে প্ৰতিষ্ঠা হোৱা কলিয়াবৰ প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ বছৰজোৰা বিভিন্ন কাৰ্যসূচী চলি থকাৰ মাজতে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ক্লাবৰ ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস। জখলাবন্ধা হাস্পতাল চাৰিআলিস্থিত কলিয়াবৰ প্ৰেছ ক্লাব কাৰ্যালয় প্ৰাংগণৰ লগতে জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব লগা প্ৰতিষ্ঠা দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ লগতে কাইলৈৰ পৰা দুদিনীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কলিয়াবৰৰ সাংবাদিকতাৰ বাটকটীয়া অভিৰাম ভূঞা আৰু গোবিন্দ ৰাম ভূঞা সোঁৱৰণী সাংবাদিকতাৰ কৰ্মশালা অনুষ্ঠিত হ'ব। নগাঁৰৰ জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাই উদ্বোধন কৰিব লগা কৰ্মশালাখনত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ক্ৰমে অসম বাণী কাকতৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক দিলীপ চন্দন আৰু এন কে টিভিৰ জ্যেষ্ঠ সাংবাদিক বিশ্বজ্যোতি শৰ্মা। দ্বিতীয় দিনা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব বাতৰি লিখা আৰু বাতৰি পৰিবেশন প্ৰতিযোগিতা। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব লগা মুকলি সভা উদ্বোধন কৰিব ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি তথা স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়া আৰু বিশিষ্ট লেখক তথা ইতিহাস গৱেষক নবীন বৰঠাকুৰে। ইতিমধ্যে প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে কলিয়াবৰ প্ৰেছ ক্লাবে।

ৰাজহুৱা জাননী

ICICI Bank

শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮ এ, এজেচি বসু ৰোড
কলকাতা-৭০০০২০, চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২, www.icic.bank.com

বেংকে প্ৰদান কৰা ঋণৰ সুবিধা গ্ৰহণ কৰি তলৰ ঋণী/সকলে ঋণৰ মূলধন আৰু সুদৰ স'তে সমুদায় ধন পৰিশোধ কৰিবলৈ অপাৰগ হোৱাত লোন একাউণ্টটো ননপাৰ্ফৰমিং এছেট্‌লৈ শ্ৰেণীবদ্ধ কৰা হ'ল। চিকিউৰিটিজেছন আৰু ৰিকনষ্ট্ৰাকছন অৱ ফাইনেন্সীয়েল এছেট্ আৰু এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটি ইণ্টাৰেষ্ট আইন ২০০২ৰ দফা ১৩ (২) অধীনত নিম্ন উল্লেখিত ঋণীসকললৈ তেওঁলোকৰ শেহতীয়া ঠিকনাত ব্যক্তিগত জাননী প্ৰেৰণ কৰা হৈছিল যদিও কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাত এই ৰাজহুৱা জাননীৰ দ্বাৰা তেওঁলোকক অৱগত কৰা হ'ল।

ক্ৰঃ নং	ঋণী/সহঋণী/জামিনদাৰসকলৰ নাম (লোণ একাউণ্ট নং) আৰু ঠিকনা	অধিগ্ৰহণ কৰিবলগা/স্থাৱৰ সম্পত্তিৰ ঠিকনা আৰু বিৱৰণ	জাননী প্ৰেৰণৰ তাৰিখ/জাননী তাৰিখত মুঠ ঋণৰ পৰিমাণ	এন পি এ তাৰিখ
১	সতীশ ডেকা/ৰিজুমণি ডেকা/শালৈপাৰা ভুটীয়াচাং পথ, মঙলদৈ, দৰং, অসম-৭৮৪১৪৪ LBGUW00005291221	দাগ নংঃ ৩৯১, কে.পি. পট্টা নংঃ ৮৬, ৰাজহগাঁও-শালৈপাৰা, মৌজা ঃ চপাই, মঙলদৈ ৰাজহ চক্ৰ, জিলা ঃ দৰং, অসম। মুঠ মাটিকালি- ১ (এক) কঠা ৭(সাত) লেচা।	২০/০৬/২০২২ ১৪,৬৪,৮৮৬/- টকা	১১-০১-২০২২

ব্যক্তিগত জাননীৰ পৰিপূৰক হিচাপে এই ৰাজহুৱা জাননী প্ৰকাশ কৰা হৈছে। ওপৰোক্ত ঋণী/সকলক আৰু তেওঁলোকৰ জামিনদাৰ (যিটো প্ৰযোজ্য) সকলক এই জাননী প্ৰকাশ পোৱাৰ ৬০ দিনৰ ভিতৰত সুদে-মূলে সমুদায় ধনৰাশি পৰিশোধ কৰিবলৈ জনোৱা হ'ল। অন্যথা চিকিউৰিটিজেনছন আৰু ৰিকনষ্ট্ৰাকছন অৱ ফাইনেন্সিয়েল এছেট আৰু এনফৰ্চমেণ্ট অৱ ছিকিৰিটি ইণ্টাৰেষ্ট আইন ২০০২ অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

তাৰিখ ঃ ১৬ জুলাই, ২০২২
স্থান ঃ অসম

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

ৰাজহুৱা জাননী

ICICI Bank

শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮ এ, এজেচি বসু ৰোড
কলকাতা-৭০০০২০, চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২, www.icic.bank.com

বেংকে প্ৰদান কৰা সুবিধা অনুসৰি নিম্ন উল্লেখিত ঋণী/সকলে ঋণৰ মূলধন আৰু সুদৰ স'তে সমুদায় ধন পৰিশোধ কৰিবলৈ অপাৰগ হোৱাত লোন একাউণ্টটো ননপাৰ্ফৰমিং এছেট্‌লৈ শ্ৰেণীবদ্ধ কৰা হ'ল। ডি এইছ এফ এল আৰু নিম্ন উল্লেখিত ঋণ লওঁতাৰ মাজত সম্পাদিত ঋণ বুজাপৰা চুক্তি অনুসৰি গৃহ ঋণ সুবিধান আমানত বলৱৎ কৰণৰ সংক্ৰান্তত আই চি আই চি আই বেংক লিঃ (দেৱান হাইচিং পাইনেঞ্চ লিঃৰ দ্বাৰা আই চি আই চি আই বেংকলৈ পুনৰ আমানত) ৰ দ্বাৰা আমানত আৰু বিত্তীয় সম্পদৰ পুনৰ গঠন আৰু আমানত সুদ বলৱৎকৰণ আইন, ২০০২ৰ ধাৰা ১৩ (২) ৰ অধীনত নিম্ন উল্লেখিত ঋণীসকললৈ তেওঁলোকৰ শেহতীয়া ঠিকনাত ব্যক্তিগত জাননী প্ৰেৰণ কৰা হৈছিল যদিও কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাত এই ৰাজহুৱা জাননীৰ দ্বাৰা তেওঁলোকক অৱগত কৰা হ'ল।

ক্ৰঃ নং	ঋণীৰ নাম/সহঋণী/জামিনদাৰসকলৰ নাম/লোণ একাউণ্ট নং (ডি এইছ এফ এল পুৰণি লেন আৰু আই চি আই চি আই নতুন লেন) আৰু ঠিকনা	অধিগ্ৰহণ কৰিবলগা/স্থাৱৰ সম্পত্তিৰ ঠিকনা আৰু বিৱৰণ	জাননী প্ৰেৰণৰ তাৰিখ/জাননী তাৰিখত মুঠ ঋণৰ পৰিমাণ	এন পি এ তাৰিখ
১	বীৰেন্দ্ৰ কুমাৰ সিং/ধমেন্দ্ৰ সিং, ৰামেশ্বৰ ধাম, যোগী পথাৰ গাঁও, গোবিন্দপুৰ ৰেলগেটৰ ভিতৰত, পানীতোলা, অসম- ৭৮৬১৮৪। QZKJB00005041293	দুমহলীয়া ঘৰৰ স'তে ভূমি অংশ, হ'লডিং নম্বৰ ঃ চি ৫-৪৩৪/১১০, মেমনপুৰ মুখ্য পথ, মৌজা ঃ মেমনপুৰ, জে. আই নংঃ ১৬, আৰ.এচ নংঃ ৫৯, তৌজি নং ঃ ৬৬, পৰগণা বালিয়া, চি. এচ. দাগ নঃ ৪৫৮ৰ অন্তৰ্ভুক্ত, চি. এচ. খতিয়ান নংঃ ৩১৫ৰ অধীনত আৰু এল. আৰ দাগ নং- ৬৩১, এল. আৰ খতিয়ান নংঃ ১৩১৭ৰ অধীনত, থানা আৰু ডাক-মহেশতলা, মহেশতলা নগৰ সমিতিৰ অঞ্চলৰ ভিতৰত, ৱাৰ্ড নংঃ ২৪, কলকাতা-৭০০১৪১, জিলা ঃ দক্ষিণ পৰগণা ২৪, এ.ডি. এচ.আৰ বেহালাৰ অধীনত আৰু ডি. এচ. আৰ-২, দক্ষিণ আলিপুৰ ২৪ পৰগণা। মুঠ মাটিকালি ঃ ২ (দুকঠা), ৯ চটাক আৰু ১১ বৰ্গফুটৰ স'তে ১০০০ (এহেজাৰ) বৰ্গফুটৰ কম অথবা অধিক এলেকাৰ এটি দুমহলীয়া ঘৰ।	২৪-০৬-২০২২ ১৩,৪৫,৫৬১/- টকা	১৩-০৭-২০২২

ব্যক্তিগত জাননীৰ পৰিপূৰক হিচাপে এই ৰাজহুৱা জাননী প্ৰকাশ কৰা হৈছে। ওপৰোক্ত ঋণী/সকলক আৰু তেওঁলোকৰ জামিনদাৰ (যিটো প্ৰযোজ্য) সকলক এই জাননী প্ৰকাশ পোৱাৰ ৬০ দিনৰ ভিতৰত সুদে-মূলে সমুদায় ধনৰাশি পৰিশোধ কৰিবলৈ জনোৱা হ'ল। অন্যথা চিকিউৰিটিজেনছন আৰু ৰিকনষ্ট্ৰাকছন অৱ ফাইনেন্সিয়েল এছেট আৰু এনফৰ্চমেণ্ট অৱ ছিকিৰিটি ইণ্টাৰেষ্ট আইন ২০০২ অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

তাৰিখ ঃ ১৬ জুলাই, ২০২২
স্থান ঃ অসম

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

SHORT AUCTION SALE NOTICE

[illegible]

SHORT AUCTION SALE NOTICE

[illegible]

এবিটাৰ কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদৰে উত্তাল চাহ শ্ৰমিকৰ

মুখ্য কাৰ্যবাহী বিষয়াৰ বিৰুদ্ধে নিবিদাকাৰী-ৰাইজৰ গোৱালপাৰাৰ উপায়ুক্তক অভিযোগ

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৫ জুলাই ঃ চাহ শ্ৰমিকক পচা চাউল, আতা যোগান ধৰাৰ তীব্ৰ বিৰোধিতাত এবিটাৰ কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদৰে উত্তাল কৰি তোলে পৰিৱেশ। লগতে বিভিন্ন সমস্যাৰ সমাধান বিচাৰি ডিব্ৰুগড়ত চাহ শ্ৰমিকে আজি এবিটাৰ কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ

ছয় পৃষ্ঠাত চাওক

ছয়গাঁৱৰ ভেৰভৰীৰ কলহী নদীত সন্ধানহীন হৈ থকা তিনি কিশোৰৰ দুজনৰ মৃতদেহ উদ্ধাৰ

ছয়গাঁও, ১৫ জুলাই ঃ দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ ভেৰভৰীৰ কলহী নদীত কালি গা ধুৱলৈ গৈ সন্ধানহীন হৈছিল তিনিজনৰ কিশোৰ যুৱক। আজি তিনিজন পুৱাৰ ভাগত এজন কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰা হয়। পুৱা উদ্ধাৰ কৰা কিশোৰজনৰ নাম আছিল ৰাকেশ বড়ো (১৬)। ঘৰ বকোৰ টুৰুকপাৰাত। আবেলি চাৰি বজাত আকৌ একে গাঁৱৰে আন এজন যুৱক জগদীশ বড়ো (১৮)ৰ মৃতদেহ উদ্ধাৰ কৰা হয়। ঘটনাস্থলীত এছডিআৰএফ আৰু এনডিআৰএফ-এ কলহী নদীত অভিযান অব্যাহত ৰাখিছিল যদিও স্থানীয় ৰাইজে উদ্ধাৰ কৰে দুয়োজনৰ মৃতদেহ। ইয়াকে লৈ ৰাইজৰ মাজত কিছু ক্ষোভৰ সৃষ্টি হয়। সম্প্ৰতি এতিয়াও এজনৰ সন্ধান উলিয়াব পৰা নাই। সন্ধানহীন হৈ থকা কিশোৰজনৰ নাম বিশ্বজিৎ মণ্ডল। কিশোৰজনৰ বয়স বাকীকেইজনতকৈ বহু কম আছিল। সন্ধিয়া হোৱাৰ বাবে অভিযান বন্ধ কৰে যদিও ছয়গাঁও আৰক্ষী থানাৰ আৰক্ষী বিষয়া ভগৱান ডেকাই জানিবলৈ দিয়া অনুসৰি, পুৱাৰে পৰা পুনৰ কলহী নদীৰ বুকুত এছডিআৰএফ আৰু এনডিআৰএফ-এ অভিযান অব্যাহত ৰাখিব।

বালিপৰাত সলিল সমাধি ঘটা দুই কিশোৰৰ মৃতদেহ উদ্ধাৰ

ষ্টাফ ৰিপৰ্টাৰ

তেজপুৰ, ১৫ জুলাই ঃ শোণিতপুৰৰ জৰাসৰ নৈত কালি গা ধুবলৈ গৈ সন্ধানহীন হোৱা দুই কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। বালিপৰাৰ দীঘলী অঞ্চলৰ দুই কিশোৰ দেৱজিত বাগ আৰু নয়ন কৰ্মকাৰে সমীপৰে জৰাসৰ নৈত কালি দিনৰ প্ৰায় ১১ বজাত গা ধুবলৈ গৈছিল। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি, উৎকট গৰমত নৈত গা ধুই থকা দুই কিশোৰক বহু দেৰিলৈকে উভতি নহাত তেওঁলোকৰ সন্ধান আৰম্ভ কৰাৰ লগতে এই বিষয়ে চাৰিদুৱাৰ আৰক্ষীকো ৰাইজে অৱগত কৰে। পাছত আৰক্ষী আৰু ৰাইজে দুইজন কিশোৰীৰ সন্ধান কৰে আৰু নিশা প্ৰায় ন বজাত স্থানীয় লোকে নয়ন কৰ্মকাৰৰ মৃতদেহ জৰাসৰৰ পানীত ওপঙি থকা অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে, দেৱজিতৰ কোনো সন্ধান নোলোৱাত আজি পুৱাৰে পৰা পুনৰ স্থানীয় লোকে দেৱজিতৰ সন্ধানত নামে আৰু কিশোৰজনৰ মৃতদেহো পুৱাই নৈত ওপঙি থকা অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনাই অঞ্চলতে শোকৰ ছাঁ পেলাইছে।

প্ৰতিবাদী মহিলাৰ ক্ষোভৰ সন্মুখীন হ'ল পঞ্চায়ত সভাপতি

বড়মপুৰত বিভিন্ন আঁচনিত দুৰ্নীতিৰ অভিযোগ

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ নগাঁও জিলাৰ বড়মপুৰ উন্নয়ন খণ্ডৰ অধীনৰ বড়মপুৰ গাঁও পঞ্চায়ত কাৰ্যালয়ত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পঞ্চায়তখনৰ অধীনৰ বিভিন্ন ৱাৰ্ডৰ পৰা অহা শতাধিক মহিলাই পঞ্চায়তটোত দীৰ্ঘদিনৰ পৰা চলি অহা দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰতিবাদী মহিলাসকলে পঞ্চায়ত সভাপতি কুশল বৰা আৰু জিআৰএছগৰাকীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি, পঞ্চায়তখনত যিসকল দৰিদ্ৰ লোকে প্ৰধানমন্ত্ৰী আৱাস যোজনা লাভ কৰিব লাগে সেইসকলক বঞ্চিত কৰি একাংশ ধনী লোকৰ নাম তালিকাত ভৰাই সেইসকল লোকৰ ঘৰসমূহ জিঅ'টেক কৰাৰ ব্যৱস্থা কৰে। অকল জিঅ'টেক কৰাই নহয় সেইসকলৰ লগত ভিতৰুৱা বুজাবুজি ব

ছয় পৃষ্ঠাত চাওক

এগুণত দুগুণ লাভৰ প্ৰলোভন তেজপুৰত গ্ৰেপ্তাৰ দুই প্ৰৱঞ্চক

ষ্টাফ ৰিপৰ্টাৰ

তেজপুৰ, ১৫ জুলাই ঃ কম মূল্যতে সোণ বিক্ৰীৰ প্ৰলোভনেৰে ৰাজ্যৰ তথা বহিঃৰাজ্যৰ বহুলোকক প্ৰৱঞ্চনা কৰাৰ দৰেই শেহতীয়াকৈ জমা দিয়া ধন এমাহতে দুগুণ কৰি দিয়াৰ প্ৰলোভনৰে নগালেণ্ডৰ দুই যুৱক-যুৱতীক ফান্দত পেলাই নলাখ টকা হজম কৰা দুই প্ৰৱঞ্চকক যোৱা নিশা গ্ৰেপ্তাৰ কৰিছে শোণিতপুৰ আৰক্ষীয়ে। গ্ৰেপ্তাৰ হোৱা দুই প্ৰৱঞ্চক কাচেম আলী আৰু ছাইফুল ইছলাম বুলি প্ৰকাশ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত বামগাঁও পুৰণা হাটখোলাৰ কাচেম আলী আৰু লখিমপুৰৰ বিহপুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ সোণাপুৰ ৰিজাৰ্ভ গাঁৱৰ ছাইফুল ইছলামে মিলি বিভিন্ন লোকৰ ফোন নম্বৰ সংগ্ৰহ কৰি এগুণ ধন এমাহৰ ভিতৰত দুগুণ কৰি দিয়াৰ প্ৰলোভন দিয়ে। এনেদৰেই কহিমাৰ এই যুৱক-যুৱতীলৈয়ো ফোন কৰি দুই প্ৰৱঞ্চকে প্ৰৱঞ্চনাৰ জাল পেলাই আৰু কহিমাৰ দুই বন্ধুৱেও এই প্ৰৱঞ্চনাৰ জালত ভৰি দিয়ে। সহজেই ধন দুগুণ হোৱাৰ আশাত প্ৰায় ডেৰমাহ পূৰ্বে দুই প্ৰৱঞ্চকক কহিমাৰ যুৱক-যুৱতীদ্বয়ে আদায় দিয়ে নগদ নলাখ টকা। কিন্তু এমাহৰ পাছত আদায় দিয়া নলাখ টকাৰ দুগুণ ১৮ লাখ টকা বিচাৰি প্ৰৱঞ্চকদ্বয়লৈ দুয়ো ফোন কৰে যদিও ফোন বন্ধ অৱস্থাত থকাত উপায়ান্তৰ হৈ দুয়ো তেজপুৰৰ বৰঘাট আৰক্ষী চকীত উপস্থিত হৈ এই সন্দৰ্ভত এজাহাৰ দাখিল কৰে।

ছয় পৃষ্ঠাত চাওক

■ বানত বিধ্বস্ত ৰহা মহকুমা কৃষি বিষয়া কাৰ্যালয়ত বহিবলৈ নাই ঠাই

কেৱল বাসগৃহই নহয় ৰহাত চৰকাৰী কাৰ্যালয়ো বিধ্বস্ত কৰিলে বলিয়া বানে

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ চলিত বৰ্ষতে দুটাকৈ প্ৰলয়ংকৰী বানে মহটিয়াই লৈ যোৱা নগাঁও জিলাৰ ৰহা আৰু কামপুৰ ৰাজহ চক্ৰত এতিয়াও ঘূৰি অহা নাই স্বাভাৱিক অৱস্থা। বলিয়া বানত ৰাজহ চক্ৰ দুটাৰ অন্তৰ্গত প্ৰায় তিনি শতাধিক গাঁও আক্ৰান্ত হৈছিল। বানত বেয়াকৈ আক্ৰান্ত হয় ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত ১২৯খন গাঁৱৰ ভিতৰত ১২১ খন গাঁও। বলিয়া বানে গৃহহীন কৰিলে ৰহা সমষ্টিৰ বহু লোকক। উল্লেখ্য যে ইয়াৰ ভিতৰত ৰহা মাজগাঁও, দূৰ্গাজানত ১৩ টা, দেওবালিত ১১ টা, ফুলিগুৰি গড়মূৰত তিনিটা, দুবৰিতলিত তিনিটাকৈ পৰিয়ালৰ বাসগৃহ প্ৰলয়ংকৰী বানে ভাঙি-ছিঙি তচনচ কৰাত গৃহহীন হৈ পৰে অৰ্ধশতাধিক পৰিয়াল। কেৱল সেয়াই নহয়; প্ৰলয়ংকৰী বানে বিস্তৰ ক্ষতিসাধন কৰে ৰহাৰ বহুকেইটা চৰকাৰী কাৰ্যালয়ো। তথ্য অনুসৰি, কলং নদীৰ বাঢ়নী পানীয়ে ৰহা পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডৰ গড়মাৰী ডুবাই পেলোৱাত পানীত ডুব যায় মহকুমা কৃষি বিষয়া কাৰ্যালয়টো। সুদীৰ্ঘ দিন এই চৰকাৰী কাৰ্যালয়টো পানীত ডুব গৈ থকাত বৰ্তমান কাৰ্যালয়টো ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। ফলত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে কৃষি বিষয়া কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে। উল্লেখ্য যে বানৰ ফলত কাৰ্যালয়টোৰ কিছুবছৰৰ আগতে নিৰ্মাণ কৰা নতুন

ছয় পৃষ্ঠাত চাওক

দুৰ্নীতি-ভ্ৰষ্টাচাৰক প্ৰশ্ৰয় দিয়া নহ'ব ঃ উৰ্খাও

বি পি এফৰ সক্ৰিয় নেতাৰ ইউ পি পি এলত যোগদান

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ১৫ জুলাই ঃ 'মই এজন কেবিনেট মন্ত্ৰী হ'লেও ইউপিপিএলৰে আমি এজন কৰ্মী। সেয়ে আজি মই ইউপিপিএলৰ গোসাঁইগাঁও জিলা কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মকৰ্তাসকলৰ স'তে দলৰ বিভিন্ন বিষয়ক লৈ মত বিনিময় কৰিলোঁ। আমাৰ দলত দুৰ্নীতিগ্ৰস্তসকলৰ ঠাই নাই।' এই ভাষ্য ইউপিপিএলৰ জ্যেষ্ঠ নেতা তথা কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্মৰ। আজি গোসাঁইগাঁও সদৰ চহৰৰ টি পি ৰোডস্থিত ইউপিপিএলৰ গোসাঁইগাঁও জিলা কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছত ইউপিপিএলৰ গোসাঁইগাঁও জিলা উপ-সভাপতি লোকনাথ নাৰ্জাৰীৰ সভাপতিত্বত দলীয় কৰ্মকৰ্তাসকলক লৈ এখন মত বিনিময় সভা অনুষ্ঠিত হয়। মত বিনিময় সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰে গোসাঁইগাঁৱৰ পৌৰপতি প্ৰফুল্ল ইছলাৰীয়ে। উক্ত সভাতে বি পি এফৰ সক্ৰিয় নেতা মিথুন ব্ৰহ্মই আনুষ্ঠানিকভাৱে দল ত্যাগ কৰি ইউপিপিএল দলত যোগদান কৰে। ইউপিপিএলত যোগদান দিয়া মিথুন ব্ৰহ্মক মন্ত্ৰী ব্ৰহ্মই ফুলাম গামোচা, দলীয় প্ৰতীক আদিৰে সম্বৰ্ধনা জনাই আদৰি লয়। মত বিনিময় সভাৰ অন্তত সাংবাদিকে মন্ত্ৰী ব্ৰহ্মক সম্প্ৰতি ভি চি ডি চিসমূহত

ছয় পৃষ্ঠাত চাওক

দুই ঠিকাদাৰে কাম দিয়াৰ প্ৰলোভনেৰে লৈ গৈছিল ইটানগৰলৈ

বহিঃৰাজ্যত সন্ধানহীন শালবাৰীৰ ভকুৱামাৰীৰ তিনি শ্ৰমিক

অগ্ৰদূত বাৰ্তা

শালবাৰী, ১৫ জুলাই ঃ বহিঃৰাজ্যত সন্ধানহীন হৈছে অসমৰ তিনিজনকৈ শ্ৰমিক। বিগত দুমাহ ধৰি সন্ধানহীন হৈ আছে বাগসাৰ শালবাৰীৰ ভকুৱামাৰীৰ শ্ৰমিক তিনিজন। অৰুণাচলৰ ইটানগৰত কাম দিয়াৰ প্ৰলোভনেৰে আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত ভকুৱামাৰীৰ দুই ঠিকাদাৰ ক্ৰমে আব্দুল মালেক আৰু সাহাদত আলীয়ে লৈ গৈছিল শ্ৰমিক তিনিজনক। শ্ৰমিক তিনিজনৰ দুমাহ ধৰি কোনো সন্ধান নোহোৱাত পৰিয়ালৰ লগতে উৎকণ্ঠাৰ সৃষ্টি হৈছে বৃহত্তৰ ভকুৱামাৰী অঞ্চলত। শ্ৰমিক তিনিজন ভকুৱামাৰীৰ ৰুস্তম আলী (৪৪), জয়নাল আলী (৪৫) আৰু হিকমত আলী (৪৭)। শ্ৰমিক কেইজনৰ

ছয় পৃষ্ঠাত চাওক

অসম চাহ নিগমৰ উপাধ্যক্ষক বৰ্খাস্তৰ দাবী আটছা, এচিএমএছৰ

নিগমৰ বাগিচা লীজত দিয়াৰ পূৰ্বে শ্ৰমিকৰ বকেয়া আদায় দিব লাগিব ঃ আটছা

অগ্ৰদূত বাৰ্তা

চামগুৰি, ১৫ জুলাই ঃ অসম চাহ নিগমৰ ১২ খন চাহ বাগিচা অসম চৰকাৰে লীজত দিবলৈ ওলোৱা আৰু নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰাই চাহ নিগমৰ অধীনস্থ বাগিচাৰ শ্ৰমিকৰ কৰ্মসংস্কৃতিৰ ওপৰত বিৰূপ মন্তব্য কৰাক কেন্দ্ৰ কৰি আজি নগাঁও জিলাৰ চামগুৰিৰ আমলখি চাহ বাগিচাৰ শ্ৰমিকসকল গৰজি উঠে। অসম চাহ মজদুৰ সংঘ আৰু আটছাৰ উদ্যোগত চাহ বাগিচাখনৰ শ্ৰমিকসকলে বিক্ষোভ প্ৰদৰ্শন কৰি অসম চাহ নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰাৰ প্ৰতিমূৰ্তিও দাহ কৰে । আমলখি ৰেল গেটৰ ওচৰত চাহ শ্ৰমিকসকলে 'এটি কলি দুটি পাত, চাহ শ্ৰমিক জিন্দাবাদ', 'অসম চৰকাৰৰ শোষণ নীতি নচলিব', 'চাহ নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰাক বৰ্খাস্ত কৰক' আদি ধ্বনিৰে নিনাদিত হয় আমলখি চাহ বাগিচাৰ আকাশ বতাহ। প্ৰতিবাদথলীত নগাঁও জিলা

ছয় পৃষ্ঠাত চাওক

নগাঁও জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ নগাঁও জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সভা আজি নগাঁও চহৰৰ আমোলাপট্টি নাট্য মন্দিৰত অনুষ্ঠিত হয়। জিলা বিজেপিৰ সভাপতি অভিজিত নাথৰ পৌৰোহিত্যত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত দলটোক অধিক শক্তিশালী কৰি ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত দলীয়া কৰ্মকৰ্তাসকলৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰাৰ লগতে ৰাইজৰ স্বাৰ্থত দলটোৱে কাম কৰি যোৱাৰ পোষকতা কৰে। কাৰ্যনিৰ্বাহক সভাই আন কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, নগাঁও সদৰ

ছয় পৃষ্ঠাত চাওক

উত্তৰ শালমাৰা মহকুমা আদালতৰ হত্যাকাণ্ডত জড়িতক যাৱজ্জীৱন কাৰাদণ্ড

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ১৫ জুলাই ঃ উত্তৰ শালমাৰা মহকুমাৰ অতিৰিক্ত সত্ৰ জিলা ন্যায়ধীশ (এফটিচি) ভূপেন কুমাৰ নাথে কালি এক হত্যাকাণ্ডৰ বিচাৰৰ শুনানিত হত্যাকাৰী এগৰাকীক যাৱজ্জীৱন কাৰাদণ্ডৰ আদেশ দিয়ে। উল্লেখ্য যে ২০১০ৰ ৪ চাৰি ছেপ্টেম্বৰত অভয়াপুৰী থানাৰ বৰঘোলা আৰক্ষী চকীৰ অন্তৰ্গত কাছাৰীপেটীৰ ফজলুৰ ৰহমান নামৰ লোকজনে সান্তা নেচা নামৰ এগৰাকী বোৱাৰীক তাইৰ স্বামীক নথকাৰ সুযোগত চোকা অস্ত্ৰৰে আঘাত কৰি হত্যা কৰিছিল। এই হত্যাকাণ্ড সংঘটিত হোৱাৰ পিছদিনাখনে সান্তা নেছাৰ ভিনীহিয়েক আব্দুল হামিদে হত্যাকাণ্ডৰ পিছদিনাই অভয়াপুৰী থানাত এক এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত

ছয় পৃষ্ঠাত চাওক

নগাঁৱত উপায়ুক্তৰ কাৰ্যালয়ত কৰ্মচাৰী-বিষয়াৰ অবাধ দুৰ্নীতি

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ত এগৰাকী বহু বিতৰ্কিত অতিৰিক্ত উপায়ুক্তৰ পৃষ্ঠপোষকতাত দুজনমান তলখাপৰ কৰ্মচাৰী আৰু দালালে ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। চৰকাৰী আঁচনি ৰূপায়ণৰ নামত সেই কৰ্মচাৰী আৰু দালালৰ জৰিয়তে বৃহৎ কমিচন ৰাজ চলোৱা এই বিষয়াজনৰ বিৰুদ্ধে আন কেতবোৰ অভিযোগো শেহতীয়াকৈ উত্থাপিত হৈছে। বিশেষকৈ নগাঁৱত প্ৰলয়ংকৰী বানৰ সময়ত বানাক্ৰান্ত ৰাইজে বান সাহায্যৰ বাবে আশাৰে বাট চাই থকাৰ সময়তো এই বান সাহায্যৰ নামত সংশ্লিষ্ট বিষয়াজনে তেওঁৰ অনুগত নিম্নখাপৰ কৰ্মচাৰী একাংশ দালালৰ জৰিয়তে খাদ্য-সামগ্ৰী যোগান ধৰাৰ নামতো ব্যাপক দুৰ্নীতি সংঘটিত কৰা বুলি অভিযোগ উঠিছে। আনকি এই সমগ্ৰ দুৰ্নীতি আৰু অনিয়মৰ লগত উপায়ুক্ত কাৰ্যালয়ৰ এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী দালালৰ ৰূপত অৱতীৰ্ণ হোৱাৰ লগতে

ছয় পৃষ্ঠাত চাওক

দলগাঁও আদৰ্শ বিদ্যালয়ত অচলাৱস্থা এশ এবুৰি সমস্যাৰে জৰ্জৰিত বিদ্যালয়

বৰঙণি উঠাই শিক্ষক নিযুক্তিৰ সিদ্ধান্ত অভিভাৱকৰ সভাত

অগ্ৰদূত বাৰ্তা

দলগাঁও, ১৫ জুলাই ঃ দৰঙৰ দলগাঁৱত অৱস্থিত দলগাঁও আদৰ্শ বিদ্যালয়খনৰ শিক্ষক, আন্তঃগাঁথনি আদি বিভিন্ন সমস্যাই বিদ্যালয়খনত অচলাৱস্থাৰ সৃষ্টি কৰিছে। ইংৰাজী মাধ্যমৰ কেন্দ্ৰীয় বিদ্যালয়খনত অভিভাৱকসকলে মনত বহু আশা লৈ নিজৰ ল'ৰা-ছোৱালীক বিদ্যালয়খনত নাম ভৰ্তি কৰাই হতাশ হৈ পৰিছে। কালি বিদ্যালয়খনত অনুষ্ঠিত হয় অভিভাৱক সভা। প্ৰাপ্ত তথ্য মতে, বিদ্যালয়খনত প্ৰথমৰ পৰা সপ্তম শ্ৰেণীলৈ মুঠ সাতটা শ্ৰেণীত ৫৭০ গৰাকী ছাত্ৰ-ছাত্ৰী থকাৰ বিপৰীতে অধ্যক্ষক বাদ দি মাত্ৰ ছগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আছে। ৮০ গৰাকীতকৈ বেছি ছাত্ৰ-ছাত্ৰী থকা প্ৰতিটো শ্ৰেণীতে দুটাকৈ শাখা থকাৰ আৱশ্যক আছিল যদিও সাতটা শ্ৰেণীত একেলগে পাঠদান দিবলৈ সাতগৰাকী শিক্ষকেই নাই। নিতৌ এটাকে শ্ৰেণী বহাই থৈ পাঠদান চলায়। কেতিয়াবা দুগৰাকী শিক্ষকে ছুটী ল'ব লাগিলে তিনিটাকৈ শ্ৰেণীত পাঠদান বন্ধ হয়। আনহাতে, শ্ৰেণী হ'লেও ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীক এজন শিক্ষকে গুণগত শিক্ষা দিয়া সম্ভৱ নহয়। তথ্য মতে, আদৰ্শ বিদ্যালয় সংগঠনৰ পৰিচালনা সঞ্চালক ধ্ৰুৱজ্যোতি বৰাই এ ভি এছ/ই এছ টি টি/২০২২ নম্বৰ চিঠিযোগে ১৯ মে'ত দৰঙৰ উপায়ুক্তক পাঁচগৰাকী শিক্ষক অইন বিদ্যালয়ৰ পৰা মিলাই দিবলৈ নিৰ্দেশ দিয়ে যদিও বৰ্তমানলৈ সম্ভৱ হৈ উঠা নাই। আকৌ ছাত্ৰ-ছাত্ৰী বহিবলৈ ডেস্ক-বেঞ্চৰো অভাৱ। এযোৰ ডেস্ক-বেঞ্চত এই উৎকট গৰমৰ মাজতো সাতগৰাকীকৈ বহিব লাগে। কণ কণ শিশুসকলৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে খেল-ধেমালিৰ কোনো সুব্যৱস্থা নাই। খেলপথাৰ হাবিলৈ পৰ্যবসিত হৈছে। পুৱাৰ প্ৰাৰ্থনা কৰিবলৈও অকণ মুকলি ঠাইৰ অভাৱ। জিলা উপায়ুক্ত চেয়াৰমেন, চক্ৰ বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা শিক্ষা বিষয়া,

ছয় পৃষ্ঠাত চাওক

ৰাজ্যত ২.৪৫ কোটিক প্ৰথম, ২.১৫ কোটিক দ্বিতীয় প্ৰতিষেধক প্ৰদান কৰা হৈছে ঃ মন্ত্ৰী মহন্ত

আজাৰাত ক'ভিড টিকাকৰণৰ অমৃত মহোৎসৱ কাৰ্যসূচীৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৫ জুলাই ঃ দেশৰ আন ৰাজ্যৰ লগতে অসমতো আজিৰে পৰা ১৮ বছৰ ঊৰ্ধ্বৰ সকলো যোগ্য লোকৰ বাবে বিনামূলীয়াকৈ উপলব্ধ ক'ভিড প্ৰতিষেধকৰ তৃতীয় পালি দিয়াৰ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ আধাৰত ৰাজ্য চৰকাৰে অসমৰ ১৮-৫৯ বছৰ বয়সৰ সকলোকে বিনামূলীয়াকৈ ক'ভিড প্ৰতিষেধকৰ সতৰ্কতামূলক পালি প্ৰদানৰ বাবে আজিৰে পৰা অহা ৩০ ছেপ্টেম্বৰলৈ

ছয় পৃষ্ঠাত চাওক

গোসাঁইগাঁৱত চিপ লৈ আত্মহত্যা মহিলাৰ

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ১৫ জুলাই ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত এক নম্বৰ ভোমৰাবিল গাঁৱৰ আনোৱাৰ হুছেইনৰ পত্নী ছকিনা বিবি (২৫)এ আজি পুৱা প্ৰায় ১০ বজাত নিজ ঘৰত চিপ লৈ আত্মহত্যা কৰে। ভোমৰাবিল গাঁৱৰ মাছৰ ক্ষুদ্ৰ ব্যৱসায়ী আনোৱাৰ হুছেইনৰ পত্নী ছকিনাই ঘৰত কোনো নথকাৰ সুযোগ লৈ নিজৰ ঘৰৰ ৰান্ধনি কোঠাত নিজৰ কাপোৰেৰে চিপ লৈ আত্মহত্যা কৰে। পাছত পৰিয়ালৰ লোকে ছকিনাক চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰি আনোৱাৰৰ পিতৃ গৃহত খবৰ দিয়াত পৰিয়ালৰ সমূহ সদস্য তথা চুবুৰীয়াৰ মাজত হুলস্থুল লাগে। ঘটনা সংক্ৰান্তত খবৰ পাই গাঁৱৰ গাঁওবুঢ়া জোৱাহেৰ আলীয়ে গোসাঁইগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৰজ্যোতি বাইলুঙক খবৰ দিয়ে। ফলত

ছয় পৃষ্ঠাত চাওক

বাউসী উদয়পুৰত হোৱাটছ এপ গ্ৰুপৰ অনন্য প্ৰয়াস

বিবাহিত জীয়ৰীৰ গীতে-মাতে জীপাল 'প্ৰাণৰ মেলা'

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৫ জুলাই ঃ লোক-সংস্কৃতিৰ সাধক তথা নৃত্য শিল্পী ভোলানাথ তালুকদাৰৰ বাউসী উদয়পুৰৰ বাসগৃহ আজি এজাক জীয়ৰীৰ গীত-মাত, কবিতাৰে জীপাল হৈ পৰে। উল্লেখ্য যে গাঁওখনৰ বিবাহিত প্ৰায় অৰ্ধশতাধিক জীয়ৰীয়ে আজি একত্ৰিত হৈ 'প্ৰাণৰ মেলা' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত কৰে। গাঁওখনৰ উদ্যোগী তথা প্ৰগতিশীল বিবাহিত জীয়ৰী তৰালী কাকতিয়ে গাঁওখনৰ বিবাহিত জীয়ৰীসকলক একত্ৰিত কৰি ৰখাৰ উদ্দেশ্যে গঠন কৰা মহিলা হোৱাটছ এপ গ্ৰুপৰ উদ্যোগত আজি এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। 'আমি বাইহাতোলাৰ আপি' নামেৰে গঠন কৰা গ্ৰুপটোৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠান এটি গীতা শ্লৈকেৰে আৰম্ভ কৰে আৰুচী তালুকদাৰে। বিশিষ্ট কবি তথা শিক্ষয়িত্ৰী ডেইজী তালুকদাৰৰ

ছয় পৃষ্ঠাত চাওক

ৰেলৱে ঠিকাদাৰৰ গাফিলতি পাঁচজনকৈ লোক দুৰ্ঘটনাগ্ৰস্তত

অগ্ৰদূত বাৰ্তা

টংলা, ১৫ জুলাই ঃ ওদালগুৰি জিলাৰ টংলা এম বি গড়কাপ্টানী পথৰ পৰা কলাইগাঁও হাতীগড় মেকেনজি পথলৈ টংলা-পুৰন্দিয়া পথত ৰেলৱে ঠিকাদাৰে শিল-বালি জমা ৰখাৰ ফলত উক্ত পথত পাঁচজনকৈ লোক দুৰ্ঘটনাগ্ৰস্ত হৈ গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। তথ্য মতে, টংলা ৰেলৱে ষ্টেছনৰ পৰা হৰিশিঙা ষ্টেছ নৰ মাজপথ হাঁহিনী, বালিপাৰা সামেইকুছি ৰেলৱে পথটো

ছয় পৃষ্ঠাত চাওক

বালিপৰাত চোৰাংভাৱে সৰবৰাহ কৰা ৫৭৫ কাৰ্টন সুৰা জব্দ



ষ্টাফ ৰিপৰ্টাৰ

তেজপুৰ, ১৫ জুলাই ঃ চোৰাংভাৱে বিভিন্ন ৰাজ্যলৈ সুৰাৰ সৰবৰাহৰ ক্ষেত্ৰত বিভিন্ন কূট কৌশলৰ আশ্ৰয় লোৱা চোৰাং বেপাৰীয়ে এইবাৰ বৃহৎ পৰিমাণৰ সুৰা চোৰাংভাৱে মণিপুৰলৈ কঢ়িয়াই নিয়াৰ

ছয় পৃষ্ঠাত চাওক

দৈনিক
অগ্ৰদূত

[illegible]

লিংগ ব্যৱধানৰ সমস্যাটো

[illegible]

আপদকালত আত্ম-বিশ্বাসৰ সমল

আজিৰ ভাৰত বিশ্বৰ ষষ্ঠ বৃহৎ অৰ্থনীতিৰ দেশ। ক্ৰয়-ক্ষমতাৰ দৃষ্টিৰে বিশ্বত ভাৰতৰ স্থান আমেৰিকা আৰু চীনৰ পাছতে তৃতীয়

বিক্ষিপ্ত চিন্তা



ড° জয়কান্ত শৰ্মা

[illegible]

মনত ৰাখিব লাগিব, ভাৰতৰ জনসংখ্যা ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ ৮৪ খন দেশৰ মুঠ জনসংখ্যাৰ সমান। অৰ্থাৎ সমস্যাটোৰ সমাধানত ৮৪ খন দেশৰ ৰাষ্ট্ৰমুৰব্বীয়ে চলোৱা প্ৰশাসনৰ সৈতে ভাৰতৰ একেবাৰী ৰাষ্ট্ৰমুৰব্বীজনৰ [illegible] তুলনা কৰিব পৰা যায়। এনে তুলনামূলক অধ্যয়নৰ মাজেৰে [illegible] আমাৰ সাফল্যৰ [illegible]

[illegible]

খোলা মঞ্চ

অৰ্ধ-শতক অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা

[illegible]

ফণীন্দ্ৰ নাথ বৰ্মন, [illegible]

[illegible]

তপন ডেকা

তাহানিৰ ছাত্ৰ নেতা আজি ভাৰতীয় চোৰাংচোৰা সন্থাৰ মুৰব্বী

অৱলোকন

কৈলাশ চন্দ্ৰ শৰ্মা

[illegible]

দৈনিক অগ্ৰদূত

সাহিত্যাচাৰ্য পদ্মনাথ গোহাঞিঞি বৰুৱাৰ নুমলীয়া ভনী 'সোণফেৰি'



অৱলোকন

অঞ্জন্যা গগৈ

[illegible]

জ্যেষ্ঠ নাগৰিক দায়িত্ব আৰু কৰ্তব্য

বয়সতকৈ মনোবলেহে জ্যেষ্ঠজনক সতেজ কৰি ৰাখে

[illegible]

সুৰেন্দ্ৰ মোহন নাথ (৮৮)

[illegible]

[illegible]

নাৰী শিক্ষাৰ সবলীকৰণত এটা কাপোৰৰ কল

পংকজ কুমাৰ নেওগ

[illegible]

[illegible]

অসম দাপোণ

নগাঁৱত উপায়ুক্তৰ কাৰ্যালয়ত কৰ্মচাৰী

তিনি পৃষ্ঠাৰ পৰা সংশ্লিষ্ট বিষয়াজনৰ লগত ছাঁটোৰ দৰে লাগি থকা আন এজন দালালেও দীৰ্ঘদিন ধৰি এই দালালিৰ বজাৰ চলাই আহিছে। বিষয়াজনৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত এই দুই দালালে জিলা উপায়ুক্ত কাৰ্যালয়ৰ যিকোনো কাম-কাজৰ ক্ষেত্ৰত দালালি চলাই অহাতো সৰ্বজনবিদিত। তাৎপৰ্যপূৰ্ণ বিষয় যে এই দালাল দুজনৰ ভিতৰত এজনো উপায়ুক্ত কাৰ্যালয়ৰ স্থায়ী কৰ্মচাৰী নহয়। অথচ জিলা উপায়ুক্ত কাৰ্যালয়ৰ স্থায়ী কৰ্মচাৰীতকৈ এই দালাল দুজনৰ অতপালিয়ে এতিয়া সকলোকে অতিষ্ঠ কৰি তুলিছে। এতিয়া এই দালাল দুজন নিয়ন্ত্ৰণৰ বাহিৰত।

দালাল দুজনে ঠিকা-ঠুকুলিৰ পৰা আৰম্ভ কৰি জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰিবহণ শিতানতো চলাই আহিছে এক বৃহৎ ছিণ্ডিকেট। কে'বাটাও এজেঞ্চিৰ নামতো লুটপাট চলাই আহিছে। আনকি বিষয়াজনৰ আশিষধন্য এজন নিছে তলখাপৰ কৰ্মচাৰীৰ বিভিন্ন আত্মীয়-কুটুমৰ নামত জিলা উপায়ুক্ত কাৰ্যালয়ৰ লগতে বিভিন্ন চৰকাৰী বিভাগত ভাড়াত চলি আছে ২০ খনতকৈও অধিক গাড়ী। শেহতীয়াকৈ বানৰ সময়ত বান সাহায্য প্ৰদানৰ গাড়ী অধিগ্ৰহণৰ নামতো চলাইছিল দুৰ্নীতিৰ আন এক অধ্যায়।

এবিটাৰ কাৰ্যালয় ঘেৰাও কৰি তীব্ৰ

তিনি পৃষ্ঠাৰ পৰা প্ৰতিবাদৰে উত্তাল কৰি তোলে পৰিৱেশ। চাহ শ্ৰমিকক যোগান ধৰা পচা চাউল বন্ধ কৰা, শ্ৰমিকৰ মজুৰি দৈনিক চাৰিশ টকালৈ বৃদ্ধি কৰা, চাহ বাগিচাত চিকিৎসা সেৱা সুচল কৰা, বাগিচাৰ চিকিৎসালয়ত চিকিৎসক নিযুক্ত দিয়া আদি কে'বাটাও দাবী উত্থাপন কৰি ডিব্ৰুগড়ৰ চাউলখোৱাস্থিত এবিটাৰ কাৰ্যালয়ৰ সন্মুখত আছা, এনএফআইটিইউ, অসম জাতীয় পৰিষদকে ধৰি বহুকেইটা সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ডিব্ৰুগড় চাউলখোৱাস্থিত এবিটাৰ কাৰ্যালয়ৰ সন্মুখত চাহ জনগোষ্ঠীয় বহুকেইটা সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি অতি শীঘ্ৰে দাবীসমূহ পূৰণৰ দাবী উত্থাপন কৰে। এবিটাই উক্ত দাবীসমূহৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰিলে পৰৱৰ্তী সময়ত আন্দোলন অধিক তীব্ৰতৰ কৰা হ'ব বুলি প্ৰতিবাদ স্থানৰ পৰাই হুংকাৰ প্ৰদান কৰে চাহ জনগোষ্ঠীয় সংগঠনসমূহে। প্ৰতিবাদত শ্ৰমিক নেতা ইজৰাইল নন্দ, প্ৰাক্তন বিধায়ক অনুপম ফুকন, অজাপৰ পৰাগজ্যোতি বৰুৱা আদি উপস্থিত থাকে।

বিবাহিত জীয়ৰীৰ গীতে-মাতে জীপাল

তিনি পৃষ্ঠাৰ পৰা সঞ্চালনাত অনুষ্ঠিত সভাত লোক সংস্কৃতিৰ সাধক ভোলানাথ তালুকদাৰৰ লগতে ভালেসংখ্যক জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জনোৱা হয়। গ্ৰুপৰ সভাপতি সবিতা কলিতাই আঁতধৰা অনুষ্ঠানত গাঁওখনৰ প্ৰয়াত লোকসলক স্মৰণ কৰি মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য যে গ্ৰুপটোৰ উদ্যোগত ভাৰ্চুৱেল পদ্ধতিত যোৱা কিছুদিন পুৰ্বে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। গ্ৰুপৰ উদ্যোগত 'এসাঁজ গাঁৱলীয়া ভাত' শীৰ্ষক প্ৰতিযোগিতাত ক্ৰমে তৰালী কাকতি, সবিতা কলিতা প্ৰথম, গীতাঞ্জলি কলিতা, নিৰু তালুকদাৰ দ্বিতীয়, ইলোৰা তালুকদাৰ,বীমা তালুকদাৰ তৃতীয়, চুমী তালুকদাৰ নিচুকনি আৰু ৰঞ্জু তালুকদাৰ আৰু নামনি তালুকদাৰৰ বিচাৰকৰ বঁটা প্ৰদান কৰা হয়। ইয়াৰ উপৰি ৰাভা সংগীত প্ৰতিযোগিতাত মামনি শইকীয়া প্ৰথম, কল্পনা তালুকদাৰ দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত দিপিকা হাজৰিকাক অনুষ্ঠানত বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত শিল্পী জোনলী তালুকদাৰ, মীৰা তালুকদাৰ, পুৰৱী তালুকদাৰ, গায়িকা ডলী হাজৰিকাৰ উপৰি ভালেসংখ্যক জীয়ৰীয়ে বিয়াগীত, আধুনিক গীত গোৱাৰ লগতে লোক সংস্কৃতিৰ সাধক ভোলানাথ তালুকদাৰে দেহ বিচাৰৰ গীতৰ গাই সকলোকে আপ্লুত কৰে। উল্লেখ্য যে অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক কেশৰ তালুকদাৰ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জীজিবাই তালুকদাৰ, ৰাইৎকুছি মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক খনীন্দ্ৰ তালুকদাৰ, গ্ৰুপ এডমিন তৰালী কাকতি, বিচাৰক ডেইজী তালুকদাৰ, কণমানি কলিতা, মীনা তালুকদাৰক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তদুপৰি পৰৱৰ্তী সময়ত জীয়ৰীসকলৰ এনে মহান উদ্যোগক ভৱিষ্যতৰ বাবে সাঁচি ৰাখিবলৈ এখন স্মৰণিকা প্ৰকাশ কৰা হ'ব বুলিও প্ৰকাশ কৰে।

কেৱল বাসগৃহই নহয় ৰহাত চৰকাৰী

তিনি পৃষ্ঠাৰ পৰা কাৰ্যালয়টোৰ ভিতৰৰ পকী মজিয়া ছিৰাল ফাট দি বহি যোৱাত এখন চকী পাৰি বহিবলৈকো অসুবিধাৰ সন্মুখীন হৈছে। মনকৰিবলগীয়া যে তিনিটা কোঠা সংযুক্ত নতুন কাৰ্যালয়টোত মহকুমা কৃষি বিষয়াৰ লগতে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়াসকলে ব্যৱহাৰ কৰে যদিও বৰ্তমান সময়ত পকী মজিয়া বহি পকী বেৰ আদিও ফাট মেলি যোৱাত চিন্তাত পৰিছে বিষয়া-কৰ্মচাৰীসকল। তথ্য অনুসৰি, প্ৰায় তিনি শতাধিক ৰাজহ গাঁৱক পাঁচটাকৈ কৃষি চক্ৰৰ দ্বাৰা কৃষক ৰাইজক চৰকাৰীভাৱে কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীসকলে উক্ত কাৰ্যালয়টোৰ পৰাই সকলো নিয়ন্ত্ৰণ কৰে যদিও বৰ্তমানৰ বানে কাৰ্যালয়টোৰ বিস্তৰ ক্ষতিসাধন কৰাত সমস্যাত পৰিছে কৰ্মচাৰীসকল। কাৰণ ৰহা মহকুমা কৃষি বিষয়া কাৰ্যালয়ৰ অধীনত এজন কৃষি পৰিদৰ্শক ধৰি পাঁচজনকৈ আছে সহকাৰী কৃষি পৰিদৰ্শক। লগতে আছে চাপৰমুখ, ৰহা, বাৰপুজীয়া, কামপুৰ আৰু কচুৱাসহ পাঁচটাকৈ কৃষি চক্ৰ। এই কৃষি চক্ৰবোৰ চোৱাচিতাৰ দায়িত্বত আছে একোজনকৈ কৃষি উন্নয়ন বিষয়া। কিন্তু এনেবোৰ বিষয়া-কৰ্মচাৰী বহিবলৈকো এতিয়া ঠাইৰ অভাৱ মহকুমা কৃষি বিষয়া কাৰ্যালয়টোত। ফলত এইসকল বিষয়া-কৰ্মচাৰীয়ে অন্যস্থানত থাকি দায়িত্ব পালন কৰিব লগা হৈছে। সেয়েহে অতি শীঘ্ৰে থলুৱা কৃষকসকলক সঠিকভাৱে কৃষি ক্ষেত্ৰত উন্নয়ন কৰিবলৈ বিষয়া-কৰ্মচাৰীসকলৰ বাবে এটি কাৰ্যালয় নিৰ্মাণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত স্থানীয় ৰাইজে দাবী জনাইছে।

নিগমৰ বাগিচা লীজত দিয়াৰ পূৰ্বে

তিনি পৃষ্ঠাৰ পৰা আটছাৰ সভাপতি মহেন্দ্ৰ নায়কে ক্ষোভ প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত কয়- চৰকাৰে নিগমৰ ১২খন চাহ বাগিচা লীজত দিবলৈ ওলোৱা কাৰ্যক আমি আদৰণি জনাইছো ; কিন্তু লীজত দিয়াৰ পূৰ্বে নিগমৰ শ্ৰমিকক দিবলগীয়া বকেয়াখিনি আদায় দিব লাগিব। যদি বকেয়া, ভৱিষ্যতনিধিৰ ধন আদায় নিদিয়াকৈ চৰকাৰে বাগিচা লীজত দিয়ে তেনেহ'লে আমি কোনো মালিকক বাগিচাত সোমাবলৈ নিদিম'। ইফালে, চাহ নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰাই নিগমৰ শ্ৰমিকসকলৰ কৰ্ম সংস্কৃতিৰ ওপৰত বিৰূপ মন্তব্য কৰি কথা কোৱাৰ প্ৰসংগ উত্থাপন কৰি আটছাৰ নেতা মহেন্দ্ৰ নায়কে ক্ষোভ উজাৰি কয়, 'বিগত ২০ ধৰি ৰেছন, ছাতি, চিকিৎসা, শিক্ষাৰ সা-সুবিধা নোপোৱাকৈ দৈনিক আঠ ঘণ্টা ধৰি শ্ৰমিকসকলে কাম কৰি অসম চাহ নিগমৰ বাগিচাসমূহ জীয়াই ৰাখিছে; তেনেক্ষেত্ৰত কালি চাহ নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰাই শ্ৰমিকৰ কৰ্মসংস্কৃতিক উপহাস কৰি যি বিৰূপ মন্তব্য কৰিছে তাক আমি ধিক্কাৰ দিছো। এইজন উপাধ্যক্ষক অতি শীঘ্ৰে অসম চাহ নিগমৰ পদবীৰ পৰা বৰ্খাস্ত কৰিবলৈ আমি দাবী জনাইছো।' একেদৰে আমলখি চাহ বাগিচাৰ অসম মজদুৰ সংঘৰ বাগান ইউনিটৰ সভাপতি বিৰেণ চোঁৱায়েও একে দাবীকে উত্থাপন কৰি কয়- বাগিচা লীজত দিয়াৰ পূৰ্বে শ্ৰমিকৰ বকেয়াসমূহ আদায় দি বাগিচা লীজত দিয়ক । আৰু শ্ৰমিকৰ কৰ্মসংস্কৃতিক লৈ বিৰূপ মন্তব্য কৰা অসম চাহ নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰাক বৰ্খাস্ত কৰিবলৈকো তেওঁ দাবী জনায়। আজিৰ প্ৰতিবাদী সভাত আটছাৰ নগাঁও জিলা কমিটীৰ সহকাৰী সম্পাদক সত্যম পেন্দ্ৰ আৰু এচিএমএছৰ আমলখি চাহ বাগিচা ইউনিটৰ সম্পাদক ৰাজেশ কালিন্দীও উপস্থিত আছিল।

আজাৰাত ক'ভিড টিকাকৰণৰ অমৃত

তিনি পৃষ্ঠাৰ পৰা চলিবলগীয়া ৭৫ দিনীয়া ৰাজ্যজুৰি 'ক'ভিড টিকাকৰণৰ অমৃত মহোৎসৱ'ৰ আৰম্ভ কৰা হৈছে। আজি গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উক্ত কাৰ্যসূচী মুকলি কৰে অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। এই উপলক্ষে কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এনৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাগ লৈ স্বাস্থ্যমন্ত্ৰী মহন্তই চৰকাৰে বিনামূলীয়াকৈ আগবঢ়োৱা তৃতীয় পালি ক'ভিড টিকাকৰণ অভিযানৰ ব্যাখ্যা দাঙি ধৰি সকলোকে আহ্বান জনাই কয় যে ক'ভিডৰ তৃতীয় পালি গ্ৰহণ কৰক আৰু ক'ভিডক পৰাজিত কৰক। এই পৰ্যন্ত ৰাজ্যত ২.৪৫ কোটি প্ৰথম পালি আৰু ২.১৫ কোটি দ্বিতীয় পালি প্ৰদান কৰা হৈছে। বৰ্তমান ৰাজ্যত প্ৰায় এহেজাৰ স্বাস্থ্য কেন্দ্ৰত তৃতীয় পালি প্ৰদান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। গৰণৰ বন্ধ খুলিলে শিক্ষানুষ্ঠানসমূহতো এই কাৰ্যসূচী সম্প্ৰসাৰণ কৰা হ'ব বুলি মন্ত্ৰী মহন্তই সদৰী কৰে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে ভাগ লৈ পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে ক'ভিডৰ বিৰুদ্ধে চলোৱা যুঁজখনত সফলতা লাভ কৰা বুলি সদৰী কৰি আগন্তুক দিনত পশ্চিম গুৱাহাটীৰ স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, চিকিৎসা কৰ্মী, নাৰ্ছ আদিৰ নাটনিৰ সমস্যাটো দূৰ হ'ব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত অসন চৰকাৰৰ স্বাস্থ্য সেৱা সঞ্চালক (পৰিয়াল কল্যাণ) ডাঃ কমলজিৎ তালুকদাৰ, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত কমল বৰুৱা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ গুণীন্দ্ৰ নাথ দেৱশৰ্মা, ন'ডেল স্বাস্থ্য বিষয়া ডাঃ অৰবিন্দ দাস, আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা বিষয়া ডাঃ ধ্ৰুৱজ্যোতি বৰুৱাকে ধৰি কে'বাজনো স্বাস্থ্য বিষয়াকে ধৰি বহু বিশিষ্ট লোক উপস্থিত থাকে। উল্লেখ্য যে ৰাজ্যৰ সকলো জিলাতে আজি পুৱা উপায়ুক্তসকলে ক'ভিড টিকাকৰণৰ অমৃত মহোৎসৱৰ জিলাস্তৰীয় অভিযান মুকলি কৰিছে। এই ৭৫ দিনীয়া বিশেষ অভিযানৰ জৰিয়তে ৰাজ্যৰ প্ৰতিখন জিলাৰে সকলো চৰকাৰী চিকিৎসালয় তথা ক'ভিড প্ৰতিষেধক কেন্দ্ৰ (চিভিচি)ত ১৮ বছৰৰ লোকসকলক বিনামূল্যে ক'ভিডৰ সতৰ্কতামূলক তৃতীয় পালি টিকা প্ৰদান কৰিব স্বাস্থ্য বিভাগে।

বঢ়মপুৰত বিভিন্ন আঁচনিত দুৰ্নীতিৰ

তিনি পৃষ্ঠাৰ পৰা ধনৰ লেনদেন হোৱাৰ সম্পৰ্কেও প্ৰতিবাদ কৰে মহিলাসকলে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ তালিকাসমূহ লৈ সেইসমূহত পকা ঘৰ থকা লোক, চৰকাৰী চাকৰিয়াল, চৰকাৰী পেঞ্চনাৰ আদি লোকৰ নাম অন্তৰ্ভুক্ত হোৱাৰ প্ৰমাণ সহকাৰে দঙি ধৰে প্ৰতিবাদী মহিলাসকলে। ইয়াৰ উপৰি এনৰেগা আঁচনি কামৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি সংঘটিত কৰিছে বুলি উল্লেখ কৰি মহিলাসকলে বহু লোকে এনৰেগা আঁচনিত কাম কৰি নিজৰ প্ৰাপ্য ধন নোপোৱাৰ পৰিৱৰ্তে একাংশ লোকে কাম নকৰাকৈ জৱকাৰ্ডৰ জৰিয়তে ধন লাভ কৰিছে বুলিও অভিযোগ কৰে। বিশেষকৈ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ অতি ঘনিষ্ঠ হোৱা হেতুকে এইজন পঞ্চায়ত প্ৰতিনিধিয়ে নিজৰ খেয়াল-খুচি মতে, কাম কৰি পঞ্চায়তবাসীক গুৰুত্বহীন কৰি তুলিছে বুলি অভিযোগ উত্থাপন কৰিছে প্ৰতিবাদী মহিলাসকলে। মহিলাসকলে অভিযোগ কৰা অনুসৰি, চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ জৰিয়তে লাভ কৰা ধনৰ অপব্যৱহাৰ কৰি পঞ্চায়তখন প্ৰকৃত উন্নয়নৰ পৰা বঞ্চিত কৰিছে সভাপতি বৰাই। প্ৰতিবাদী মহিলাসকলৰ অভিযোগ অনুসৰি, যিসকল লোক সভাপতিজনৰ লগত ঘনিষ্ঠ সেইসকল লোকক বিভিন্ন সুবিধা প্ৰদান কৰি আহিছে। এটা পৰিয়ালে দুটাকৈ চৰকাৰী আৱাস লাভ কৰাৰ পাছত বৰ্তমান তেনে লোকৰ নামো তালিকাত সন্নিবিষ্ট হৈ আছে। ইফালে, এই দুৰ্নীতি-অনিয়মৰ অভিযোগ ভিত্তিহীন বুলি সাংবাদিকৰ আগত জানিবলৈ দিয়াৰ সময়ত সভাপতি বৰাই প্ৰতিবাদী মহিলাৰ ৰোষৰ বলি হয়। প্ৰতিবাদী মহিলাসকলে সভাপতিজনক বাহিৰলৈ আহি সাংবাদিকৰ সন্মুখীন হ'বলৈ দাবী জনায় আৰু সভাপতিজন পঞ্চায়ত কাৰ্যালয়ৰ পৰা ওলাই অহাৰ সময়ত মহিলাৰ ক্ষোভৰ সন্মুখীন হয়। মহিলাসকলক সভাপতিজনে 'ক'ত দুৰ্নীতি কৰিছে দেখুৱাই দিবলৈ' দাবী জনায়। মহিলাসকলে সকলো দুৰ্নীতি সদৰী কৰাত সভাপতিজনে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ক্ষেত্ৰত যদি ধনী লোকৰ নাম অন্তৰ্ভুক্ত হৈছে তেনেহ'লে সেইসকলৰ নাম কৰ্তন কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে। মহিলাসকলে সভাপতিজনৰ দুৰ্নীতি আৰু অনিয়ম ৰোধ কৰাৰ ক্ষেত্ৰত বিধায়ক গোস্বামীক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱাৰ লগতে পঞ্চায়তত হোৱা দুৰ্নীতিৰ তদন্ত কৰিবলৈ গ্ৰামোন্নয়ন বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনাইছে। উল্লেখ্য যে আজি সভাপতিজনে পঞ্চায়তত এখন গাঁও সভাৰ আয়োজন কৰিছিল। এই গাঁওসভালৈ বচা বচা লোকক মাতি আজি ঘৰৰ তালিকাত থকা লোকৰ লগত ভিতৰুৱা বুজাবুজি কৰাৰ কথা আছিল যদিও এই বিষয়টো পঞ্চায়তৰ চুকে-কোণে বিয়পি পৰাত আজি পঞ্চায়তত শতাধিক মহিলা উপস্থিত হৈ এনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। পাছত পৰিস্থিতি শান্ত হয় যদিও আজিৰ এই কাৰ্যসূচীয়ে বঢ়মপুৰ উন্নয়ন খণ্ডৰ অধীনৰ পঞ্চায়তসমূহত হৈ থকা দুৰ্নীতি-অনিয়ম পোহৰলৈ আনে।

জাগীৰোডত জাপানী এনকেফেলাইটিছত প্ৰাক্তন অধ্যক্ষ ভোগৰাম বৰাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ১৫ জুলাই ঃ জাগীৰোডত জাপানী এনকেফেলাইটিছ ৰোগে ধাৰণ কৰিছে সংহাৰী ৰূপ। ইজনৰ পাছত সিজন আক্ৰান্ত হৈছে এই মাৰাত্মক ব্যাধিত। জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ কালি পুনৰ জাগীৰোডৰ এজন লোকৰ মৃত্যু হয়। মৃত লোকজন জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ভোগৰাম বৰা (৬৯)। বৰা বিগত কে'বাদিন ধৰি নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। অৱশেষত আজি পুৱা চিকিৎসাধীন অৱস্থাতে মৃত্যু হয় লোকজনৰ। জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল বৰা। কালি বৰাৰ নশ্বৰদেহ জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ অনা হয় আৰু বিদ্যালয়ৰ তৰফৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত শোকৰ ছাঁ পৰিছে সমগ্ৰ অঞ্চলটোত। উল্লেখ্য যে জাগীৰোডত বৰ্তমান দুজনলৈ বৃদ্ধি পাইছে জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হোৱা ৰোগীৰ সংখ্যা।

বালিপৰাত চোৰাংভাৱে

তিনি পৃষ্ঠাৰ পৰা বাবে আন এক নতুন কৌশল অৱলম্বন কৰিছিল যদিও যোৱা নিশা বালিপৰাত ৰঙাপৰা আবকাৰী বিভাগৰ অভিযানত সেয়া ফাদিল হয়। উল্লেখ্য যে অসম-অৰুণাচল সীমান্তৰ তথা অৰুণাচল প্ৰদেশৰ ভালুকপুঙৰ পৰা মণিপুৰলৈ এন এল-০১ এল-৭৮৬২ নম্বৰ ট্ৰাকখনৰ ওপৰত হাতীৰ চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা ঔষধৰ তলত অৰুণাচলী সুৰা কঢ়িয়াই অনা হৈছিল চোৰাংভাৱে। ইতিমধ্যে এই বিষয়ে ৰঙাপৰা আবকাৰী বিভাগে লাভ কৰা আগতীয়া তথ্যৰ ভিত্তিত যোৱা নিশা প্ৰায় ১২ বজাৰ পৰা বালিপৰাত ১৫ নম্বৰ পথত অভিযান চলাই আৰু নিশা প্ৰায় এক বজাত চোৰাংভাৱে সুৰা কঢ়িয়াই অনা ট্ৰাকখন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে প্ৰথম অৱস্থাত ট্ৰাকখনত প্ৰায় ডেৰশ কাৰ্টন সুৰা থকা আবকাৰী বিভাগে ধাৰণা কৰিছিল যদিও আজি দিনত ট্ৰাকখনত মুঠ ৫৭৫ কাৰ্টন সুৰা কঢ়িয়াই অনাটো নিশ্চিত কৰে আবকাৰী বিভাগে। প্ৰায় ৪০ লাখ টকা মূল্যৰ এই সুৰা সৰবৰাহ কৰা ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনক আটক কৰি আবকাৰী বিভাগে অনুসন্ধান অব্যাহত ৰাখিছে।

নগাঁও জিলা বিজেপিৰ

তিনি পৃষ্ঠাৰ পৰা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, নগাঁও জিলা প্ৰভাৰী শান্তনু পূজাৰী, সহকাৰী প্ৰভাৰী প্ৰণৱ লহকৰৰ লগতে জিলা, মণ্ডল পৰ্যায়ৰ বিষয়ববীয়া, নগাঁও আৰু কামপুৰ পৌৰসভা, ৰহা টাউন সমিতিৰ নিৰ্বাচিত সদস্য, তিৱা স্বায়ত্ত পৰিষদৰ নিৰ্বাচিত সদস্যসকলে অংশগ্ৰহণ কৰে।

দলগাঁও আদৰ্শ বিদ্যালয়ত

তিনি পৃষ্ঠাৰ পৰা স্বাস্থ্য বিষয়া, দলাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষক সদস্য হিচাপে লৈ বিদ্যালয়খনৰ এচ এম ডি চি গঠন কৰাৰ পাছতো বিদ্যালয়খনত এনে অচলাৱস্থা সৃষ্টি হোৱাত অভিভাৱকসকলে উদ্বিগ্নতা প্ৰকাশ কৰে। বিদ্যালয়খনৰ ৰান্ধনি ঘৰ, মধ্যাহ্ন ভোজন খোৱা গৃহ, অভিভাৱকৰ জিৰণি ঠাই, চাইকেল ৰখা ঠাই আদিৰ বিভিন্ন অভাৱ আছে। অভিভাৱকসকল উপায়ান্তৰ হৈ মাহিলি বৰঙণি উঠাই শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিবলৈ সিদ্ধান্ত লৈ অভিভাৱকসকলে ৩০ জনীয়া সদস্যৰে এখন অভিভাৱক সমিতি গঠন কৰিছে।

এগুণত দুগুণ লাভৰ প্ৰলোভন

তিনি পৃষ্ঠাৰ পৰা বৰঘাট আৰক্ষীয়ে কৌশলেৰে যোৱা নিশা প্ৰৱঞ্চকদ্বয়ৰে কহিমাৰ যুৱক-যুৱতী দুজনৰ যোগাযোগ কৰাবলৈ সক্ষম হয় আৰু শোণিতপুৰৰ ঘোঁৰামাৰিত তেওঁলোক মিলিত হোৱাৰ কথা থিৰাং কৰা হয়। সেই অনুসৰি, যোৱা নিশা ঘোঁৰামাৰিত উপস্থিত হোৱা দুই প্ৰৱঞ্চকক আগতীয়া খবৰ অনুসৰি, শালনীবাৰী আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ৰাইজৰ সহায়ত দুয়োকে শালনীবাৰী আৰক্ষীয়ে আটক কৰাৰ পাছত মাজনিশা কাচেম আৰু ছাইফুলক বৰঘাট আৰক্ষীক হস্তান্তৰ কৰা হয়। ঘটনা সন্দৰ্ভত বৰঘাট আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

দুৰ্নীতি-ভ্ৰষ্টাচাৰক প্ৰশ্ৰয় দিয়া

তিনি পৃষ্ঠাৰ পৰা দুৰ্নীতি সংঘটিত হোৱা বুলি প্ৰশ্ন সোধাত মন্ত্ৰী ব্ৰহ্মৰ স্পষ্ট কথা 'যদি কাৰোবাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আনুষ্ঠানিকভাৱে পোৱা যায় সেই ক্ষেত্ৰত কাউন্সিলে বিচাৰ কৰি দোষীৰ বিৰুদ্ধে নিশ্চয় ব্যৱস্থা ল'ব। আমাৰ চৰকাৰ দিনত বেয়া কাম কৰিলে তাক ৰেহাই দিয়া নহ'ব। ইউপিপিএল সদায় ৰাইজৰ মাজত জীয়াই থাকিবলৈ হ'লে অন্যায়ৰ বিৰুদ্ধে মাত মাতিবই লাগিব। দলত দুৰ্নীতিগ্ৰস্ত লোক থাকিলে তাক ৰেহাই দিয়া নহ'ব।'

পাঁচজনকৈ লোক দুৰ্ঘটনাগ্ৰস্তত

তিনি পৃষ্ঠাৰ পৰা মেৰামতিৰ কাম চলি আছে। ৰেলৰে পথৰ কামৰ বাবে শিল-বালিসমূহ ৰাইজে যাতায়াত কৰা পথৰ দাঁতিত ৰাখি যাতায়াতৰ অসুবিধা সৃষ্টি কৰিছে। দুৰ্ঘটনা সংঘটিত হৈছে। ফলত আজিলৈকে পাঁচজনকৈ ব্যক্তি দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হ'বলগীয়া হৈছে। ৰেলৰে বিভাগ আৰু ঠিকাদাৰক ৰাইজে আপত্তি জনোৱাৰ পাছতো কোনো সঁহাৰি জনোৱা নাই। সচেতন মহলে অতিশীঘ্ৰে সুব্যৱস্থা নল'লে তীব্ৰ গণতান্ত্ৰিক আন্দোলন কৰিব বুলি জানিবলৈ দিয়ে।

গোসাইগাঁৱতচিপ লৈ আত্মহত্যা

তিনি পৃষ্ঠাৰ পৰা গোসাঁইগাঁও আৰক্ষী থানাৰ সংলগ্ন বিষয়া দুলুমনি হুকায়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। মহিলাগৰাকীয়ে কিয় আত্মহত্যাৰ পথ বাছি ল'লে সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। উল্লেখ্য যে কেইমাহমান আগত মহিলাগৰাকীয়ে পৰকীয়া প্ৰেমৰ কবলত পৰি ঘৰৰ পৰা বহিঃৰাজ্যলৈ পলাই গৈছিল। তাৰ পাছতো স্বামী আনোৱাৰে ঘৰলৈ ওভতাই আনিছিল। তাৰ পাছৰ পৰা মহিলাগৰাকীয়ে মানসিক ভাৰসাম্যহীনতাত ভুগিছিল বুলি গাঁৱৰ একাংশই প্ৰকাশ কৰিছে।

বহিঃৰাজ্যত সন্ধানহীন

তিনি পৃষ্ঠাৰ পৰা পৰিয়ালৰ লোকে সদৰী কৰা মতে, উল্লিখিত দুই ঠিকাদাৰে শ্ৰমিককেইজনক লৈ যোৱাৰ পাছৰ পৰাই পৰিয়ালৰ লোকৰ স'তে কোনো ধৰণৰ যোগাযোগ ৰাখিবলৈ দিয়া নাই। হঠাৎ কেতিয়াবা দুই ঠিকাদাৰে পৰিয়ালৰ লোকৰ ম'বাইল ফোন যোগে 'ভ'ইচ এছএমএছ' প্ৰেৰণ কৰে যদিও শ্ৰমিককেইজনক কথা-বতৰা পাতিবলৈ নিদিয়ে। দুই ঠিকাদাৰৰ কথা-বতৰা, আচৰণত সন্দেহ কৰি এইক্ষেত্ৰত অসম চৰকাৰৰ লগতে আৰক্ষী প্ৰশাসনৰ ওচৰত সহায় বিচাৰিছে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। ইতিমধ্যে ঘটনা সংক্ৰান্তত পৰিয়ালৰ লোকে শালবাৰী আৰক্ষী থানা আৰু আনন্দ বজাৰ আৰক্ষী চকীক অৱগত কৰিছে।

উত্তৰ শালমাৰা মহকুমা

তিনি পৃষ্ঠাৰ পৰা অভয়াপুৰী থানাত ১৬১/১০ নম্বৰ গোচৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰে আৰু তদন্তৰ অন্তত অভয়াপুৰী আদালতত অভিযোগ নামা দাখিল কৰে। সেই গোচৰৰ ভিত্তিত আৰু পৰৱৰ্তী সময়ত ছেচন গোচৰ নম্বৰ ২৬ এ/২০১৫ অনুসৰি গোচৰটো বিচাৰ চলে । কালি হত্যাকাণ্ডৰ চূড়ান্ত ৰায়দান দি হত্যাকাৰী ফজলুৰ হকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ৩০২ ধাৰা অনুসৰি, ২০ হেজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা অবিহনে অতিৰিক্ত দুবছৰ সশ্ৰম কাৰাদণ্ড আৰু ৪৫৭ ধাৰা অনুসৰি ১০ হেজাৰ টকাৰ জৰিমনা বিহে । জৰিমনা অবিহনে এক বছৰৰ অতিৰিক্ত সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে । এই গোচৰটোৰ চৰকাৰী পক্ষৰ অধিবক্তা আছিল গৌতম চৌধুৰী।

গোৱালপাৰাত ক'ভিড-১৯ প্ৰতিষেধক অমৃত মহোৎসৱৰ আৰম্ভ

ক'ভিড ৰোগীৰ সংখ্যা ২২২ লৈ বৃদ্ধি

অগ্ৰদূত বাৰ্তা

মাটিয়া ১৫ জুলাই ঃ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাতো আজি ক'ভিড-১৯ প্ৰতিষেধক অমৃত মহোৎসৱৰ আৰম্ভ কৰা হয়। এই উপলক্ষে গোৱালপাৰা জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ সমীপৰ এএনএমৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। গোৱালপাৰা জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ নীলমাধৱ দাসে পৌৰোহিত্য কৰা সভাখনত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত পল্লৱজ্যোতি নাথে জিলাখনৰ ১৮ বছৰৰ পৰা ৫৯ বছৰৰ সকলো লোকক নিৰ্ধাৰিত সময়ৰ ভিতৰত ক'ভিড প্ৰতিষেধক দিয়াৰ বাবে স্বাস্থ্য বিভাগক আহ্বান জনায়। সভাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ নীলমাধৱ দাসে ভাষণ প্ৰসংগত কয় যে ১৮ বছৰৰ পৰা ৫৯ বছৰৰ ভিতৰৰ সকলো লোকৰ বাবে তৃতীয় পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হ'ব। জিলাখনৰ ৯০ খন চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানত ৩০ ছেপ্টেম্বৰলৈ তৃতীয় পালি প্ৰতিষেধক ৰাইজে বিনামূলীয়াকৈ লাভ কৰিব। ইয়াৰ জৰিয়তে জিলাখনৰ পাঁচ লাখ ৫০ হোজাৰ লোকক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে বুলি জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে উল্লেখ কৰে। সভাত অতিৰিক্ত উপায়ুক্ত আৰু যুটীয়া স্বাস্থ্য সঞ্চালকে স্বাস্থ্য কৰ্মীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। উল্লেখ্য যে আজি গোৱালপাৰা জিলাত ২৮৫ গৰাকী লোকক পৰীক্ষা কৰাত ৫৯ জন লোকৰ দেহত ক'ভিড-১৯ ৰ উপস্থিতি ধৰা পৰে। ইয়াকে ধৰি জিলাখনত মুঠ সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হ'ল ২২২ গৰাকী। ইফিনে, বিশেষ ডায়েৰীয়া নিয়ন্ত্ৰণ পষেক উপলক্ষে আজি উক্ত সভাতে যুটীয়া স্বাস্থ্য সঞ্চালকে কে'বাগৰাকী কণ কণ শিশুৰ মাজত ডায়েৰীয়া নিয়ন্ত্ৰণৰ বাবে আৰএছ আৰু জিংক টেবলেট বিতৰণ কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। সভাখনত যুটীয়া স্বাস্থ্য সঞ্চালকজনে ডায়েৰীয়া নিয়ন্ত্ৰণৰ বিবে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰে।

বন্ধ ৰেলৰে গেট ভাঙি থৈ গ'ল তীব্ৰ বেগী বাহন

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৫ জুলাই ঃ আজি সন্ধিয়া প্ৰায় ৭-১৫ বজাত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সমীপৰ শান্তিনগৰত বন্ধ হৈ থকা ৰেলৰে গেটখন তীব্ৰবেগী এখন পিকআপ ভেনে ভাঙি উধাও হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । উল্লেখ্য যে উজনিমুৱা ধুবুৰী গুৱাহাটী ডেমো যাত্ৰীবাহী ৰেলখন অহাৰ সময় হোৱাৰ বাবে ৰেলগেটৰ কৰ্তৃপক্ষই বন্ধ ৰাখিছিল। তেতিয়াই কোকৰাঝাৰ চহৰৰ পৰা মাগুৰমাৰীলৈ যোৱা এখন অচিনাকী পিকআপ ভেনে তীব্ৰ গতিত আহি দুয়োপিনৰ গেটখন ভাঙি উধাও হয়। এই ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মন কৰিবলগীয়া যে গেটখন বন্ধ থকা হেতুকে গেটখনৰ দুয়োপাৰে বহু যান বাহন আৰু লোকৰ সমাগম আছিল যদিও আৰু দৈৱক্ৰমে ৰক্ষা পৰে। ইতিমধ্যে ৰেলৱে কৰ্তৃপক্ষই অচিনাকী বাহনখনৰ সম্ভেদ লাভ কৰিবলৈ অনুসন্ধান অব্যাহত ৰাখিছে ।

কোকৰাঝাৰত বিনামূলীয়া ক'ভিড বুষ্টাৰ ড'জ আৰম্ভ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৫ জুলাই ঃ কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পদক্ষেপত আজিৰে পৰা ৭৫ দিনীয়া বিনামূলীয়া ক'ভিড বুষ্টাৰ ড'জ কোকৰাঝাৰতো আৰম্ভ হয়। কোকৰাঝাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে উপায়ুক্ত বৰ্ণালী ডেকাই। ১৮-৫৯ বছৰৰ লোকৰ বাবে এই বিশেষ সুবিধা প্ৰদান কৰিছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে। আজি কোকৰাঝাৰ আৰম্ভ অনুষ্ঠানত বিটিআৰৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জাহিৰ আহমেদ আৰু আৰএনবিচিকিৎসালয়ৰ উপাধ্যক্ষ ডাঃ অচিন্ত্য সুন্দৰ শৰ্মা, ডাঃ দেৱময় ভাওৱেল, অতিৰিক্ত উপায়ুক্ত শুভ্ৰম আদিত্য বৰা উপস্থিত থাকে। ইফিনে, সংবাদ মাধ্যমৰ আগত উপায়ুক্ত বৰ্ণালী ডেকাই আজিৰে পৰা বিনামূলীয়া বুষ্টাৰ ড'জ সকলো লোককে ল'বলৈ আহ্বান জনায়। ইতিমধ্যে জিলাখনত বুষ্টাৰ ড'জৰ তৃতীয় পালি ক'ভিড প্ৰতিষেধক ক্ৰমান্বয়ে গতি কৰা বুলি জানিবলৈ দিয়ে । জিলাখনত প্ৰথম পালি ক'ভিড ভেকচিন এশ দুই শতাংশ আৰু দ্বিতীয় পালি প্ৰতিষেধক ৮১ শতাংশ লোকক প্ৰদান কৰা তথ্য সদৰী কৰে জিলা উপায়ুক্তই ।

আকাশবাণী গুৱাহাটীৰ প্ৰতাপ বৰদলৈ সোঁৱৰণী বাতৰি পঢ়া প্ৰতিযোগিতা

গুৱাহাটী, ১৫ জুলাই ঃ আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে এন টিপিচি বঙাইগাঁৱৰ সহযোগত প্ৰতাপ বৰদলৈ সোঁৱৰণী বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰিছে। দেশৰ আজাদী কা অমৃত মহোৎসৱ আৰু আকাশবাণী গুৱাহাটীৰ বছৰজোৰা মহাৰজত জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখন অসমীয়া মাধ্যমত, তিনিটা শাখাত আয়োজন কৰা হৈছে 'ক' শাখা পঞ্চমৰ পৰা অষ্টমমানলৈ 'খ' শাখা নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ আৰু 'গ' শাখা সকলোৰে বাবে মুকলি। ইচ্ছুক প্ৰতিযোগীয়ে নিজৰ নামৰ, ঠিকনা, বৃত্তি আৰু ম'বাইল নম্বৰ উল্লেখ কৰি যিকোনো এটা বাতৰি পঢ়াৰ এক মিনিটৰ অডিঅ' হোৱাটছ এপ নম্বৰ ৮৩৯৯০০৯৬৮৯ (ক শাখা), ৯৭১৬৬৮০৯৬৯ (খ শাখা) আৰু ৭০৮৬১৫৮৫৯০ (গ শাখা) লৈ ৩১ জুলাইৰ ভিতৰত পঠিয়াব লাগিব। পৰৱৰ্তী সময়ত আকাশবাণী গুৱাহাটীৰ চৌহদত আয়োজন কৰিবলগীয়া এটা বিশেষ অনুষ্ঠানত শাখাৰ চাৰিগৰাকীকৈ শ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কৃত কৰা হ'ব।

ওদালগুৰিত মাদক দ্ৰব্য বিৰোধী অভিযান

অগ্ৰদূত বাৰ্তা

টংলা, ১৫ জুলাই ঃ কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় বিচাৰ আৰু ক্ষমতায়ন মন্ত্ৰণালয়ৰ দ্বাৰা পৰিচালিত মাদক দ্ৰব্য বিৰোধী এক অভিযান হৈছে নিচামুক্ত ভাৰত অভিযান। এক সুস্থ সুন্দৰ আৰু সুশৃংখল সমাজ গঠনত এই নিচামুক্ত ভাৰত অভিযানে মুখ্য ভূমিকা পালন কৰিছে। মাদক দ্ৰব্যৰ কু-প্ৰভাৱ সম্পৰ্কে যুৱ সমাজক সচেতন কৰাৰ লগতে সু-স্বাস্থ্যৰ অধিকাৰী কৰি গঢ়ি তোলাত অনুপ্ৰাণিত কৰাৰ উদ্দেশ্য আজি ওদালগুৰি জিলা সমাজ কল্যাণ বিভাগ আৰু প্ৰশাসনৰ উদ্যোগৰ লগতে ৰ'জ এনজিঅ' আৰু ওদালগুৰি জিলা চাইল্ড লাইনৰ সহযোগত মাদক দ্ৰব্য বিৰোধী জিলাখনৰ ৰৌতা মাজবাট, টংলা, পানেৰী, হৰিশিঙা, ওদালগুৰি, ভেৰগাঁও, খৈৰাবাৰী আদি বিভিন্ন অঞ্চলৰ ঠায়ে ঠায়ে লিফলেট বিতৰণ আৰু মাইকেৰে ঘোষণা কৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰে।

খহনীয়াত ভূমিহীন হোৱা সৃজনগ্ৰামৰ ১৫ টা পৰিয়াল

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ১৫ জুলাই ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত হুৱামাৰা অঞ্চলত বিগত বৰ্ষত আইনৈৰ খহনীয়াত ভূমিহীন হৈ পৰা ১৫ টা পৰিয়ালক উত্তৰ শালমাৰা মহকুমা প্ৰশাসনে সংস্থাপনৰ ব্যৱস্থা কৰিছে। মহকুমা তথ্য আৰু জনসংযোগ বিভাগৰ এক বিবৃতিত উল্লেখ কৰা মতে, বিগত বৰ্ষৰ ১৪ আগষ্টত ৰাজহ চক্ৰটোৰ অন্তৰ্গত হুৱামাৰা প্ৰথম খণ্ডৰ লালমাটিত আইনৈয়ে সৃষ্টি কৰা বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰি ১৫ টা পৰিয়ালৰ ভেটি মাটি উছন হৈছিল। এই দুৰ্ভগীয়া পৰিয়ালকেইটাক মহকুমা ভূমি উপদেষ্টা সমিতিয়ে যোৱা ছয় এপ্ৰিলৰ বিশেষ সভাযোগে সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অধীনৰ দেওহাটী দ্বিতীয় খণ্ডত ভূমি আইন ২০১৯ অনুসৰি প্ৰতিটো পৰিয়ালক এক কঠা পাঁচ লেচাকৈ ভূমি আবণ্টন দি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰে।

টিহুৰত কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন

অগ্ৰদূত বাৰ্তা

টিহু, ১৫ জুলাই ঃ টিহুৰ আগশাৰীৰ কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠান চিইচিত কালি ২০২২ৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন কৰা হয়। এই উপলক্ষে চিইচি টিহুৰ প্ৰেক্ষাগৃহত টিহু চিইচিৰ সঞ্চালক পংকজ পাঠকে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা আৰু বজালী মহাবিদ্যালয়ৰ মাছ কমিউনিকেচনৰ ছাত্ৰী দীপিকা মণ্ডলে আঁতধৰা সভাত টিহু শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ আচাৰ্য নিৰঞ্জন কলিতা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছনৰ সম্পাদক কুমুদ বৰ্মন, ইলোৰা বিজ্ঞান মঞ্চ টিহুৰ কাৰ্যকৰী সভাপতি অজিত কুমাৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত টিহু চিইচিত প্ৰশিক্ষণৰ টিহু-বজালী অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীক মানপত্ৰ আদিৰে অভিনন্দন জ্ঞাপন কৰা হয়।

স্বামী গৃহত অকথ্য অত্যাচাৰৰ অভিযোগ ঃ এহাজাৰ দাখিল ভুক্তভোগী মহিলাৰ

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ নিজ স্বামী আৰু পৰিয়ালৰ লোকৰ বিৰুদ্ধে অকথ্য নিৰ্যাতনৰ অভিযোগ তুলি স্বামী পৰিয়ালৰ লোকৰ বিৰুদ্ধে আজি কামপুৰ থানাত এজাহাৰ দাখিল কৰে এগৰাকী বোৱাৰীয়ে। ভুক্তভোগী মহিলাগৰাকীয়ে উত্থাপন কৰা অভিযোগ অনুসৰি, কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত খাগৰি জাৰণী গাঁৱৰ ছফিকুল ইছলাম নামৰ লোকজনে বহু দিনৰ পৰা শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰি আহিছিল তেওঁ পত্নীক। আনকি ইছলামৰ পৰিয়ালৰ লোকেও তেওঁক অত্যাচাৰ কৰি আহিছিল বুলি বোৱাৰীগৰাকীয়ে অভিযোগ উত্থাপিত কৰে। ইফালে, যোৱা দুদিন ধৰি ৰোৱাৰীগৰাকীক পৰিয়ালৰ লোক আৰু স্বামীৰ অত্যাচাৰত গুৰুতৰ জখম হোৱাত কামপুৰ চিকিৎসালয়ত চিকিৎসাধীন হ'ব লগা হয়। আনহাতে, আজি বোৱাৰীগৰাকীৰ পৰিয়ালে এই সংক্ৰান্তত স্বামী ছবিকুল ইছলামৰ লগতে দিন ইছলাম, ছাইদুল ইছলাম, হুছেইন আলী, জেছমিনা খাতুন নামৰ পৰিয়ালৰ লোকৰ বিৰুদ্ধে কামপুৰ থানাত এজাহাৰ দাখিল কৰে।

আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ট্ৰাম্পৰ প্ৰথম পত্নী ইভানাৰ মৃত্যু

নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৫ জুলাই ঃ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ প্ৰথম পত্নী ইভানা ট্ৰাম্পৰ মৃত্যু হ'ল। ৭৩ বছৰ বয়সত শেষনিশ্বাস ত্যাগ কৰিলে ইভানাই। ট্ৰাম্পে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি নিউ য়ৰ্কৰ নিজা বাসগৃহত মৃত্যু হ'ল ইভানাৰ। ৭৬ বছৰীয়া ট্ৰাম্পে আজি 'ট্ৰুথ ছ'চিয়েল'ত প্ৰয়াত পত্নীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি এইদৰে কয়, 'তেওঁ এগৰাকী চমৎকাৰ, সুন্দৰ আৰু অসাধাৰণ মহিলা আছিল। তেওঁ এক দুৰ্দান্ত আৰু অনুপ্ৰেৰণামূলক জীৱন যাপন কৰিছিল।' উল্লেখ্য যে ১৯৭৭ বৰ্ষত ট্ৰাম্পে ইভানাক পত্নীবৰণ কৰিছিল। ৯০ দশকৰ আৰম্ভণিতে ইভানাৰ স'তে ট্ৰাম্পৰ বিবাহ বিচ্ছেদ হৈছিল।

দেশৰ শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ তালিকাত শীৰ্ষত আই আই এছ চি, দ্বিতীয় স্থানত জে এন ইউ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ ভাৰতৰ শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ তালিকা প্ৰকাশ কৰিলে এন আই আৰ এফে। এই তালিকাত দেশৰ ভিতৰতে শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰিলে বাংগালুৰুৰ ইণ্ডিয়ান ইনষ্টিটিউট অব্ ছায়েন্স (আই আই এছ চি)-এ। দেশৰ শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ তালিকাত দ্বিতীয় স্থান লাভ কৰিছে দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় (জে এন ইউ)এ। একেদৰে জামিয়া মিলিয়া ইছলামীয়াই তৃতীয়, যাদৱপুৰ বিশ্ববিদ্যালয়ে চতুৰ্থ, অমৃতা বিশ্বপীঠে পঞ্চম, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ে ষষ্ঠ, মণিপাল একাডেমীয়ে সপ্তম, কলকাতা বিশ্ববিদ্যালয়ে অষ্টম, ভেলুৰ ইনষ্টিটিউট অব্ টেকনল'জিয়ে নৱম আৰু হায়দৰাবাদ বিশ্ববিদ্যালয়ে দশম স্থান লাভ কৰিছে। দেশৰ আই আই টিসমূহৰ ভিতৰত শ্ৰেষ্ঠত্বৰ শীৰ্ষত আছে মাদ্ৰাছ আই আই টি। একেদৰে আই আই এমৰ শীৰ্ষস্থানত আছে আই আই এম, আহমেদাবাদ। দেশৰ শ্ৰেষ্ঠ কলেজৰ তালিকাত প্ৰথম স্থান লাভ কৰিলে দিল্লীৰ মিৰাণ্ডা হাউছে।

২৪ ঘণ্টাত দেশত ক'ভিড আক্ৰান্ত হ'ল ২০,০৩৮ জন লোক, মৃত্যু ৪৭ জনৰ

নিউজ ব্যুৰ',নতুন দিল্লী, ১৫ জুলাই ঃ ভাৰতত ক'ভিডকেন্দ্ৰিক উদ্বেগ অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত মুঠ ২০,০৩৮ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানে ভাৰতত এক লাখ ৩৯ হেজাৰ ৭৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে। দেশত শেহতীয়াভাৱে ক'ভিডত মৃত্যুও বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত ৪৭ জন লোকে প্ৰাণ হেৰুৱালে। বৰ্তমানলৈকে ভাৰতত পাঁচ লাখ ২৫ হেজাৰ ৬০৪ জন লোকৰ ক'ভিডত মৃত্যু হ'ল।

দিল্লীৰ আলিপুৰত দেৱাল বাগৰি পাঁচজন লোকৰ মৃত্যু

নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ দিল্লীত আলিপুৰ অঞ্চলত আজি এটা গুদামৰ দেৱাল হঠাতে বাগৰি পৰাৰ ফলত কমেও পাঁচজন লোকৰ মৃত্যু হ'ল। দেৱালৰ ধ্বংসস্তুপৰ মাজত আন কে'বাজনো লোক আবদ্ধ থকা বুলি উদ্ধাৰকাৰীয়ে সন্দেহ কৰিছে। আৰক্ষী আৰু দুৰ্যোগ নিয়ন্ত্ৰণ বাহিনীয়ে ঘটনা সংঘটিত হোৱাৰ পাছতে অঞ্চলটোত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ঘটনাস্থলীৰ পৰা শুকুৰবাৰে বিয়লি বেলালৈকে পাঁচটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। তদুপৰি এই দুৰ্ঘটনাত আন নজন লোক গুৰুতৰভাৱে আহত হৈছে। আহতৰ দুজনৰ অৱস্থা সংকটজনক।

ফোন কৰি তামিলনাডুৰ মুখ্যমন্ত্ৰী ষ্টেলিনৰ স্বাস্থ্যৰ খবৰ ল'লে মোদীয়ে

নিউজ ব্যুৰ', চেন্নাই, ১৫ জুলাই ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনলৈ ফোন কৰি তেওঁৰ স্বাস্থ্যৰ বুজ ল'লে। বৃহস্পতিবাৰে ষ্টেলিনক ক'ভিড সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত চেন্নাইৰ কাবেৰী হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। দুদিন পূৰ্বে তামিলনাডুৰ মুখ্যমন্ত্ৰীৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল। তামিলনাডুৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে আজি প্ৰকাশ কৰা অনুসৰি স্বাস্থ্যৰ খবৰ লোৱাৰ বাবে ষ্টেলিনে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনায় আৰু তেওঁ সুস্থ হ'বলৈ ধৰা বুলি অৱগত কৰে। চিকিৎসকে ষ্টেলিনক কিছুদিন জিৰণিত থকাৰ পৰামৰ্শ দিছে।



ইটালীৰ প্ৰধানমন্ত্ৰীৰ পদত্যাগ পত্ৰ, গ্ৰহণ নকৰিলে ৰাষ্ট্ৰপতিয়ে

নিউজ ব্যুৰ' মিলান, ১৫ জুলাই ঃ ইটালীৰ প্ৰধানমন্ত্ৰী মাৰিঅ' দ্ৰাঘিয়ে প্ৰেৰণ কৰা পদত্যাগপত্ৰ প্ৰত্যাখ্যান কৰিলে দেশখনৰ ৰাষ্ট্ৰপতি ছাৰ্জিঅ' মাটাৰেলাই। যোৱা নিশা দ্ৰাঘিয়ে ঘোষণা কৰি কৈছিল যে তেওঁৰ নেতৃত্বাধীন মৰ্চা চৰকাৰে আস্থা হেৰুৱাইছে আৰু সেয়েহে তেওঁ প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিব বিচাৰিছে। সেই অনুসৰি নিশাই তেওঁ ৰাষ্ট্ৰপতিলৈ নিজৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু ইয়াৰ পাছতে ৰাষ্ট্ৰপতিয়ে উক্ত পদত্যাগ পত্ৰ গ্ৰহণ কৰা নাই বুলি ঘোষণা কৰে। ৰাষ্ট্ৰপতিয়ে দ্ৰাঘিক সংসদলৈ আমন্ত্ৰণ জনাইছে। পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ছিনেটৰ আস্থাভোটত জয়লাভ কৰিছিল। কিন্তু দ্ৰাঘিৰ মৰ্চা চৰকাৰৰ সংগী ফাইভ ষ্টাৰ মুভমেণ্টে আস্থা ভোটত অংশ লোৱা নাছিল। এই কাৰণতে দ্ৰাঘিয়ে পদত্যাগৰ ইচ্ছা ব্যক্ত কৰিলে।

১.৬০ লাখ কোটি টকা কৰিব দান ঃ বিশ্বৰ আন ধনাঢ্য ব্যক্তিকো ধন দান কৰিবলৈ গেটছৰ আহ্বান

বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত নিজৰ নাম নিবিচাৰে গেটছে

নিউজ ব্যুৰ' ৱাশ্বিংটন, ১৫ জুলাই ঃ বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তি হিচাপে পৰিচিত মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক বিল গেটছে ২,০০০ কোটি ডলাৰ অৰ্থাৎ প্ৰায় ১.৬০ লাখ কোটি টকা দান কৰাৰ সিদ্ধান্ত ল'লে। এই ধনৰাশি গেটছে বিল এণ্ড মেলিণ্ডা ফাউণ্ডেচনক দান দিব। বিল এণ্ড মেলিণ্ডা ফাউণ্ডেচন পৰোপকাৰৰ বাবে কৰ্মৰত এটি বিশ্বখ্যাত স্বেচ্ছাসেৱী সংগঠন হিচাপে পৰিচিত। ফাউণ্ডেচনে কৰ'না মহামাৰী আৰু ইউক্ৰেইনৰ যুদ্ধসহ গোলকীয় প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে প্ৰতি বছৰে পৰোপকাৰ কৰ্মত ব্যয় বৃদ্ধি কৰি আহিছে। গেটছে তেওঁৰ সিদ্ধান্তৰ সন্দৰ্ভত এইদৰে কয়, 'মই মোৰ সম্পূৰ্ণ সম্পত্তি ফাউণ্ডেচনক দান কৰিব বিচাৰো। কেৱল নিজৰ লগতে পৰিয়ালৰ ব্যয়ৰ বাবে প্ৰয়োজনীয় ধনহে নিজৰ লগত ৰাখিব বিচাৰো। বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত মোৰ নাম সদায় অটুট থাকক, সেয়া মই কামনা নকৰো। আগন্তুক সময়ত এই তালিকাত মোৰ নাম অৱনমিত হ'ব। পৰিশেষত মই এই তালিকাৰ পৰা বাহিৰ হ'ম।' গেটছে লগতে কয় যে বিল এণ্ড মেলিণ্ডা গেটছ ফাউণ্ডেচনে ২০২৬ বৰ্ষলৈকে ফাউণ্ডেচনৰ বাৰ্ষিক ব্যয় ৯০০ কোটি ডলাৰ অৰ্থাৎ ৭১,৯১০ কোটি টকালৈ বৃদ্ধি কৰিব বিচাৰিছে। গেটছ আৰু তেওঁৰ প্ৰাক্তন পত্নী মেলিণ্ডাই ২০০০ বৰ্ষত এই ফাউণ্ডেচন প্ৰতিষ্ঠা কৰিছিল। যোৱা বছৰত গেটছ আৰু মেলিণ্ডাৰ বিবাহ বিচ্ছেদ হৈছিল। ব্লুমবৰ্গ বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি গেটছৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১০২.৩ বিলিয়ন ডলাৰ। বিশ্বৰ আন ধনাঢ্য ব্যক্তিকো সামাজিক কল্যাণৰ কাম-কাজত নিজৰ ধন দান কৰিবলৈ গেটছে আহ্বান জনাইছে।

ধনাঢ্য ব্যক্তিৰ তালিকাত উত্থান আদানীৰ, চতুৰ্থ স্থান কৰিলে দখল

নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ ভাৰত তথা এছিয়াৰ সবাতোকৈ ধনী ব্যক্তি হিচাপে পৰিচিত গৌতম আদানীয়ে বিদেশত নিজৰ ব্যৱসায় বৃদ্ধিত গুৰুত্ব দিছে। আদানী গ্ৰুপে ইজৰাইলৰ সবাতোকৈ বৃহৎ বন্দৰৰ অন্যতম হাইফা বন্দৰ ক্ৰয় কৰিলে। ইজৰাইল চৰকাৰ আৰু আদানীয়ে আজি এই কথা প্ৰকাশ কৰে। আদানী গোষ্ঠীয়ে ১.১৪ বিলিয়ন ডলাৰত হাইফা প'ৰ্ট ক্ৰয় কৰে। ইয়াৰ মাজতে আদানীয়ে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাতো স্থানৰ উত্থান লাভ কৰিলে। ফ'ৰ্বছৰ অৰ্বুদপতিৰ তালিকাত চতুৰ্থ স্থান লাভ কৰিলে আদানীয়ে। মাইক্ৰ'ছফটৰ প্ৰতিষ্ঠাপক বিল গেটছক স্থানচ্যুত কৰি চতুৰ্থ স্থান নিজৰ দখললৈ আনিলে আদানী গোষ্ঠীৰ মুৰব্বীয়ে। ফ'ৰ্বছৰ তথ্য অনুসৰি শুকুৰবাৰে আদানীৰ মুঠ সম্পত্তিৰ পৰিমাণ ১১৩.৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। ইফালে, ২০ বিলিয়ন ডলাৰ দান কৰাৰ ফলত বিল গেটছৰ মুঠ সম্পত্তিৰ পৰিমাণ ১০২.৩ বিলিয়ন ডলাৰলৈ হ্ৰাস পালে। আনজন ভাৰতীয় ধনাঢ্য ৰিলায়েন্সৰ মুৰব্বী মুকেশ আম্বানীয়ে এই তালিকাত ৮৭.০ বিলিয়ন ডলাৰৰ সম্পত্তিৰে দশম স্থানত আছে।

পাকিস্তানত পুনৰ ১২ পলিঅ' আক্ৰান্তক চিনাক্ত

নিউজ ব্যুৰ', ইছলামাবাদ, ১৫ জুলাই ঃ চলিত বৰ্ষত পাকিস্তানত পলিঅ' সংক্ৰমণৰ দ্বাদশটো ঘটনা পোহৰলৈ আহিল। এইবাৰ আফগানিস্তানৰ সীমান্তত থকা উত্তৰ ৱাজিৰিস্তানত শিশুৰ শৰীৰত পলিঅ'ৰ সংক্ৰমণ ধৰা পৰিল। যোৱা ১৮ জুনত অঞ্চলটোৰ বাসিন্দা এটি ২১ মহীয়া শিশুৰ শৰীৰত পলিঅ'ৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। শিশুটিৰ সোঁভৰি পক্ষাঘাতত আক্ৰান্ত হোৱাৰ পাছতে যাৱতীয় পৰীক্ষণত পলিঅ'ৰ সংক্ৰমণ ধৰা পৰে। চলিত বৰ্ষত বৰ্তমানলৈকে পাকিস্তানত ১২ টা শিশুৰ শৰীৰত পলিঅ' ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। পলিঅ'ত আক্ৰান্ত এই আটাইকেইটা শিশু খাইবাৰ পখতুনখাৱাৰ উত্তৰ ৱাজিৰিস্তান জিলাৰ বাসিন্দা। অঞ্চলটোৰ কেৱল মিৰ আলী অঞ্চলতে নটাকৈ শিশু পলিঅ'ত সংক্ৰমিত হ'ল। পাকিস্তানে ১৯৯৪ত ৰাষ্ট্ৰজোৰা পলিঅ'মুক্ত অভিযান আৰম্ভ কৰিছিল। সেই সময়ত দেশখনত বছৰি ২০ হেজাৰ লোক পলিঅ'ত আক্ৰান্ত হৈছিল। ২০০৪ বৰ্ষত পাকিস্তানত বছৰি পলিঅ' আক্ৰান্তৰ সংখ্যা ৩০ জনলৈ হ্ৰাস পাইছিল।

আগন্তুক বৰ্ষৰ পৰা সলনি হ'ব চি বি এছ ইৰ মূল্যায়ন পদ্ধতি

নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি পালন কৰি আগন্তুক বৰ্ষৰ পৰা কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (চি বি এছ ই)-এ ব'ৰ্ডৰ পৰীক্ষাৰ মূল্যায়ন প্ৰক্ৰিয়াত একাধিক পৰিৱৰ্তন সাধন কৰিব। প্ৰথমতে সকলো বিষয়ৰ ২০ শতাংশ নম্বৰ 'ইণ্টাৰনেল এছেছমেণ্ট' আধাৰিত হ'ব। এই তালিকাত সেইসমূহ বিষয়ো আছে, যিসমূহৰ বিষয়ৰ প্ৰেক্টিকেল পৰীক্ষা নাথাকে। চি বি এছ ইৰ সচিব অনুৰাগ ত্ৰিপাঠীয়ে কয়, 'বছৰৰ শেষত কেৱল তিনি ঘণ্টাৰ এক পৰীক্ষাৰে কেতিয়াও শিক্ষাৰ্থীৰ পাৰদৰ্শিতা বিচাৰ কৰিব নোৱাৰি। সেয়েহে 'ইণ্টাৰনেল এছেছমেণ্ট' তথা আভ্যন্তৰীণ মূল্যায়নো জৰুৰী। এই মূল্যায়নৰ দায়িত্ব পালনৰ ভাৰ অৰ্পণ কৰা হ'ব শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকক।' দ্বিতীয় পৰ্যায়ত প্ৰশ্ন কাকতৰ আন্তঃগাঁথনি সলনি কৰা হ'ব। ৩৩ শতাংশ অধিক প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হ'ব যাতে শিক্ষাৰ্থীয়ে বিকল্প প্ৰশ্ন অধিক লাভ কৰিব পাৰে। তৃতীয়তে প্ৰশ্নৰ ধৰণো সলনি কৰা হ'ব। শিক্ষাৰ্থীৰ কৰ্মদক্ষতা আৰু পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পৰা ধৰণৰ প্ৰশ্ন অধিক থাকিব। চতুৰ্থতে, তৃতীয়, পঞ্চম আৰু অষ্টম শ্ৰেণীত শিক্ষাৰ্থীৰ এছেছমেণ্ট ছাৰ্ভে কৰা হ'ব। পঞ্চমতে শিক্ষাৰ্থীৰ বাবে 'হ'লিষ্টিক এছেছমেণ্ট' কাৰ্ড প্ৰচলন কৰা হ'ব। চি বি এছ ইয়ে অহা বছৰৰ পৰা নিৰ্বাচিত কিছু সংখ্যক বিদ্যালয়ত পাইলট প্ৰজেক্ট হিচাপে এই সকলো সংস্কাৰ বিধি প্ৰৱৰ্তন কৰিব আৰু ২০২৪ বৰ্ষৰ পৰা ব'ৰ্ডৰ সকলোবোৰ বিদ্যালয়ত এই ব্যৱস্থা প্ৰৱৰ্তিত হ'ব।

মিষ্টাৰ হিটলাৰ, এয়া জাৰ্মানী নহয় ঃ মোদীক কটাক্ষ অভিনেতা কমলৰ

নিউজ ব্যুৰ', চেন্নাই, ১৫ জুলাই ঃ সংসদৰ বৰ্ষাকালীন অধিবেশনৰ পূৰ্বে শব্দ প্ৰয়োগৰ ক্ষেত্ৰত ফটোৱা জাৰি কৰা হ'ল সংসদত। একাধিক শব্দৰ সদনত ব্যৱহাৰ নিষিদ্ধ কৰিলে লোকসভাৰ সচিবালয়ে। 'লজ্জাজনক', 'নিৰ্যাতন', 'বিশ্বাসঘাতকতা', 'নাটক', 'দুৰ্নীতিগ্ৰস্ত', 'অযোগ্য', 'ভণ্ডামি'ৰ দৰে শব্দ ব্যৱহাৰ কৰিব নোৱাৰিব সদন। কিন্তু কিয়? কাৰণ মোদী চৰকাৰৰ সচিবালয়ৰ মতে এইসমূহ অসংসদীয় শব্দ। এই ঘটনাৰ তীব্ৰ বিৰোধিতা কৰিছে দেশৰ বিৰোধী দলসমূহে। এইবাৰ বিষয়টোৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে দক্ষিণ ভাৰতৰ জনপ্ৰিয় অভিনেতা তথা ৰাজনীতিক কমল হাছনে। অভিনেতাজনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক হিটলাৰ বুলিও কটাক্ষ কৰিলে। কমলৰ নিজা ৰাজনৈতিক দল এম এন এমৰ টুইটাৰ হেণ্ডেলত অভিনেতাজনৰ ছবি প'ষ্ট কৰি মোদীক উদ্দেশ্যি এইদৰে টুইট কৰা হৈছে, 'মিষ্টাৰ হিটলাৰ, এইখন জাৰ্মানী নহয়। আপুনি ৰাজতন্ত্ৰ ওভতাই আনিব বিচাৰিছে নেকি?'

ৰাছিয়াৰ পৰা অস্ত্ৰ ক্ৰয় কৰিলেও নিষেধাজ্ঞা আৰোপ নকৰে আমেৰিকাই, ভাৰতক বিশেষ ৰেহাই মাৰ্কিন সংসদৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ মাৰ্কিন আইনত ভাৰতক বিশেষ ৰেহাই দিলে আমেৰিকাৰ সংসদে। ৰাছিয়াৰ পৰা এছ-৪০০ ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থা ক্ৰয় কৰিছে ভাৰতে। আমেৰিকাৰ কেটছা আইন অনুসৰি, কোনো দেশে নিৰাপত্তাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অস্ত্ৰ ক্ৰয় কৰিলে সেই দেশৰ বিৰুদ্ধে আমেৰিকাই নিষেধাজ্ঞা আৰোপ কৰিব। কিন্তু সাম্প্ৰতিক পৰিস্থিতি চীনৰ আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ ভাৰতে প্ৰতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰিব লাগিব। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকাৰ সংসদে আইন সংশোধন কৰি ভাৰতক এক বিশেষ ৰেহাই দিলে। ৰাছিয়াৰ পৰা গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা অস্ত্ৰ ক্ৰয় কৰিলেও আমেৰিকাই ভাৰতৰ বিৰুদ্ধে কোনো নিষেধাজ্ঞা আৰোপ নকৰে। আমেৰিকাৰ সংসদত ভাৰতীয় মূলৰ সাংসদ ৰ' খান্নাই আইন সংশোধনৰ প্ৰস্তাৱ আনিছিল আৰু সংসদে এই প্ৰস্তাৱ গৃহীত কৰিলে। খান্নাই চীনা আগ্ৰাসনৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ভাৰতক আমেৰিকাই প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱা উচিত বুলি যুক্তি দৰ্শাই উক্ত আইন সংশোধনৰ দাবী জনাইছিল। অৱশেষত মাৰ্কিন সংসদে আইন সংশোধন কৰি এই ক্ষেত্ৰত ভাৰতক বিশেষ ৰেহাই দিলে।

জম্মু-কাশ্মীৰত সতীৰ্থলৈ গুলিবৰ্ষণ জোৱানৰ, নিহত এজন জোৱান

নিউজ ব্যুৰ', শ্ৰীনগৰ, ১৫ জুলাই ঃ জম্মু-কাশ্মীৰৰ পুঞ্চৰ ছুৰণকোটত থকা ১৫৬ প্ৰাদেশিক সেনা বেটেলিয়নত আজি পুৱাতে এজন সেনা জোৱানে সতীৰ্থক গুলিবৰ্ষণ কৰি আক্ৰমণ কৰে। সেনা জোৱানজনৰ অতৰ্কিত গুলিবৰ্ষণৰ ফলত এজন জোৱানৰ মৃত্যু হোৱাৰ লগতে আন তিনিজন গুলিবিদ্ধ হ'ল। এই ঘটনাত গুলিবৰ্ষণ কৰা জোৱানজনো আহত হয়। সেনাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰা হৈছে।

দিল্লীত চলন্ত গাড়ীত নাবালিকাক দলবদ্ধ ধৰ্ষণ, তিনি অভিযুক্তক গ্ৰেপ্তাৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ পুনৰ বৰ্বৰ দলবদ্ধ ধৰ্ষণৰ ঘটনা সংঘটিত হ'ল দিল্লীত। তিনিজন যুৱকে এগৰাকী কিশোৰীক দক্ষিণ দিল্লীৰ বসন্ত বিহাৰৰ পৰা নিজৰ গাড়ীত উঠাই উত্তৰ প্ৰদেশৰ গাজিয়াবাদলৈ নি গাড়ীৰ ভিতৰতে দলবদ্ধ ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি তিনি অভিযুক্ত কিশোৰীৰ প্ৰতিবেশী যুৱক আৰু তেওঁলোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে লগতে জনোৱা অনুসৰি যোৱা ছয় জুলাইত এগৰাকী বান্ধৱীৰ ঘৰলৈ গৈ উভতি অহাৰ সময়ত সন্ধিয়া বসন্ত বিহাৰৰ কাষত প্ৰতিবেশী দুই যুৱকৰ স'তে কিশোৰীৰ পৰিচয় হৈছিল আৰু তেওঁলোকৰ স'তে বজাৰত কিছু সময় ঘূৰা ফুৰা কৰিছিল। দুই যুৱকে তেওঁলোকৰ আন এজন বন্ধুক ফোনৰে মাতি আনে আৰু ইয়াৰ পাছতে এখন গাড়ীত উঠাই কিশোৰীক তিনি যুৱকে ফুৰাবলৈ নিছিল। সেই সময়তে যুৱকৰ দলটোৱে নিচা মিহলি শীতল পানীয় কিশোৰীক পান কৰিবলৈ দিছিল আৰু নিচাসক্ত অৱস্থাত কিশোৰীক দলবদ্ধ ধৰ্ষণ কৰে। পাছত যুৱকৰ দলটোৱে পীড়িতাক ঘৰৰ ওচৰত গাড়ীৰ পৰা নমাই থৈ গৈছিল। পীড়িতাৰ পৰিয়ালে ঘটনাৰ বিষয়ে অৱগত হোৱাত আৰক্ষীৰ দ্বাৰস্থ হৈছিল আৰু আৰক্ষীয়ে ইতিমধ্যে ২৩, ২৫ আৰু ৩৫ বছৰীয়া বয়সৰ তিনি অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে।

ধনৰ লালসাতে বয়স্ক মোদীৰে প্ৰেম সুস্মিতাৰ ঃ কিমান সত্য এই অভিযোগ



নিউজ ব্যুৰ', মুম্বাই, ১৫ জুলাই ঃ প্ৰাক্তন ব্ৰহ্মাণ্ড সুন্দৰী তথা বলিউড অভিনেত্ৰী সুস্মিতা সেন সম্প্ৰতি পলাতক ভাৰতীয় ব্যৱসায়ী ললিত মোদীৰ স'তে ৰোমাঞ্চত ব্যস্ত। চৰ্চিত বাতৰি অনুসৰি, সুস্মিতা আৰু ললিতে ইতিমধ্যে গোপনে বিবাহ সম্পন্ন কৰিছে। ৫৬ বছৰ বয়সীয়া ললিতৰ স'তে ৪৬ বছৰীয়া সুস্মিতাৰ প্ৰেম কাহিনীক লৈ সম্প্ৰতি সামাজিক মাধ্যমত ভিন্নজনে নানা মন্তব্য কৰিছে। একাংশ লোকে কটাক্ষ কৰি কৈছে যে ললিতৰ ধনৰ লোভতে সুস্মিতাই তেওঁৰ স'তে বিবাহ সম্পন্ন কৰিলে। উল্লেখ্য যে ললিতৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৪৫০০ কোটি টকা। আই পি এলৰ প্ৰাক্তন কমিছনাৰ ললিতৰ প্ৰথমা পত্নীৰ ইতিমধ্যে মৃত্যু হৈছে। বহুতে ললিতক ধনাঢ্য ব্যক্তি হিচাপে সুস্মিতাই স্বামীবৰণ কৰাৰ অভিযোগ আনিছে যদিও সুস্মিতাৰ উপাৰ্জনো কম নহয়। প্ৰকাশিত তথ্য অনুসৰি বছৰি গড়ে প্ৰায় ন কোটি টকা উপাৰ্জন কৰি আহিছে প্ৰাক্তন ব্ৰহ্মাণ্ড সুন্দৰীগৰাকীয়ে। সুস্মিতাৰ বৰ্তমানে মাহিলি আয় হৈছে প্ৰায় ৬০ লাখ টকা। তদুপৰি তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৭৪ কোটি টকা। তোলনীয়া দুই কন্যাৰ স'তে মুম্বাইৰ ভাৰছ'ভাত এক বিলাসী এপাৰ্টমেণ্টত সুস্মিতাই বাস কৰে। তদুপৰি দুখনকৈ বি এম ডব্লিউ, এখন অডি আৰু এখন লেক্সাছ ব্ৰেণ্ডৰ বিলাসী গাড়ী আছে অভিনেত্ৰীগৰাকীৰ। সুস্মিতাৰ তন্ত্ৰ এণ্টাৰটেইনমেণ্ট নামৰে নিজা ইভেণ্ট মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ব্যৱসায়ো আছে।

ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ যুঁজত দ্বিতীয় পৰ্যায়ত ১০১ ভোটৰে অগ্ৰগতি ঋষিৰ

নিউজ ব্যুৰ', লণ্ডন, ১৫ জুলাই ঃ ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ ক্ষেত্ৰত পুনৰ এখোজ অগ্ৰগতি লাভ কৰিলে বৰিছ জনছন চৰকাৰৰ প্ৰাক্তন বিত্তীয় মন্ত্ৰী ঋষি ছুনকে। ভাৰতীয় মূলৰ কনজাৰভেটিভ দলৰ এইজন নেতাই দলীয় নেতা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত লাভ কৰিলে ১০১ টা ভোট। কনজাৰভেটিভ দলৰ নেতা আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদত নিযুক্তি লাভৰ বাবে অব্যাহত থকা দলীয় নেতা নিৰ্বাচনৰ প্ৰক্ৰিয়াত বৰ্তমানলৈকে সৰ্বাধিক সংখ্যক ভোট লাভৰ জৰিয়তে ঋষিয়ে শীৰ্ষস্থানত আছে। ভাৰতীয় মূলৰ নেতাজনৰ নিকটতম প্ৰতিদ্বন্দ্বী পেনি মৰডণ্টে দ্বিতীয় পৰ্যায়ৰ ভোটত লাভ কৰিলে ৮৩ ভোট। মৰডণ্টে জনছন চৰকাৰত সহ বাণিজ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ যুঁজত তৃতীয় স্থানত থকা ব্ৰিটেইনৰ বৰ্তমানৰ বৈদেশিক মন্ত্ৰী লিজ ট্ৰাছে দ্বিতীয় পৰ্যায়ৰ ভোটত লাভ কৰিলে ৬৪ ভোট। আন এগৰাকী ভাৰতীয় মূলৰ ব্ৰিটেইনৰ এটৰ্নী জেনেৰেল ছুৱেলা ব্ৰেভাৰমেনে দ্বিতীয় পৰ্যায়ৰ ভোটত ২৭ টা ভোট লাভ কৰাত প্ৰধানমন্ত্ৰী পদৰ দৌৰৰ পৰা বাহিৰ হ'ল। আনহাতে, জনছন চৰকাৰত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কেমী বেডন'ছে লাভ কৰিলে ৪৯ টা ভোট। দলীয় নিৰ্বাচনী প্ৰক্ৰিয়াত ঋষিৰ আধিপত্য বিস্তাৰৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটেইনৰ ৰাজনৈতিক বিশেষজ্ঞই কনজাৰভেটিভ দলৰ নেতৃত্ব আৰু ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী পদ এইজন ভাৰতীয় মূলৰ নেতাই লাভ কৰিব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰিছে। যদিহে ঋষি এই ক্ষেত্ৰত সফল হয় তেন্তে তেৱেঁ হ'ব ব্ৰিটেইনৰ প্ৰথম অশ্বেতাংগ প্ৰধানমন্ত্ৰী। উল্লেখ্য যে ভাৰতীয় মূলৰ ঋষি হৈছে ইনফ'ছিছৰ সহপ্ৰতিষ্ঠাপক নাৰায়ণ মূৰ্তিৰ জোঁৱাই।

শিশুৱে পুৱা সাত বজাত বিদ্যালয়লৈ যায়, আদালত কিয় ন বজাত খুলিব নোৱাৰি, প্ৰশ্ন ন্যায়াধীশৰ



নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুলাই ঃ শিশুসকলে পুৱা সাত বজাত বিদ্যালয়ত উপস্থিত হ'ব পাৰে যদি ন্যায়াধীশ আৰু অধিবক্তাই কিয় নটাৰ ভিতৰত আদালতত উপস্থিত হ'ব নোৱাৰিব? আজি আদালতৰ কাম-কাজ আৰম্ভ কৰাৰ সময়তে এটা গোচৰৰ শুনানি গ্ৰহণ কৰি এই মন্তব্য প্ৰকাশ কৰিলে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উদয় ইউ ললিতে। সাধাৰণতে উচ্চতম ন্যায়ালয়ৰ কাম ১০-৩০ বজাত আৰম্ভ আৰু বিয়লি চাৰি বজাত সমাপ্ত হয়। ইয়াৰ মাজতে দুপৰীয়া এক বজাৰ পৰা এঘণ্টা মধ্যাহ্ন বিৰতি থাকে। বৃহস্পতিবাৰে এটা গোচৰৰ শুনানিৰ বাবে পুৱা ৯-৩০ বজাত আদালতত উপস্থিত হৈছিল ন্যায়াধীশ ললিত। সেই সময়তে গোচৰৰ অধিবক্তা প্ৰাক্তন এটৰ্নী জেনেৰেল মুকুল ৰোহটগীয়ে গোচৰৰ শুনানি তৎকালীনভাৱে আৰম্ভ হোৱাত মন্তব্য কৰি কয়, 'মই ভাবো পুৱা ৯-৩০ বজাত আদালতৰ কাম আৰম্ভ কৰা উচিত সময়।' লগে লগে সহমত প্ৰকাশ কৰি ন্যায়াধীশ ললিতে কয়, 'আমি ৯-৩০ বজাত কাম আৰম্ভ কৰা উচিত। মই সদায় কওঁ, আমাৰ শিশুসকলে পুৱা সাত বজাত বিদ্যালয়লৈ যাব পাৰে, আমি কিয় পুৱা ন বজাৰ পৰা কাম কৰিব নোৱাৰো?'

কলাইগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ পশু স্বাস্থ্য শিবিৰ

অগ্ৰদূত বাৰ্তা

কলাইগাঁও, ১৫ জুলাই ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ওদালগুৰি জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত বানপীড়িত অঞ্চলসমূহত পশু চিকিৎসা শিবিৰ স্থাপন কৰা হয়। সেই অনুসৰি, ওদালগুৰি জিলাৰ কলাইগাঁও ৰাজহ চক্ৰৰ ৰূপাতল আৰু গণকপাৰা গাঁৱত দুদিনীয়াকৈ দুটা বীনামূলীয়া সজাগতা সভা আৰু পশুধনৰ চিকিৎসা শিবিৰৰ অনুষ্ঠিত কৰা হয়। উক্ত স্বাস্থ্য শিবিৰত উপস্থিত থাকে কলাইগাঁৱৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ পশু চিকিৎসক ডাঃ প্ৰফুল্ল কোঁৱৰ প্ৰমুখ্যে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কৰ্মচাৰীসকল আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, ওদালগুৰিৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° দেৱাৰ্শীষ বড়া, পশু বিশেষজ্ঞ ডাঃ প্ৰদীপ ৰাজবংশী আৰু ডাঃ প্ৰসন্ন চন্দ্ৰ ডেকা। এই কাৰ্যসূচীত বানপানীৰ ফলত হ'ব পৰা বেমাৰ-আজাৰ আৰু তাৰ চিকিৎসাৰ বিষয়ে পশুপালকসকলক অৱগত কৰা হয়। অনুষ্ঠানটোত সৰ্বমুঠ ২১০০ টাতকৈ অধিক পশুধনৰ চিকিৎসা লগতে বীনামূলীয়াকৈ কৃষক ৰাইজৰ সুবিধাৰ্থে ভিটামিন, মিনাৰেল মিক্সাৰ, পেলুৰ দৰব আৰু বিভিন্ন ধৰণৰ ঔষধো বিতৰণ কৰাৰ লগতে ৰাজ্যিক পশুপালন আৰু পশু চিকিৎসা বিভাগ, ওদালগুৰিৰ ফালৰ পৰা গৰু-ছাগলীৰ চবকা, গাহৰিৰ জ্বৰৰ টিকাকৰণ কৰা হয়।

দিলীপ কুমাৰ শৰ্মা সোঁৱৰণী ন্যাসৰ সদৌ অসম ভিত্তিত পূৰ্ণাংগ নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতা

বিশেষ সংবাদদাদা

বৰপেটা ১৫ জুলাই ঃ বৰপেটা সাহিত্য সভাৰ দিলীপ কুমাৰ শৰ্মা সোঁৱৰণী ন্যাসে এইবাৰ সদৌ অসম ভিত্তিত পূৰ্ণাংগ নাট সাহিত্যক আধাৰ হিচাপে লৈ তৃতীয় সংখ্যক পাণ্ডুলিপি প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত পূৰ্ণাংগ নাটকৰ পাণ্ডুলিপিটো বৰপেটা সাহিত্য সভাৰ প্ৰকাশনৰূপে প্ৰকাশ কৰি অহা ১২ আগষ্টত দিলীপ কুমাৰ শৰ্মাৰ স্মৃতি দিৱসৰ দিনা লেখকজনৰ দ্বাৰা উন্মোচন কৰা হ'ব। সেইদিনাখনে মানপত্ৰ আৰু স্মাৰকৰ উপৰি নাট্য গ্ৰন্থখনি লেখকক বঁটা হিচাপে প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাখনি সকলো লেখকৰ বাবে মুকলি থাকিব। প্ৰতিযোগিতাখনত যোগদান কৰিব বিচৰা লেখকসকলক নাটকৰ পাণ্ডুলিপি এক-আঠ ডিমাই কিতাপৰ আকাৰত ৰামধেনু আখৰত ডিটিপি কৰি তলত উল্লেখ কৰা ই-মেইলত পঠোৱাৰ উপৰি তিনিটা পাণ্ডুলিপি চলিত মাহৰ ২০ তাৰিখৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত পঠাবলৈ অনুৰোধ কৰিছে। যোগাযোগৰ ঠিকনা ড° ৰাতুল পাঠক (৯১০১১৭১১৮৬) সচিব, দিলীপ কুমাৰ শৰ্মা সোঁৱৰণী ন্যাস, বৰপেটা সাহিত্য সভা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা পথ, বৰপেটা (অসম)-৭৮১৩০১। ই-মেইলঃratulpathaksun@gmail.com কুন্তল কলিতা (৯৮৬৪৩৯৪৯৪৯) সহকাৰী সম্পাদক, বৰপেটা সাহিত্য সভা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা পথ, বৰপেটা (অসম)-৭৮১৩০১। ই-মেইলঃ kuntalkalita@rediffmail.com।

সিধাবাৰীত আমছুৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৫ জুলাই ঃ গোৱালপাৰা জিলাৰ সিধাবাৰী আঞ্চলিক আমছুৰ উদ্যোগত কালি অঞ্চলটোৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে সিধাবাৰী বজাৰ মাৰ্কেটচেড প্ৰাংগণত অনুষ্ঠিত সভাত পৌৰোহিত্য কৰে সিধাবাৰী আঞ্চলিক আমছুৰ সভাপতি মহিবুল আলমে। আঞ্চলিক আমছুৰ সাধাৰণ সম্পাদক হাৰেজ আলীয়ে উদ্দেশ্য ব্যাখ্যা আৰু সম্বৰ্ধনা পৰ্ব পৰিচালনা কৰা সভাত জিলা আমছুৰ সভাপতি আনিমূল হক চৌধুৰী, মাটিয়া উন্নয়ন খণ্ডৰ বিষয়া ৰবেন চন্দ্ৰ বৰ্মন, শিক্ষক মোস্তাফা চাহাবুদ্দিন আহমেদ আৰু সাংস্কৃতিক কৰ্মী নৰৰাম পাঠকে শৈক্ষিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। ইয়াৰে জিলা আমছুৰ সভাপতি চৌধুৰীয়ে ভাষণ প্ৰসংগত কয় যে সম্প্ৰতি ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিগত খণ্ডৰ শিক্ষা খণ্ডলৈ ধাবিত হোৱা দেখা গৈছে। সেয়ে চৰকাৰী খণ্ডৰ বিদ্যালয়ত গুণগত শিক্ষাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে আমছুৰ সভাপতিজনে। ইপিনে, সভাত ২০২১-২২ত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ ২৭গৰাকীকৈ কৃতী ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচা, অভিনন্দন পত্ৰ, কিতাপ আৰু কলমৰ লগতে গছ পুলিৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে সিধাবাৰী আঞ্চলিক আমছুয়ে প্ৰতি বছৰে স্থানীয় কৃতী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনাই আহিছে।

কোকৰাঝাৰ ইউ এন একাডেমীৰ 'ষ্টুডেন্ট মীট'ৰ সামৰণি

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৫ জুলাই ঃ কোকৰাঝাৰ চহৰৰ ঐতিহ্যমণ্ডিত ইউএন একাডেমী শিক্ষানুষ্ঠানত যোৱা ১৩ জুলাইৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা দ্বিতীয় সংখ্যক 'ষ্টুডেন্ট মীট'ৰ আজি সফল সামৰণি পৰে। উল্লেখ্য যে অসমৰ বিভিন্ন প্ৰান্তৰ ১১ খন জিলাৰ ৪৫ খনকৈ ইউএন একাডেমী শিক্ষানুষ্ঠানৰ প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত অনুষ্ঠানত আগভাগ লয়।

ৰাজ্যৰ ১১ খন জিলাৰ ৪৫ খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

ইয়াৰে প্ৰথম দিনাৰ পৰা উদুলি-মুদুলি পৰিৱেশত আৰম্ভ হোৱা ষ্টুডেন্ট মীটত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মত বিনিময়, নৃত্য গীত, কুইজ, খেল-ধেমালি আৰু আলোচনাচক্ৰৰে গ্ৰীষ্ম বন্ধতো ইউএন একাডেমী, কোকৰাঝাৰত ৰাজ্যৰ ধেমাজি, কাৰ্বি আংলংকে ধৰি বিভিন্ন প্ৰান্তৰ পৰা উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক মিলনতীৰ্থ পৰিণত কৰি তোলে। ইপিনে, আজি ষ্টুডেন্ট মীটৰ সামৰণি উপলক্ষে ইউএন একাডেমী, কোকৰাঝাৰৰ চৌহদত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম মুখ্য অতিথিৰূপে উপস্থিত থাকি বড়ো মাধ্যমৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে শীৰ্ষস্থানত উত্তীৰ্ণ হোৱা খৈৰাবাৰীৰ দীপক বড়ো আৰু কুমাৰীকাটাৰ মনদ্বীপ বড়োক বিপুল সম্বৰ্ধনা জনোৱাৰ লগতে ইউএন একাডেমীৰ পৰা কৃতিত্ব অৰ্জা ছাত্ৰদ্বয়ক আগবঢ়োৱা ১৫ হেজাৰ টকাৰ চেক এখনো অৰ্পণ কৰে। অনুষ্ঠানত মন্ত্ৰীজনে শিক্ষাৰ্থী দুজনৰ শৈক্ষিক জীৱনৰ উজ্জ্বল কামনা কৰি সহায় সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। আজিৰ অনুষ্ঠানত ইউএন একাডেমী, কোকৰাঝাৰৰ সঞ্চালক কৃষ্ণ গোপাল বসুমতাৰী আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° সুবং বসুমতাৰী আৰু এবছুৰ শিক্ষা সচিব সৌমাছাৰ বসুমতাৰী উপস্থিত থাকে।

লাওখোৱা অভয়াৰণ্যৰ সুঁতিৰপাৰত অবৈধভাৱে নিৰ্মাণ কৰিছে ভেটা

অগ্ৰদূত বাৰ্তা

ৰূপহীহাট, ১৫ জুলাই ঃ নগাঁও জিলাৰ বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত লাওখোৱা অভয়াৰণ্যৰ এটি সুঁতিত চৰকাৰীভাৱে এটি ভেটা নিৰ্মাণ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। এই ভেটাই এতিয়া বিতৰ্কৰ মাজলৈ টানি আনিছে বন্যপ্ৰাণী বিভাগক। নগাঁও বন্যপ্ৰাণী বিভাগৰ অন্তৰ্গত গড়াজান বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত সুঁতিৰপাৰৰ তালতলাত বন্যপ্ৰাণী বিভাগৰ নিৰ্দেশ মৰ্মে নিৰ্মাণ কৰি থকা হৈছে এটা ভেটা। ইয়াকে লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে স্থানীয় একাংশ ৰাইজে। তেওঁলোকৰ ভাষ্য মতে অঞ্চলটোৰ একাংশ ব্যৱসায়ীৰ স'তে গোপন মিতিৰালিত বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে অবৈধভাৱে মাছ মাৰিবলৈ এই ভেটা নিৰ্মাণ কৰিছে। যোৱা বছৰো এনেদৰে লাখ লাখ টকাৰ মাছ অবৈধভাৱে বিক্ৰী কৰাৰো অভিযোগ উত্থাপন কৰিছে লোকসকলে। আনহাতে, বন্যপ্ৰাণী বিভাগৰ এক সূত্ৰ মতে অভয়াৰণ্যখনৰ ৰৌমাৰি, ছাতামাৰি, খলিহামাৰি, কাটাখাল আদি জলাশয়সমূহৰ পৰা মাছ ওলাই নাযাবলৈ এই ভেটা নিৰ্মাণ কৰা হৈছে। এতিয়া প্ৰশ্ন হয়, বন বিভাগে কেৱল এটা সাধাৰণ ভেটাৰে ইমান বিশাল অভয়াৰণ্যখনৰ মাছ বাহিৰলৈ ওলোৱাত বাধা দিব পাৰিবনে? নে সঁচাকৈয়ে একাংশ বন বিষয়াই অবৈধভাৱে এই ভেটা নিৰ্মাণ কৰিছে? এই ভেটা নিৰ্মাণ কৰাৰ পৰিপ্ৰেক্ষিতত ১৯৭২ৰ বন্যপ্ৰাণী আইনখন ভূলুণ্ঠিত হৈছে নেকি এই লৈ প্ৰশ্ন উঠিছে সচেতন মহলৰ মাজত। উল্লেখ্য যে সুঁতিৰপাৰৰ বীট অফিচাৰজনে বিগত দিনত এচাম চোৰাং মাছমৰীয়াৰ স'তে হলিগলিত লিপ্ত হোৱাৰ বাবে অভয়াৰণ্যখনৰ বহু বিল খালত মুকলিকৈ মাছ ধৰাৰ এক বেহা চলাৰ অভিযোগ উঠিছিল। বন্যপ্ৰাণী বিভাগে এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ দাবী উঠিছে ৰাইজৰ মাজত।

বিহামপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত বিশেষ ডায়েৰীয়া নিয়ন্ত্ৰণ পষেক

তৃতীয় পালি প্ৰতিষেধকৰ আৰম্ভণি

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৫ জুলাই ঃ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসম তথা নলবাৰী জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি বিশেষ ডায়েৰীয়া নিয়ন্ত্ৰণ পষেক আৰু প্ৰাপ্তবয়স্ক লোকক বিনামূলীয়া ক'ভিড প্ৰতিষেধক প্ৰদানৰ বাবে ক'ভিড-১৯ টিকাকৰণ অমৃত মহোৎসৱৰ শীৰ্ষক কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। বিহামপুৰস্থিত শ্ৰীশ্ৰী বাৰোৱাৰী দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত জিলা উপায়ুক্ত গীতিমণি ফুকন, অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) ফিৰদৌচ আলম শ্বেইখ, পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচু, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া (পৰিয়াল পৰিকল্পনা) ডাঃ নলিনীকান্ত বৰ্মন, মহকুমা চিকিৎসা আৰু সেৱা বিষয়া সমন্বিতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে পাঁচ বছৰৰ তলৰ শিশুক ডায়েৰীয়াৰ পৰা মুক্ত কৰি তোলাৰ লক্ষ্য আগত ৰাখি বিশেষ ডায়েৰীয়া নিয়ন্ত্ৰণ পষেকৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত উপায়ুক্ত গীতিমণি ফুকনে কয় যে এজন শিশুক আমি স্বাস্থ্য সম্পন্ন তথা সুৰক্ষিত ভৱিষ্যৎ প্ৰদানৰ বাবে কৰা চেষ্টা সদায় অমূল্য আৰু অতুলনীয়। পৰিৱেশ আৰু পৰিশীলিত জীৱনবোধৰ ধাৰণাইহে প্ৰকৃতাৰ্থত মানৱ সমাজক স্বাস্থ্যৱান কৰি তুলিব। ক'ভিড প্ৰতিষেধক সম্পৰ্কত তেওঁ কয় যে সজাগতাৰ জৰিয়তে আমি জনগণক সুৰক্ষিত কৰিবলৈ চেষ্টা কৰাৰ লগতে প্ৰতিষেধকৰ গুৰুত্ব সকলোৰে উপলব্ধি কৰিব লাগিব। ক'ভিড প্ৰতিষেধক প্ৰদান সুনিশ্চিত কৰাৰ ক্ষেত্ৰত আশাৰ ভূমিকা সম্পৰ্কে অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) অলম শ্বেইখে উল্লেখ কৰে। ডায়েৰীয়া নিৰ্মূল কৰিব নোৱাৰিলে আমি শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাটো সম্ভৱ নহয় বুলি তেওঁ উল্লেখ কৰে। জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচুৱে ১৫-২৯ জুলাইলৈকে চলিব লগা এই বিশেষ ডায়েৰীয়া নিয়ন্ত্ৰণ পষেকে ডায়েৰীয়াৰ ওপৰত জনসচেতনতা বৃদ্ধিৰ লগতে অ'আৰএছ আৰু জিংক সকলো অঞ্চলতে সহজলভ্য হোৱাৰ ক্ষেত্ৰত সহায় কৰিব বুলি উল্লেখ কৰে। অনুষ্ঠানত উপায়ুক্তই এগৰাকী শিশুক অ'আৰএছ খুৱাই বিশেষ ডায়েৰীয়া নিয়ন্ত্ৰণ পষেকৰ আৰম্ভণি কৰে। তদুপৰি এজন প্ৰাপ্তবয়স্ক ব্যক্তিক তৃতীয় পালি প্ৰতিষেধক প্ৰদানৰ জৰিয়তে ক'ভিড-১৯ টিকাকৰণ অমৃত মহোৎসৱৰো আৰম্ভণি কৰা হয়।

শোণিতপুৰত ক'ভিড বুষ্টাৰ টিকা প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১৫ জুলাই ঃ দেশৰ স্বাধীনতাৰ অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে আজিৰ পৰা ৭৫ দিনৰ ভিতৰত ১৮-৫৯ বছৰ বয়সৰ লোকক ক'ভিড-১৯ৰ তৃতীয়টো অৰ্থাৎ বুষ্টাৰ টিকা প্ৰদানৰ সূচী আজি শোণিতপুৰতো আৰম্ভ কৰিছে। আজি পুৱা তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ পি পি চিত শোণিতপুৰ জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ বিমান শৰ্মাৰ উপস্থিতিত এই টিকা নিৰ্ধাৰিত বয়সৰ হিতাধিকাৰীক প্ৰদানৰ ব্যৱস্থা আৰম্ভ কৰা হয়। জিলা স্বাস্থ্য বিভাগে আজি ক'ভিড-১৯ টিকাকৰণ অমৃত মহোৎসৱৰ অধীনত শোণিতপুৰ ১০৪ টা ক'ভিড-১৯ টিকাকৰন কেন্দ্ৰত এই বুষ্টাৰ টিকা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখ্য যে এই অভিযানৰ অধীনত ৭৫ দিনত শোণিতপুৰত ১৮ বছৰৰ পৰা ৫৯ বছৰ অনুৰ্দ্ধৰ ৪,৪৯,৩৪২ গৰাকী লোকক কভিছিল্ড আৰু ১,৫৮,৯৭২ গৰাকী লোকক কভাক্সিনৰ বুষ্টাৰ পালি প্ৰদান কৰা হ'ব।

কচুৱাত শিশুৰ সলিল সমাধি

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ নগাঁও জিলাৰ কচুৱাৰ সাতলুংগাত আজি এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। প্ৰাপ্ত বাতৰি মতে, আঢ়ৈ বছৰীয়া এটি শিশু পানীত পৰি সলিল সমাধি ঘটে। মৃত শিশুটোৰ নাম আৰিয়ান আহমেদ। উল্লেখ্য যে এটা দ' খাৱৈত পৰি শিশুটোৰ মৃত্যু হয়। উদ্ধাৰ হোৱাৰ পাছতেই পৰিয়ালে শিশুটোক কচুৱা মডেল চিকিৎসালয়ত নিয়ে যদিও কৰ্তৃপক্ষই মৃত বুলি ঘোষণা কৰে। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলায়।

দৰং জিলা সাহিত্য সভাৰ বৰ্ষজোৰা সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি

বিশেষ সংবাদদাতা

মঙলদৈ, ১৫ জুলাই ঃ ১৯৭৩ত গঠন হোৱা দৰং জিলা সাহিত্য সভাই অহা ২১ জুলাইত ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠান উদ্‌যাপন কৰিব। এই উদ্দেশ্যে অলপতে দৰং জিলা সাহিত্য সভাৰ উপ-সভাপতি বৰদা শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যাত অবিভক্ত দৰঙৰ কে'বাগৰাকী সাহিত্যানুৰাগীৰ আশাসুধীয়া প্ৰচেষ্টাত পূৰ্বৰ দৰঙৰ টংলা চহৰত ৰত্নেশ্বৰ শৰ্মাক সভাপতি আৰু ফুলেন্দ্ৰ নাথ চহৰীয়াক সম্পাদক হিচাবে লৈ গঠন হোৱা মঙলদৈ সাহিত্য পৰিষদ ১৯৮২ত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত দৰং জিলা সাহিত্য সভা নামেৰে পৰিচয় লাভ কৰি এখন শ্ৰেষ্ঠ জিলা হিচাপে স্থান দখল কৰিবলৈ সক্ষম হয় বুলি কয়। শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অধ্যাপক ইদ্ৰিছ আলী, সভাৰ প্ৰাক্তন সভাপতি ভাৰতভূষণ মহন্ত, চহিৰ ভূঞা, ড° ৰাম চন্দ্ৰ ডেকা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ৰাণা আলম, মুকুট চন্দ্ৰ হাজৰিকা, ডাঃ মৃন্ময় নাথ, জীতেন ভাগৱতী, কুঞ্জ দেৱী, বাসৱ চন্দ্ৰ ডেকা, শাখা সাহিত্য সভাৰ সভাপতি, সম্পাদক, প্ৰাক্তন বিষয়ববীয়া অংশগ্ৰহণ কৰি সোণালী। জয়ন্তী পালনৰ পোষকতা কৰি বক্তব্য আগবঢ়ায়। ৩০ ৰো অধিক স্বৰ্ণ আৰু শতদল শাখাৰে সমৃদ্ধ দৰং জিলা সাহিত্য সভাৰ দুনী শাখা আৰু ননৈপৰীয়া সাহিত্য সভাক শতদল শাখাৰ স্বীকৃতিপত্ৰ প্ৰদান কৰা হয়। সভাই সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি হিচাপে দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাক মনোনীত কৰে। ড° ৰাম চন্দ্ৰ ডেকাক কাৰ্যকৰী সভাপতি, গৌতমানন্দ গোস্বামী আৰু ৰাণা আলমক সম্পাদক, বাসৱ চন্দ্ৰ ডেকা আৰু কুঞ্জ দেৱীক উপ-সভাপতি, বসন্ত শইকীয়া, ধকমান শ্ৰেষ্ঠ, সাংবাদিক মকছেদ আলীক সহকাৰী সম্পাদক মনোনীত কৰা হয়।

গোৱালপাৰাৰ নুনখোৱা চৰত ব্ৰহ্মপুত্ৰত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৫ জুলাই ঃ গোৱালপাৰা জিলাৰ পঞ্চৰত্ন নদী আৰক্ষী থানাৰ অন্তৰ্গত নুনখোৱাপাৰা চৰত কালি বিয়লি ব্ৰহ্মপুত্ৰ নদীত ওপঙি থকা অৱস্থাত এজন যুৱকৰ মৃতুদেহ উদ্ধাৰ হয়। যুৱকজনৰ জেপৰ পৰা ওলোৱা পৰিচয় পত্ৰত লক্ষ্মণ অধিকাৰী বুলি লিখা আছে। ঠিকনা গুৱাহাটীৰ বশিষ্ঠ বুলি পৰিচয় পত্ৰত উল্লেখ থকাত ইতিমধ্যে গোৱালপাৰাৰ আৰক্ষীয়ে বশিষ্ঠ থানাৰ আৰক্ষীৰ স'তে যোগাযোগ কৰিছে। কিন্তু বশিষ্ঠ থানাত তেনে নামৰ লোকৰ সন্ধানহীন হোৱাৰ কোনো খবৰ নাই বুলি জনাইছে। ইপিনে, ১২ জুলাইত লক্ষ্মণ অধিকাৰী নামৰ যুৱকজন নিৰুদ্দেশ হোৱা বুলি পৰিয়ালৰ লোকে ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী চকীত নিৰুদ্দেশ সম্পৰ্কীয় এখন এজাহাৰ দাখিল কৰিছিল বুলি আৰক্ষী সূত্ৰেই সদৰী কৰিছে। ইতিমধ্যে হালাকুৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই গোৱালপাৰাত উপস্থিত হৈ মৃতদেহটো চিনাক্তকৰণৰ বাবে পৰিয়ালৰ লোকক খবৰ দিয়ে। গোৱালপাৰা চহৰ আৰক্ষী আৰু পঞ্চৰত্ন আৰক্ষীয়ে মৃতদেহটো ইতিমধ্যে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

ৰঙাপৰা ৰেলৱে জংচনৰ সমীপত দোকান গৃহ উচ্ছেদ

বিশেষ সংবাদদাতা

ৰঙাপৰা, ১৪ জুলাই ঃ শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ ৰেলৱে আস্থানৰ সমীপত ৰেল বিভাগে আজি চলালে উচ্ছেদ অভিযান।কিছুদিন পুৰ্ব্বে ৰেলৱে বিভাগে জাননী জাৰী কৰিছিল এইসকল ব্যৱসায়ীক। ইপিনে জংচনটিৰ দুয়োকাষে থকা ব্যৱসায় প্ৰতিষ্ঠান সমূহ বিশাল নিৰাপত্তা বাহিনী লগত লৈ উচ্ছেদ কৰি ৰেলৰ মাটি বেদখল মুক্ত কৰে। ফলত দীৰ্ঘ দিন ধৰি উক্ত স্থানত নিজৰ পৰিয়াল পুহ পাল দিয়া ব্যৱসায়ী সকলে দোকান গৃহ হেৰুৱাই দুখ মনে চিন্তিত হৈ পৰিছে।আজি দিনত বিশাল নিৰাপত্তা বাহিনীৰ লগত লৈ ৰেলৱে বিভাগে এক্সকেভেটৰে সহায়ত চ্ছুচ খন দোকানত চলালে উচ্ছেদ অভিযান। কোনে অনুধাৱন কৰিব ৰঙাপৰা ব্যৱসায়ী সকলৰ দুখ-দুৰ্দশা, আজি কোনে শুনিব ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ কৰুণ বিননি এই বুলি একাংশ ব্যৱসায়ীয়ে সংবাদ মাধ্যমৰ আগত মত পোষন কৰে। উল্লেখ্য যে ৰঙাপৰা উৰনীয়া সেতু নিৰ্মানৰ সময়তো প্ৰায় জ্জ্বল্বৰো অধিক ব্যৱসায়ীয়ে নিজৰ দোকান গৃহ হেৰুৱাব লগীয়া হৈছিল।

কঁহুৱাআটিত সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ প্ৰতিবাদ

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ দলংঘাট ব্লক সমিতিৰ সভানেত্ৰী জোনামণি বৰদলৈ আৰু সম্পাদিকা আয়েফা বেগমে আজি বিবৃতি যোগে অধিবক্তা, সাংবাদিক আৰু মানৱ অধিকাৰ কৰ্মী, 'কা' বিৰোধী আন্দোলনৰ নেত্ৰী তিস্তা শীতলৱাঞ্জ আৰু ছাত্ৰী বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক অতি শীঘ্ৰে বিনাচৰ্তে মুক্তি দিয়াৰ বাবে চৰকাৰক দাবী জনায়। লগতে প্ৰখ্যাত সমাজকৰ্মী মেধা পাটেকৰৰ ওপৰত জাপি দিয়া গোচৰো ততালিকে প্ৰত্যাহাৰৰ দাবী জনায়। এইসমূহ দাবীত আজি সন্থাৰ দলংঘাট ব্লক সমিতিয়ে কঁহুৱাআটিত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিবৃতিটোত নেত্ৰী দুগৰাকীয়ে বিজেপিৰ শাসন কালত বিৰুদ্ধ মত, গণতান্ত্ৰিক অধিকাৰ, বাকস্বাধীনতা আদি কণ্ঠৰুদ্ধ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি অভিযোগ তুলি ইয়াক তীব্ৰ ভাষাত গৰিহণা দিছে। বিবৃতিটোত নেত্ৰী দুগৰাকীয়ে কয়, 'মহিলা নেত্ৰী, ছাত্ৰী, মহিলা সমাজকৰ্মী, সাংবাদিক, ৰাজনৈতিক কৰ্মী সহিতে কোনেও আজি সুৰক্ষিত নহয়। গৌৰী লংকেশৰ পৰা আৰম্ভ কৰি দেবাংগনা, তিস্তা শীতলৱাঞ্জ, বৰ্ষাশ্ৰী, মেধা পাটেকৰ, গৌতম নৱালকা, শোভা সেন, উমৰ খালিদ আজি তাৰেই জ্বলন্ত উদাহৰণ।' প্ৰতিবাদকাৰী মহিলাসকলে তিস্তা শীতলৱাঞ্জ, বৰ্ষাশ্ৰীক অতি শীঘ্ৰে বিনাচৰ্তে মুক্তি দিয়ক, মেধা পাটেকৰৰ ওপৰত জাপি দিয়া গোচৰ ততালিকে প্ৰত্যাহাৰ কৰক, মহিলা নেত্ৰীক গ্ৰেপ্তাৰ কৰি মহিলাৰ প্ৰতিবাদী কণ্ঠ বন্ধ কৰিব নোৱাৰে নোৱাৰিব, মহিলা নেত্ৰীক জেলত ভৰাই মহিলাৰ সবলীকৰণ কৰিছে নেকি বিজেপি চৰকাৰে জবাব দিয়ক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

সদৌ অসম প্ৰগতিশীল নাৰী সন্থা

'হৰ ঘৰ তিৰংগা'ৰ ৰূপায়ণ সন্দৰ্ভত কোকৰাঝাৰত বৈঠক

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ১৫ জুলাই ঃ কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ অধ্যক্ষতাত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত 'হৰ ঘৰ তিৰংগা কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভত কালি এখন সভা অনুষ্ঠিত হয়। উক্ত সভাখনত কোকৰাঝাৰ জিলা গ্ৰামোন্নয়ন সংস্থাৰ প্ৰকল্প সঞ্চালক, পৌৰ পৰিষদৰ কাৰ্যবাহী বিষয়াসকল, শিক্ষা সঞ্চালক, অসম ৰাজ্যিক গ্ৰাম্য, জীৱিকা মিছন (এএছআৰএলএম), ৰাষ্ট্ৰীয় নগৰ জীৱিকা মিছন (এনইউএলএম)ৰ প্ৰতিনিধিসকল উপস্থিত থকাৰ উপৰি খাদ্য আৰু অসামৰকি যোগান বিভাগৰ পৰিষদীয় মুৰব্বী বিষয়াসকল অংশগ্ৰহণ কৰে। সভাত বিভিন্ন বিভাগ অনুসৰি দায়িত্বৰ বিষয়ে আলোচনা কৰি সংশ্লিষ্ট সকলোৰে পৰা কাৰ্যৰ পৰিকল্পনা বিচৰা হয়।কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাই কয় যে পতাকাখন ঘৰলৈ অনা, পতাকাৰ স'তে ব্যক্তিগত সম্পৰ্ক স্থাপন কৰা, জনসাধাৰণৰ হৃদয়ত দেশপ্ৰেমৰ অনুভূতি বৃদ্ধি কৰা আৰু ৰাষ্ট্ৰীয় পতাকাৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ বাবে 'হৰ ঘৰ তিৰংগাা'ৰ মনোভাবক গুৰুত্ব দি আমি সকলোৰে ১৬৮৭ টা অংগনৱাড়ী কেন্দ্ৰত শিশু আৰু শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হ'ব।লগতে ৰাষ্ট্ৰীয় পতাকা আৰু পতাকা কেনেদৰে বনাব লাগে সেই সম্পৰ্কেও ১৬১১খন বিদ্যালয় আৰু ন খন মহাবিদ্যালয়ত শিক্ষা দিয়াৰ ব্যৱস্থা লোৱা হ'ব বুলি জানিবলৈ দিয়ে উপায়ুক্তগৰাকীয়ে। সভাত অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় আৰু মহাবিদ্যালয়ত নামভৰ্তি কৰা সকলো শিশুক পতাকা বনোৱাৰ প্ৰশিক্ষণ দিয়া হ'ব। আজাদী কা অমৃত মহোৎসৱৰ স'তে জড়িত 'হৰ ঘৰ তিৰংগা' উদ্‌যাপন উপলক্ষে পতাকা নিৰ্মাণৰ ক্ষেত্ৰত আত্মসহায়ক গোটসমূহক সাজু কৰাৰ লগতে প্ৰতিটো ঘৰতে পতাকা প্ৰদৰ্শন কৰাটো নিশ্চিত কৰিবলৈ এ এছ আৰ এল এম আৰু এন ইউ এল এমক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰি খাদ্য আৰু অসামৰিক যোগান বিভাগক পতাকাৰ বিক্ৰী পইন্ট চিনাক্ত কৰি উচিত মূল্যৰ দোকানসমূহৰ তালিকা দাখিল কৰিবলৈ নিৰ্দেশ হয়। ইয়াৰ উপৰি, আগ্ৰহী এছ এইছ জিৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত কৰাৰ বাবে লজিষ্টিক সমৰ্থনৰ বাবে বিদ্যমান, টেইলৰিঙৰ সুবিধা উপলব্ধ কৰা হ'ব। যিহেতু কাৰাগাৰৰ বন্দীসকলেও আমাৰ ৰাষ্ট্ৰীয় পতাকাৰ বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে, কাৰাগাৰৰ বন্দীসকলকো এনে অভিমুখিতা প্ৰদান কৰা হ'ব বুলি উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

বিশ্বনাথৰ কৃষিভূমিত সিঁচিলে বাহাদুৰ চাব-১-বিনা ধান-১০ জাতৰ বীজ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৫ জুলাই ঃ ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আঁচনিৰ অধীনৰ কমিউনিটি নাৰ্ছাৰীৰ কালি বিশ্বনাথ কৃষি চক্ৰত আৰম্ভণি কৰা হয়। জিলাখনৰ বিশ্বনাথ কৃষি চক্ৰৰ অন্তৰ্গত মৰল গাঁৱত ২.৫ হেক্টৰ কৃষিভূমিত বাহাদুৰ চাব-১ আৰু বিনা ধান ১০ জাতৰ বীজ সিঁচি বিশ্বনাথ সমষ্টিৰ মাননীয় বিধায়ক প্ৰমোদ বৰঠাকুৰে নাৰ্ছাৰীৰ আৰম্ভণি কৰে। বানপীড়িত কৃষকক সকাহ দিয়াৰ উদ্দেশ্যৰে যুগুত কৰি উলিওৱা এই অভিলাষী আঁচনিখনৰ জৰিয়তে বানত ক্ষতি হোৱা শস্যৰ বিপৰীতে এই নাৰ্ছাৰীৰ পৰা কঠীয়া সংগ্ৰহ কৰি ৰোপণ কৰিব পাৰিব। প্ৰমোদ বৰঠাকুৰে তাত উপস্থিত থকা কৃষক বন্ধুসকলক খেতি কৰিবলৈ হেলা নকৰি চৰকাৰৰ আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰি দুগুণ উৎসাহৰে খেতি কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত বিশ্বনাথ জিলা কৃষি বিষয়া দীপক বঢ়ৈ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া প্ৰদীপ তালুকদাৰ, কৃষি উন্নয়ন বিষয়া মানস প্ৰতীম দাস, সমাজকৰ্মী ভাস্কৰ হাজৰিকা, মিলন বৰাৰ লগতে বুঢ়ীগাং গাঁও পঞ্চায়তৰ সভাপতি অনুপ দাসৰ লগতে স্থানীয় কৃষক আৰু বিভিন্ন পদমৰ্যাদাৰ কৃষি বিষয়াসকল অনুষ্ঠানত উপস্থিত থাকে।

গোসাঁইগাঁৱত কাঠফুলা উৎপাদন সম্পৰ্কীয় বিশেষ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ১৫ জুলাই ঃ অসম চৰকাৰৰ 'ৱান ডিষ্ট্ৰিক্ট ৱান প্ৰডাক্ট' চমুকৈ অ'ডিঅ'পি শীৰ্ষক আঁচনি ৰূপায়নৰ স'তে সংগতি ৰাখি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত যোৱা বুধবাৰে এখন বিশেষ সভা অনুষ্ঠিত হৈ যায়। উক্ত আঁচনি মৰ্মে কোকৰাঝাৰ জিলাৰ ভাগত কাঠফুলা পৰাৰ পৰিপ্ৰেক্ষিতত বিজ্ঞাসন্মত পদ্ধতিৰে ব্যৱসায়িক ভিত্তিত কাঠফুলা উৎপাদনৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় বিত্তীয় সাহায্য তথা উৎপাদিত কাঠফুলা বিক্ৰীৰ বজাৰ আদি বিভিন্ন দিশ পুংখানুপুংখভাৱে আলোচনাৰ্থে উক্ত সভাখনত অনুষ্ঠিত হয়। গোসাঁইগাঁৱৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত মাছান্দা পাৰ্টিনৰ সভাপতিত্ব অনুষ্ঠিত সভাখনত বৃহত্তৰ গোসাঁইগাঁও তথা ইয়াৰ পাৰ্শ্বৱতী অঞ্চলসমূহত ব্যক্তিগত তথা সামূহিক উদ্যোগত গঢ় লৈ উঠা কাঠফুলা উৎপাদনকাৰী গোটসমূহৰ স'তে জড়িত প্ৰায় তিনি শতাধিক পুৰুষ-মহিলা উপস্থিত থাকে। উৎপাদকাৰীসকলে কাঠফুলা উৎপাদন কৰিবলৈ যাওঁতে সন্মুখীন হোৱা কাৰিকৰী, আৰ্থিক তথা বজাৰ সম্পৰ্কীয় বিভিন্ন সমস্যাসমূহৰ ওপৰত সভাত বিশদভাৱে আলোচনা কৰা হয়। এই সন্দৰ্ভত উপস্থিত বিভিন্নজনে উক্ত বিষয়সমূহৰ ওপৰত বিভিন্ন দৃষ্টিকোণৰ পৰা নিজ নিজ বক্তব্য আগবঢ়ায়। সভাখনত গোসাঁইগাঁৱৰ তেলিপাৰা স্থিত কোকৰাঝাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী গৌতম ভাগৱতী, মহকুমা কৃষি বিষয়া অসীম শইকীয়া, সহকাৰী আয়ুক্তদ্বয় ক্ৰমে প্ৰিয়ংকৰ প্ৰতীম ডেকা আৰু মৃদুল বড়োৱেও বিষয়বস্তুৰ ওপৰত নিজ নিজ বিভাগীয় দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত বক্তব্য ৰাখে। আনহাতে, বিত্ত ব্যৱস্থা সমগ্ৰ প্ৰক্ৰিয়াটোৰ এক অন্যতম গুৰুত্বপূৰ্ণ দিশ হিচাপে বিবেচিত হোৱা হেতুকে গোসাঁইগাঁও আৰু শ্ৰীৰামপুৰ শাখাৰ বেংক প্ৰবন্ধকসকলেও সভাখনত অংশগ্ৰহণ কৰি পৰামৰ্শ প্ৰদান কৰে।

বিশ্বনাথত অট্টালিকা নিৰ্মাণত পৌৰসভাৰ অনুমোদন বাধ্যতামূলক ঃ কাৰ্যবাহী বিষয়া

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৫ জুলাই ঃ বিশ্বনাথ চাৰিআলি পৌৰসভাৰ অন্তৰ্গত অৰ্থাৎ বিশ্বনাথ নগৰত বিল্ডিং নিৰ্মাণ কৰাতে এতিয়াৰ পৰা সাৱধান হওক। জধে-মধে বিল্ডিং নিৰ্মাণ কৰিলে বহু কোটি টকাৰ লোকচান বহন কৰিব পাৰে। কাৰণ বিশ্বনাথ নগৰত গৃহ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যি আইন আছে, এই আইন মতে, বিল্ডিং নিৰ্মাণ নকৰিবলৈ পৌৰসভাই আইনী প্ৰক্ৰিয়াৰে ভাঙি পেলাব পাৰে আপুনি কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা আপোনাৰ সেই বিল্ডিং ঘৰ। কেৱল নতুনকৈ নিৰ্মাণ কৰিবলগীয়া বিল্ডিং ঘৰে নহয়, পূৰ্বতেও বিশ্বনাথ নগৰত যিসকল লোকে নীতি বহিৰ্ভূতভাৱে বিল্ডিং নিৰ্মাণ কৰিছে, তেনে লোক সকলৰ বিৰুদ্ধেও পৌৰসভাই লাহে লাহে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব দিছে পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেৱাশীষ গোস্বামীয়ে।

বিশ্বনাথৰ উপায়ুক্তক সাক্ষাৎ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতিসহ সঁজাতী দলৰ

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি ১৫ জুলাই ঃ কালি বিশ্বনাথত উপস্থিতী হয় অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মহম্মদ আলী খলিফা। সভাপতিজনে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বিশ্বনাথ জিলা সমিতিয়ে আদৰণি জনায়। সংগঠনটোৰ সভাপতি মহম্মদ আলী খলিফাই তাৰ পাছত বিশ্বনাথৰ পেটুলিবাৰীৰ উচ্ছেদিত লোকসকলৰ অৱস্থাৰ বুজ লয়। তেওঁলোকৰ বিভিন্ন সমস্যা-দুৰ্দশা ইত্যাদিৰ বুজ লৈ সভাপতিজনে আন এজন কেন্দ্ৰীয় নেতা নাজিৰ আহমেদৰ অন্যান্য বিষয়ববীয়াৰ স'তে উপস্থিত হয় বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত। উপায়ুক্ত কাৰ্যালয়ত বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেৰ স'তে উক্ত উচ্ছেদিত লোকসকলৰ পুনৰ সংস্থাপন সন্দৰ্ভত এক আলোচনাত মিলিত হয়। উপায়ুক্তজনে অসম সংখ্যালঘু পৰিষদৰ সঁজাতী দলটোক উক্ত বিষয় সন্দৰ্ভত অতি শীঘ্ৰে সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে। বিশ্বনাথ জিলা উপায়ুক্তৰ স'তে সংস্থাপনৰ বিষয় সম্পৰ্কে আলোচনা কৰে। লগতে ষষ্ঠ সংযোজন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঠিক সীমা নিৰ্ধাৰণ সম্পৰ্কে আলোচনা কৰে। জিলা উপায়ুক্তই উক্ত বিষয়সমূহ শীঘ্ৰেই সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে।

গোৰেশ্বৰৰ ভোগপুৰ-নাওকাটাত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ আৱাস গৃহৰ শিলান্যাস

অগ্ৰদূত বাৰ্তা

গোৰেশ্বৰ, ১৫ জুলাই ঃ তামুলপুৰ জিলাৰ বিটিআৰৰ শুক্লাই ছেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত তথা গোৰেশ্বৰ উন্নয়ন খণ্ডৰ অঞ্চলৰ মহৰিপাৰা ভিচিডিচিৰ ভোগপুৰত প্ৰধানন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহ শিলান্যাস কৰা হয়। তদুপলক্ষে কালি মহৰিপাৰা ভিচিডিচিৰ চেয়াৰমেন ইন্তাজুল আলমে কে'বাটাও আৱাস গৃহৰ শিলান্যাস কৰি শুভ উদ্বোধন কৰে। লগতে গোৰেশ্বৰ উন্নয়ন খণ্ডৰ জিআৰএছ ৰতন স্বৰ্গীয়াৰী, ভোগপুৰ গাঁৱৰ সদস্য জাকিৰ হুছেইন আৰু গোৰেশ্বৰৰ যুৱ সমাজকৰ্মী ৰঞ্জিত ৰাজবংশী উপস্থিত থাকি গৃহৰ শিলান্যাস কৰে। ইফালে, প্ৰতিটো আৱাসগৃহ লাভ কৰি হিতাধিকাৰীসকলৰ উপস্থিতিত নৱনিৰ্মাণ কৰিবলগীয়া আৱাস গৃহৰ শুভ উদ্বোধন কৰি মহৰিপাৰা ভিচিডিচিৰ চেয়াৰমেন ইন্তাজুল আলমে কয় যে প্ৰতিগৰাকী হিতাধিকাৰীয়ে সময়মতে আৱাস গৃহসমূহ নিৰ্মাণ কৰিব লাগিব আৰু মহৰিপাৰা ভিচিডিচিত স্বচ্ছ আৰু নিকাভাৱে কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে হিতাধিকাৰীসকলক আহ্বান জনায়। ইপিনে, পূব-নাওকাটাও প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ আৱাস গৃহৰ উদ্বোধন কৰা হয়। বিটিআৰৰ শুক্লাই চেৰফাং পৰিষদীয় শুক্লাই চেৰফাং ব্লক ইউপিপিএলৰ নেতা প্ৰদীপ নাৰ্জাৰীৰ উপস্থিতিত উক্ত আৱাস গৃহকেইটাৰ শিলান্যাস কৰা হয়। অনুষ্ঠানত গোৰেশ্বৰ উন্নয়ন খণ্ডৰ বিষয়ববীয়াৰ লগতে ভিচিডিচিৰ সদস্যসকল উপস্থিত থাকে।

ভৱানীপুৰত নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ বিক্ষোভ

অগ্ৰদূত বাৰ্তা

সৰুপেটা, ১৫ জুলাই ঃ সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়মৰ আহ্বান মৰ্মে অবিভক্ত বৰপেটা জিলা কমিটীৰ উদ্যোগত কালি ভৱানীপুৰৰ শ্ৰম পৰিদৰ্শক কাৰ্যালয়ৰ সন্মুখত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিক্ষোভ কাৰ্যসূচীত নিৰ্মাণ শ্ৰমিকসকলৰ আইনীভাৱে সময়মতে আদায় দিয়া, কল্যাণ পৰিষদত উত্থাপিত দুৰ্নীতিৰ তদন্ত কৰা, বেংকত ধন জমা কৰাৰ ক্ষেত্ৰত দেখা দিয়া জটিলতাসমূহৰ শীঘ্ৰেই সমাধান কৰা, অসংগঠিত খণ্ডৰ শ্ৰমিক কল্যাণ আইন ২০০৮ শীঘ্ৰেই কাৰ্যকৰী কৰা আৰু বানক্ষতিগ্ৰস্ত নিৰ্মাণ শ্ৰমিকসকললৈ পাঁচহেজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰিবলৈ দাবী জনোৱা হয়। প্ৰতিবাদকাৰীসকলে কালি চিপিআই(এম)ৰ ভৱানীপুৰস্থিত কাৰ্যালয়ৰ পৰা পদব্ৰজে সমদল কৰি আহি নাতিদূৰৈৰ ভৱানীপুৰ শ্ৰম পৰিদৰ্শকৰ কাৰ্যালয়ৰ সন্মুখত সমবেত হয় আৰু বিক্ষোভ প্ৰদৰ্শন কৰে। বিক্ষোভকাৰীসকলে বিভিন্ন দাবী সম্বলিত প্লে-কাৰ্ড, পতাকা আদি হাতে হাতে লৈ শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ইয়াৰ পাছতে অসম গৃহ অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ সদস্য সচিবলৈ ভৱানীপুৰৰ শ্ৰমি পৰিদৰ্শকগৰাকীৰ জৰিয়তে এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়।

নলবাৰীত ১৭ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালা আৰম্ভ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ১৫ জুলাই ঃ ন-পুৰণি শিল্পী, নলবাৰীৰ উদ্যোগত আৰু নল্বাৰী আৰ্টছ কলেজকে ধৰি কেঁবাটাও সংগঠনৰ সহযোগত কালিৰে পৰা ১৭ দিনীয়াকৈ প্ৰায় ৫০ গৰাকী প্ৰশিক্ষাৰ্থীৰে গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ আৰম্ভণি কৰিছে। নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰীয়ে নটৰাজৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি মুকলি ভাষণেৰে নাট কৰ্মশালা আৰম্ভণি কৰে। আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে বৰভাগ মহাবিদ্যালয়ৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকা, নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক পুলক তালুকদাৰ, ড° ৰতন ডেকা, ৰাহুল দৈমাৰী আৰু কে'বাগৰাকী অধ্যাপক-অধ্যাপিকা। ন-পুৰণি শিল্পী, নলবাৰীয়ে ২০০৮ৰ পৰা বিভিন্ন সময়ত নাট কৰ্মশালা, নাট প্ৰযোজনা আৰু নাট সমাৰোহৰ আয়োজন কৰি আহিছে। নলবাৰী জিলাৰ শিশু আৰু কিশোৰসকলৰ মানসিক, বৌদ্ধিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ লক্ষ্য আগত ৰাখি আৰু সুস্থ নাটকীয় বাতাবৰণ সৃষ্টি আৰু ন-প্ৰতিভা জন্ম দিয়াৰ উদ্দেশ্য আগত ৰাখি ন-পুৰণি শিল্পী, নলবাৰীয়ে বিভিন্ন কাম-কাজ কৰি আহিছে। ঠিক সেই উদ্দেশ্য আগত ৰাখিয়ে কালিৰে পৰা এই বৰ্ষ কৰ্মশালাখন আৰম্ভ কৰিছে । ন-পুৰণি শিল্পী, নলবাৰীৰ সম্পাদক ধ্ৰুৱ বৰ্মনে জানিব দিয়া মতে, এই কৰ্মশালাত প্ৰশিক্ষকৰূপে স্থানীয় নাট বিশেষজ্ঞৰ উপৰি বিশেষভাৱে উপস্থিত থাকিব ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ কে'বাগৰাকী স্নাতকৰ লগতে অসমৰ আগশাৰীৰ বিশিষ্ট নাট্যকৰ্মী আৰু পৰিচালক। প্ৰতি বছৰে আয়োজন কৰাৰ দৰে কৰ্মশালাৰ অন্তত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা অভিনীত নাটৰ এটি নাট্য সন্ধিয়া অহা আগষ্টৰ প্ৰথম সপ্তাহত নলবাৰী নাট্য মন্দিৰ অনুষ্ঠিত কৰিব। সমূহ ৰাইজৰ সহায়-সহযোগিতা তথা শুভকামনা উদ্যোক্তা সমিতিয়ে কামনা কৰিছে।

ডিব্ৰুগড়-যোৰহাট সংযোগী ঘাইপথ বিধ্বস্ত

■ প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁত

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৫ জুলাই ঃ দীৰ্ঘদিন ডিব্ৰুগড় যোৰহাট এ টি ৰোড সংযোগী পথছোৱা সম্পূৰ্ণভাৱে বিধ্বস্ত হৈ আছে। ডিব্ৰুগড় যোৰহাটৰ দূৰত্ব প্ৰায় ১৪০ কিলোমিটাৰ আৰু যাওঁতে সময় লাহে প্ৰায় চাৰি ঘণ্টা। কিন্তু বৰ্তমানে পথছোৱা ইমানেই বেয়া যে গাড়ীৰে গ'লে প্ৰায় চাৰি পাঁচ ঘণ্টাতকৈ বেছি সময়ৰ প্ৰয়োজন হয়। উন্নতিৰ ঢাক-ঢোল বজোৱা চৰকাৰখনে এই বিধ্বস্ত পথছোৱাৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব আৰোপ কৰা নাই। ঠায়ে ঠায়ে পুখুৰী সদৃশ প্ৰকাণ্ড প্ৰকাণ্ড গাঁত। বৰষুণ আহিলে গাঁতবোৰ পৰিপূৰ্ণ হৈ পৰে যাৰ ফলত পথ আৰু গাঁত একাকাৰ হৈ পৰি একো চিন-ছাপ নোহোৱা হৈ পৰে। নতুন দামী গাড়ীবোৰ বেয়া হোৱা বুলি মালিকসকলে আৰু পথ যাত্ৰীয়ে কয়। এই পথছোৱাত গাঁতবোৰৰ ওপৰত কোনো ধৰণৰ সতৰ্কতাৰ চিহ্ন এডাল দিবলৈকো পি ডব্লিউ ডিৰ দৰে বিয়াগোম বিভাগ এটাৰ আহৰি নাই আৰু ই একপ্ৰকাৰ অস্তিত্বহীন বিভাগ বুলি ৰাইজে মতপোষণ কৰে। শিল-বালি দুগাড়ী পেলাবলৈও বিভাগটোৰ ধনৰ অভাৱ। এই ৰাষ্ট্ৰীয় পথছোৱাৰে দিনে ৰাতি লাখ লাখ গাড়ী অহা-যোৱা কৰে। চৰকাৰক গাড়ী মালিকে সম্পূৰ্ণ কৰ আদায় দিয়ে। এদিন দেৰি হ'লে জৰিমনা বিহে, কিন্তু কি সুবিধা পাইছে বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰে। এগৰাকী যাত্ৰী সত্যপাল দাসে কয় যে প্ৰতিবছৰে এই অৱস্থা হয় এজাক বৰষুণত গাঁতবোৰ পৰিপূৰ্ণ হৈ পৰে যাৰ বাবে বহুতো দুৰ্ঘটনা ইতিমধ্যে সংঘটিত হৈছে, নতুন নতুন গাড়ীবোৰ বেয়া হৈছে। আজিও যে অসম মুলুকত এনে ধৰণৰ অত্যন্ত বেয়া পথ আছে ভাবিলে আচৰিত লাগে। ডিব্ৰুগড়ৰ পৰা যোৰহাট যাব লাগিলে শ বাৰ ভাবিলগীয়া হয়। বেলেগ ৰাজ্যৰ বাট-পথ দেখিলে আৰু আমাৰ ৰাজ্যৰ পথবোৰ দেখিলে এনে ভাব হয় যে মন্ত্ৰী-বিধায়কসকল এই পথটোৰে আনে নে নাই সেয়া সৰ্বসাধাৰণ মানুহে প্ৰশ্ন কৰে। যাতায়াত ব্যৱস্থা সুচল নহ'লে ব্যৱসায়-বাণিজ্যত বাধাৰ সৃষ্টি হয় এই কথা সকলোৱে জানে। বিদেশীসকল অসম চাবলৈ আহি তেওঁলোকে পথবোৰৰ এই অৱস্থা দেখি কি ভাবিব। মুখ্যমন্ত্ৰীয়ে অতি সোনকালে সম্পূৰ্ণ পথছোৱা দীৰ্ঘম্যাদী পৰিকল্পনাৰে নিৰ্মাণ কৰাটো ৰাইজে বিচাৰে।

নগাঁৱত 'এখুদ ককাইদেউ'ৰ স্মৃতিদিৱস উদ্‌যাপন অনুষ্ঠানৰ দৃশ্য।

বিশ্বনাথত বিজেপিৰ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ১৫ জুলাই ঃ কালি বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজত, বিশ্বনাথ জিলা বিজেপিৰ জিলাৰ কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। কাৰ্যসূচীত বিশ্বনাথ জিলা বিজেপিৰ সভাপতি পংকজ বৰাই সভাপতিৰ আসন গ্ৰহণ কৰে। সভাত উপস্থিত থাকে বিশ্বনাথ জিলাৰ প্ৰভাৰী কিশোৰ উপাধ্যায়, বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, লগতে গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, শ্ৰঞ্জন গগৈ আৰু বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰৰ স'তে ৰাজ্যিক চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি দিগন্ত ঘাটোৱাৰ আৰু অসম পশুধন নিগমৰ উপাধ্যক্ষ পৰেশ বৰকাকতিয়ে লগতে কাৰ্যনিৰ্বাহক সভাত বুথ শক্তিকৰণ অভিযানৰ কাৰ্যক্ৰমণিকা সম্পৰ্কেও বিষয়বস্তুৰ ওপৰত বক্তব্য আগবঢ়ায় জিলা সমিতিৰ প্ৰভাৰীজনে। সভাত অংশগ্ৰহণ কৰে দলীয় জ্যেষ্ঠা বিষয়ববীয়াসকল।

হাজোত নাট কৰ্মশালাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

হাজো, ১৫ জুলাই ঃ অসম নাট্য সন্মিলনৰ হাজো শাখা আৰু প্ৰতিশ্ৰুতি ফাউণ্ডেছনৰ যুটীয়া উদ্যোগত অহা ১৮ৰ পৰা ২৪ জুলাইলৈ হাজোৰ মণিকূট হাইস্কুলত এখনি নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। সেইদিনা পুৱা ন বজাত পতাকা উত্তোলন কৰিব অসম নাট্য সন্মিলনৰ হাজো শাখাৰ সভাপতি বাবুল মজুমদাৰে। নটৰাজৰ মূৰ্তিত বন্তি প্ৰজ্বলন কৰিব বুলুপ্ৰভা মালাকৰে, নটৰাজৰ মূৰ্তিত মাল্যাৰ্পণ কৰিব বিশিষ্ট অভিনেতা ৰত্নাকৰ নায়কে। নাট কৰ্মশালা উদ্বোধন কৰিব শিৱপ্ৰসাদ শৰ্মা দলৈয়ে, সভাপতি পঞ্চতীৰ্থ মন্দিৰ পৰিচালনা সমিতি। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব গিৰিধৰ ৰয়, সম্পাদক অসম নাট্য সন্মিলন। আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব নৃত্যাংগনা উপসনা মহন্ত, অৰূপ বৰঠাকুৰ, সভাপতি কামপীঠ মণ্ডল আৰু নৱজ্যোতি মৰল, সম্পাদক কামৰূপ জিলা সমিতি। নাট কৰ্মশালাখনি সাফল্যমণ্ডিত কৰিবলৈ ৰাইজৰ সহায় তথা সহযোগিতা কামনা কৰিছে আয়োজক সমিতিয়ে।

মৰঙিৰ প্ৰজাবস্তি গাঁৱৰ মহিলাৰ মৃত্যুক লৈ প্ৰতিক্ৰিয়া

স্বামীয়ে হত্যা কৰিলে পত্নীক

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ১৫ জুলাই ঃ নুমলীগড় আৰক্ষী চকীৰ অন্তৰ্গত মৰঙিৰ প্ৰজাবস্তি গাঁৱৰ এগৰাকী মহিলাৰ মৃত্যুৰ ঘটনাক লৈ সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি হৈছে। কালি প্ৰজাবস্তি গাঁৱৰ কাষৰীয়া এখন সৰু চাহ বাগিচাৰ কেঁচা চাহপাত ৰখা ঘৰত মালতী মাঝি নামৰ মহিলাগৰাকীৰ মৃতদেহ এডাল ৰছীত ওলমি থকা অৱস্থাত ৰাইজে প্ৰত্যক্ষ কৰে। ইফালে, মহিলাগৰাকীৰ স্বামী দেৱেশ্বৰ বাঢ়ে নিজেই বগীজান আৰক্ষীক ঘটনা সন্দৰ্ভত ফোনযোগে খবৰ দিয়ে। ঘটনাস্থলীত বগীজান আৰক্ষী থানাৰ লোক উপস্থিত হয় আৰু মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণৰ ব্যৱস্থা কৰে। আৰক্ষীৰ প্ৰাথমিক তদন্তত লগে লগে সেয়া এক হত্যাকাণ্ড বুলি আৰক্ষী নিশ্চিত হয়। তাৰ পাছত গাঁৱৰ ৰাইজেও আৰক্ষীক জনায় যে দেৱেশ্বৰ বাঢ়েয়ে বহুদিনৰ পৰাই পত্নীৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলাই আহিছিল। গাঁৱৰ ৰাইজৰ অভিযোগ যে মহিলাগৰাকীৰ স্বামীয়েই নিজে পত্নীক হত্যা কৰি তাক আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰে। তাৰ পাছতে আৰক্ষীয়ে দেৱেশ্বৰ বাঢ়েৰ সন্ধান কৰে যদিও তেওঁ ইতিমধ্যে পলায়ন কৰিছিল। আৰক্ষীয়ে দেৱেশ্বৰ বাঢ়েক গ্ৰেপ্তাৰ কৰিবলৈ অভিযান আৰম্ভ কৰিছে।

কৃতী ছাত্ৰ-ছাত্ৰীক মাজুলীৰ বিধায়ক ভুবন গামৰ বিশেষ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৫ জুলাই ঃ সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ মাজুলীৰ বিভিন্ন বিদ্যালয়ৰ ৩৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীক মাজুলী মিলন সংঘত হোৱা এখন সভাত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই সম্বৰ্ধনা সভাত কেন্দ্ৰীয় লোকসভা আয়োগৰ পৰীক্ষাত ৫০৬ সংখ্যক স্থান লাভ কৰা শিল্প খনিকৰ মুখ্য আকৰ্ষণ হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰি লক্ষ্য স্থিৰ কৰি পঢ়া-শুনাত মনোনিৱেশ কৰাৰ আহ্বান জনায়। মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামৰ উদ্যোগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন অনুষ্ঠানত সভাপতিত্ব কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সভাত সমাজকৰ্মী দীপক গোস্বামী, বিজেপিৰ মাজুলীৰ সভাপতি বীৰেণ শইকীয়া, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি এনে ধৰণৰ পদক্ষেপৰ আদৰণি জনায়। বিধায়ক গামে এগছি বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা অনুষ্ঠানত প্ৰতিজন ছাত্ৰ- ছাত্ৰীকে মানৱ সম্পদৰূপে গঢ়ি তুলিবলৈ আহ্বান জনায়। সভাত ভাল ফলাফল দেখুওৱা বিদ্যালয় প্ৰধান, মহাবিদ্যালয়ৰ অধ্যক্ষসকলকো সম্বৰ্ধনা জনায়। সভাৰ আঁত ধৰে কথা শিল্পী প্ৰতাপ বৰুৱাই।

শুৱালকুছিত যান-জঁটৰ সমস্যা

■ জেব্ৰা ক্ৰছিং-যান-বাহন আৰক্ষীৰ প্ৰয়োজন

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৫ জুলাই ঃ এছিয়া মহাদেশৰ সৰ্ববৃহৎ ৰেচম গাঁও শুৱালকুছিত বৰ্তমান যান-জঁটৰ সমস্যা এৰিব নোৱাৰা সমস্যা। গাঁওখনৰ সোঁমাজৰে যোৱা কাঞ্চন নগৰৰ পৰা বৰসত্ৰ কলিতাপাৰা হৈ ন-পাৰা হাস্পতাল চ'কলৈ প্ৰায় দুই কিলোমিটাৰ পথ পুৱা সাতবজাৰ পৰা নিশা ন বজালৈ যান-জঁটৰ সমস্যাত দুৰ্বিষহ হৈ পৰে। গাঁওখনৰ আটাইতকৈ ব্যস্ত উক্ত পথটোত সাতটাকৈ বেংক, ডাকঘৰ, বিদ্যুৎ উপ-সংমণ্ডলৰ কাৰ্যালয়, তিনিখন বিদ্যালয়, শংকৰদেৱ মন্দিৰ, ন ভাটি সত্ৰ, বৰসত্ৰ আদি ধৰ্মানুষ্ঠানৰ উপৰি পথটোৰ দুয়োকাষে লানি নিছিঙা দোকান-পোহাৰ, পথৰ দুয়ো কাষে শাৰী শাৰীকৈ ৰখা মটৰ চাইকেল, ই-ৰিক্সা, ঠেলা, চাইকেল আদিৰ বাবে পথটোৰ যান-জঁটৰ প্ৰধান কাৰণ। তদুপৰি চাইদবাম বাদ দি পথটোৰ ঠাই বিশেষে তিনি-চাৰি মিটাৰ বহল। গড়কাপ্টানী বিভাগৰ নিয়ম মতে ছাইদবাম নথকা ৰাস্তা নাই। শুৱালকুছি ইয়াৰ ব্যতিক্ৰম। পথটোৰ পকা অংশলৈ মানুহৰ ঘৰ, নৰ্দমা অথবা দোকান-পোহাৰ। পথটোৰে অহা-যোৱা কৰা পথাচাৰীৰ বাবে নাই কোনো সুৰক্ষিত পদপথ। আটাইতকৈ ব্যস্ত সময়ত কোনো মালবাহী গাড়ীয়ে যদি মাল উঠাব বা নমাব লগা হয় সেই সময়খিনি অতিষ্ঠ হৈ পৰে আন যাত্ৰীসকল। উক্ত পথটোত কাঞ্চন নগৰ পুখুৰীপাৰা দুই নম্বৰ নাক্তাদল বজাৰ চ'ক, শংকৰ মন্দিৰ ৰোড, বৰসত্ৰ কলিতাপাৰা ন-পাৰা হাস্পতাল চ'ক প্ৰধান বাণিজ্য কেন্দ্ৰ হৈ উঠিছে। গাঁওখনৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ পৰা অহা লোকৰ সংখ্যা ক্ৰমাগত বৃদ্ধি হোৱা টেম্প' ই-ৰিক্সা বৃদ্ধি হৈছে। ইয়াৰ উপৰি বিগত ১০-১৫ বছৰৰ ভিতৰত শুৱালকুছিত দুচকীয়া বাহন ৫০ শতাংশ আৰু চাৰিচকীয়া বাহনৰ সংখ্যা ৪০ শতাংশ বৃদ্ধি হৈছে। গাঁওখনত জলসংখ্যা বৃদ্ধি, যানবাহন বৃদ্ধি, ব্যৱসায়িক প্ৰতিষ্ঠান বৃদ্ধিৰ সমানুপাতত পূৰ্বৰ তিনিমিটাৰ বহল পথ যথেষ্ট থেক হৈ পৰিছে। এনে প্ৰেক্ষাপটত যান-জঁটৰ সমস্যা অবধাৰিত হৈ পৰিছে। মেজিক, টেম্প', ই-ৰিক্সাৰ চলাচলে সাধাৰণ পথচাৰীৰ বিশেষকৈ জ্যেষ্ঠ নাগৰিকৰ বাবে পদচালন জটিল সমস্যাত পৰিণত হৈছে। যান জঁটৰ দৌৰাত্ম্য ইমান বৃদ্ধি হৈছে যাৰ বাবে জেব্ৰা ক্ৰছিঙৰ প্ৰয়োজন হৈ পৰিছে। নিয়ন্ত্ৰণবিহীন মটৰ চাইকেল চলাচল বিশেষকৈ কম বয়সীয়া স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ট্ৰেফিক উলংঘাৰ নীতিৰে নিশ্চয় বিপদৰ সংকেত ধ্বনি বুলি সচেতন মহলে মন্তব্য কৰিছে। শুৱালকুছিৰ প্ৰধান পথটোৰে চলাচল কৰা যানবাহনসমূহক নিয়ন্ত্ৰণ কৰিবলৈ বজাৰ চ'ক, হাস্পতাল চ'কত যানবাহন আৰক্ষীৰ প্ৰয়োজন বুলি ৰাইজে মতপোষণ কৰিছে।

কৰিমগঞ্জত জাপানী এনকেফেলাইটিছত দুজনৰ মৃত্যু

বিশেষ সংবাদদাতা

কৰিমগঞ্জ, ১৫ জুলাই ঃ কৰিমগঞ্জত জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজনৰ মৃত্যু হোৱাত আতংকৰ সৃষ্টি হৈছে। জনৈক নৰেশ নাথ দীৰ্ঘদিনৰ পৰা জ্বৰত আক্ৰান্ত হৈ আছিল। তেওঁক বাজাৰিছড়াৰ মাকুন্দা হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। স্বাস্থ্যৰ অধিক অৱনতিৰ বাবে ঘৰলৈ যোৱাৰ সময়তে তেওঁৰ মৃত্যু হয়। আনজন বীণা বনিক। শ্ৰীনগৰ কল'নী বদৰপুৰৰ বাসিন্দা। জ্বৰত আক্ৰান্ত হৈ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসকে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। পাছ তেওঁৰ মৃত্যু হয় বুলি যুটীয়া সঞ্চালকে জানিব দিয়ে। সেই অঞ্চলত ম'হ খেদিবলৈ ফগিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে ঔষধযুক্ত আঁঠুৱা বিতৰণৰ বাবে ৰাইজৰ মাজত সচেতনতা সভা অনুষ্ঠিত কৰি আছে।

ডিব্ৰুগড় পাব্লিক স্কুলৰ কৃতী শিক্ষক মছৰফ আলীৰ মৃত্যু

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৫ জুলাই ঃ ডিব্ৰুগড়ৰ নালিয়াপুল এমআৰ ৰোড নিৱাসী কৃতী শিক্ষক মছৰফ আলীয়ে কিছু দিন এক জটিল দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ কালি এখন স্থানীয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। ১৯৬৬ৰ এক আগষ্টত যোৰহাটৰ গোহাঁইটেকেলা গাঁৱত জন্মগ্ৰহণ কৰা মছৰফ আলীৰ পিতৃ ৰেলৱে চাকৰিৰ বিষয়া সূত্ৰে বিভিন্ন সূত্ৰে ঠাইত ঘূৰি ফুৰে আৰু আলীও তেনেকৈ বিভিন্ন ঠাইত পঢ়া-শুনা কৰি পাছত ৰঙিয়া হাইমাদ্ৰাছাৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰি আহি ডিব্ৰুগড় পাব্লিক স্কুলক শিক্ষকৰূপে চাকৰিত যোগদান কৰে আৰু চাকৰিৰ পৰা অৱসৰ ল'বলৈ মাত্ৰ দুটা বছৰ আছিল। এগৰাকী এতি সহজ-সৰল ব্যক্তিৰূপে পৰিচিত মছৰফ আলী সকলোৱে মাজত ছাদি হিচাপে পৰিচিত লাভ কৰে। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুত সময়ত পত্নী য়াচমীন ৰহমান আলী (খোৱাং হায়াৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষয়িত্ৰী) আৰু দুই কন্যাৰ লগতে তিনি ভাই-ককাই আৰু এগৰাকী ভগ্নীৰ লগতে পৰিয়ালৰ অনেক আত্মীয়ক ইহসংসাৰত এৰি যায়। কালি সন্ধিয়া স্থানীয় নালিয়াপুল কবৰস্থানত অনেক গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। আলীৰ বিয়োগত নালিয়াপুল মছজিদ কমিটী, নালিয়াপুল মোছাফিৰ থানা কমিটীৰ সভাপতি সম্পাদক, ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি আৰু সম্পাদক, সমাজকৰ্মী লেখক এম হাছিম আলীয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা প্ৰকাশ কৰে।

শ্ৰমিক নেতা অপূৰ্ব দাসৰ প্ৰথম মৃত্যুবাৰ্ষিকী উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৫ জুলাই ঃ কামৰূপ জিলাৰ বংশৰ গাঁৱৰ প্ৰয়াত শ্ৰমিক নেতা অপূৰ্ব কুমাৰ দাসৰ প্ৰথম মৃত্যু বাৰ্ষিকী কালি (১৪ জুলাই) দিনজোৱা কাৰ্যসূচীৰ বংশৰ পাঠিয়াচুবাৰ নিজ বাসগৃহত অনুষ্ঠিত হৈ যায়। অৱসৰপ্ৰাপক কৰ্মচাৰী দেৱেন্দ্ৰ নাথ কাকতিৰ সভাপতিত্বত দিনৰ ১০ বজাৰ পৰা আৰম্ভ হোৱা স্মৃতিচাৰণ সভাত প্ৰয়াত অপূৰ্ব দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বংশৰ গাঁও পঞ্চায়তৰ সভাপতি ঋষভ চন্দ্ৰ বৈশ্যই। প্ৰয়াত দাসৰ কন্যা মিতুমণি দাসৰ সম্পাদনাত প্ৰকাশ হোৱা 'জীৱন মানেই মৃত্যুলৈ যাত্ৰা' শীৰ্ষক সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ কনক দাসে। শিক্ষক ধৰণীধৰ দাসে আঁত ধৰা স্মৃতি সভাত প্ৰয়াত অপূৰ্ব দাসৰ স্মৃতি ৰোমন্থন কৰি বক্তব্য আগবঢ়াই দুই নম্বৰ পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মনোৰঞ্জন দাস, শিক্ষক সনাতন বৈশ্য, সমাজকৰ্মী ভূপেন কলিতা, শিক্ষক নিত্যানন্দ নাথ, পিতৰাম দাস আদিয়ে। সভাত বংশৰ গ্ৰাহক সমবায় ভাণ্ডাৰ সমিতিৰ বিষয়ববীয়াৰ লগতে গাঁওখনৰ নেতৃস্থানীয় ব্যক্তিসকল উপস্থিত থাকে। সন্ধিয়া সামূহিক বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে প্ৰয়াত দাসৰ ধৰ্মপত্নী জোনালী দাসে। নিশা লোকপৰিবেশ্য কলা নাগাৰা নাম অনুষ্ঠিত হয়।

স্মৃতিগ্ৰন্থ উন্মোচন

পঞ্চায়ত আইন কাৰ্যকৰী হ'বই লাগিব

■ অচিৰেই কাঁহিকুছি বজাৰক আধুনিক বজাৰলৈ উন্নীত কৰাৰ চিন্তা-চৰ্চা

অগ্ৰদূত বাৰ্তা

আজাৰা, ১৫ জুলাই ঃ মহানগৰীৰ পশ্চিম প্ৰান্তৰ আজাৰা অঞ্চলৰ কাঁহিকুছি বজাৰখন অচিৰেই এখন উন্নতমানৰ বজাৰলৈ উন্নীত কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে। এই ক্ষেত্ৰত পঞ্চায়ত অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ বাবে পঞ্চায়ত আইন কাৰ্যকৰী হ'বই লাগিব বুলি পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই উল্লেখ কৰে। কালি কাঁহিকুছি বজাৰত বজাৰ উন্নয়ন সমিতিৰ তৰফৰ পৰা পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাক দিয়া এক স্মাৰকপত্ৰ গ্ৰহণ কৰি বিধায়ক কলিতাই কয় যে বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ আদানী গ্ৰুপৰ অধীনলৈ যোৱাৰ পাছৰে পৰা কাঁহিকুছি বজাৰৰ প্ৰতি তীব্ৰ ভাবুকি আহি পৰিছে। এনে ক্ষেত্ৰত কাঁহিকুছি বজাৰখনক এক উন্নতমানৰ বজাৰলৈ উন্নীত কৰিব নোৱাৰিলে কাঁহিকুছিকে ধৰি ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ জীৱন-জীৱিকাৰ প্ৰতি তীব্ৰ ভাবুকি আহি পৰিব। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে কাঁহিকুছি বজাৰখন গাঁও পঞ্চায়ত অঞ্চলৰ ভিতৰতে থকা এখন অতি গুৰুত্বপূৰ্ণ বজাৰ। জিলা পৰিষদৰ দ্বাৰা নিবিদাৰ জৰিয়তে উক্ত বজাৰখন মহলদাৰক আৱণ্টন দিয়া হয়। বিগত ২০১৯-২০ আৰু ২০২০-২১ ত ১০,৩৩,০০০, ২০২১-২২ত ১০,২৪,০০০ টকা আৰু ২০২২-২৩ত ১০,১১,০০০ টকা নিবিদাৰে সংগ্ৰহ কৰা হৈছে। ইয়াৰ বিপৰীতে জিলা পৰিষদৰ জৰিয়তে বজাৰখনৰ উন্নয়নৰ ক্ষেত্ৰত একো কামেই নকৰিলে। অথচ পঞ্চায়ত আইন মতে উক্ত ধনৰ ৪০ শতাংশ আঞ্চলিক পঞ্চায়ত আৰু ২০ শতাংশ গাঁও পঞ্চায়তক দিব লাগে। দুৰ্ভাগ্যৰ কথা যে এনে নিয়ম কাৰ্যকৰী হোৱা নাই। এই ক্ষেত্ৰত পঞ্চায়ত অঞ্চলত পঞ্চায়ত আইন কাৰ্যকৰী হ'বই লাগিব বুলি তেওঁ দাবী কৰে। উল্লেখ্য যে কাঁহিকুছি বজাৰত বজাৰ উন্নয়ন সমিতিৰ সভাপতি তপন জখৰীয়াৰ সভাপতিত্ব অনুষ্ঠিত সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ তদাৰক সমিতিৰ সদস্য সুভাষ শৰ্মা, ৰাণী উন্নয়ন খণ্ড বিষয়া জয়ন্ত কলিতা, ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মন, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া আদি কৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে কাঁহিকুছি বজাৰৰ উন্নয়ন সন্দৰ্ভত বক্তব্য ৰাখে। সভাৰ আৰম্ভণিতে কাঁহিকুছি বজাৰ উন্নয়ন সমিতিৰ হৈ সভাপতি আৰু সম্পাদক ক্ৰমে তপন জখৰীয়া আৰু কমলেশ্বৰ হালৈয়ে বিধায়কজনক এক স্মাৰকপত্ৰ প্ৰদান কৰে।

ডিজিটেল সংবাদ মাধ্যমক নাকী কেন্দ্ৰৰ

এক পৃষ্ঠাৰ পৰা প্ৰেছ মহাপঞ্জীয়কৰ কাৰ্যালয়ত। আইন বিৰুদ্ধ যিকোনো ধৰণৰ কাৰ্যকলাপৰ বিৰুদ্ধে মহাপঞ্জীয়কে ব্যৱস্থা ল'ব পৰাকৈ কৰ্তৃত্বশালী হ'ব। তেওঁ প্ৰয়োজন হ'লে পঞ্জীয়ন নিলম্বন অথবা বাতিলো কৰিব পাৰিব আৰু অন্যান্য শাস্তিও বিহিব পাৰিব। ইয়াৰ বাবে এখন এপিলেট ব'ৰ্ড গঠনৰো পৰিকল্পনা কৰা হৈছে। এই ব'ৰ্ডৰ মুৰব্বী হ'ব প্ৰেছ কাউঞ্চিল অব্ ইণ্ডিয়াৰ অধ্যক্ষ। সম্প্ৰতি বিধেয়কখন প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত আৰু অন্যান্য অংশীদাৰৰ কাৰ্যালয়ত বিবেচনাধীন হৈ আছে বুলি সূত্ৰত প্ৰকাশ। সংশোধনীৰ জৰিয়তে ডিজিটেল সংবাদ মাধ্যম তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ নিয়ন্ত্ৰণাধীন হ'ব। উল্লেখ্য যে ২০১৯ত এনে এক নিয়ন্ত্ৰণৰ চেষ্টাৰ বাবে বিতৰ্কৰ সৃষ্টি হৈছিল।

১৯৯৯ত নিযুক্ত ৩০২ শিক্ষকক

এক পৃষ্ঠাৰ পৰা আৰু মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি লাভ কৰা শিক্ষকসকল ২০০৩ত বিটিচিত অন্তৰ্ভুক্ত হয় আৰু বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হয়। আনহাতে, ২০০৮ত চৰকাৰে শিক্ষকসকলক বৰ্খাস্ত কৰে যদিও ২০১৫ত ন্যায়ালয়ৰ আদেশত পুনৰ তেওঁলোকক সংস্থাপিত কৰে। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে দুটা দশক অতিক্ৰম কৰাৰ পাছত আজি তেওঁলোকে নিয়মীয়াকৰণৰ পত্ৰ লাভ কৰে। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা শিক্ষা বিভাগৰ দায়িত্বত থকা প্ৰমোদ বড়োৱে আজি নিয়মীয়াকৰণৰ পত্ৰসমূহ বিতৰণ কৰে।

এই উপলক্ষে আজি কোকৰাঝাৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্যজনে প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক নিয়মীয়াকৰণৰ পত্ৰ বিতৰণ কৰে। অনুষ্ঠানৰ অন্তত বড়োৱে কয় যে বিভিন্ন ঘাত-প্ৰতিঘাতেৰে সময় পাৰ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আজিৰে চাকৰিৰ পৰা নিয়মীয়াকৰণ হ'ল। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি বিটিচিত অতি সোনকালেই বিশেষ টে'ট অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ সদৰী কৰে। বিশেষ টে'ট পতাৰ বাবে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু অতি সোনকালেই এই প্ৰক্ৰিয়া সমাপ্ত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কয় যে বিশেষ টে'ট অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীৰ স'তে আলোচনা অনুষ্ঠিত হৈছে আৰু অতি সোনকালেই দিন ঘোষণা কৰা হ'ব। ইপিনে, বিটিআৰৰ বহু প্ৰাথমিক বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি আছে আৰু কিছুমান বিদ্যালয় শিক্ষকবিহীনভাৱে চলি আছে বুলি উল্লেখ কৰি টে'ট নিযুক্তিৰ দ্বাৰাই সমস্যাবোৰ সমাধান কৰা হ'ব বুলি সদৰী কৰে মুখ্য কাৰ্যবাহী সদস্যজনে। তেওঁ কয় যে বিটিআৰত এতিয়া শান্তি আহিছে আৰু সেয়েহে এতিয়া শিক্ষা আৰু জীৱন ধাৰণৰ প্ৰণালী উন্নত কৰাৰ বাবে প্ৰশাসনে পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি বিজ্ঞান শিক্ষাক অধিক প্ৰসাৰিত কৰাৰ বাবেও প্ৰচেষ্টা হাতত লোৱা হৈছে। ইয়াৰ উপৰি আইএএছ, আইআইটি, মেডিকেল আদি পৰীক্ষাত সফলতা লাভ কৰিবৰ বাবে ল'ৰা-ছোৱালী নিৰ্বাচন কৰি বিনামূলীয়া কোচিঙৰ ব্যৱস্থা কৰা হৈছে বুলি সদৰী কৰে বড়োৱে। আনহাতে, অইন অইন বিভাগতো তিনিমাহৰ ভিতৰত নিযুক্তি সম্পন্ন হ'ব বুলি সদৰী কৰিছে বড়োৱে।

এক লাখ ধাৰলৈ দি বৃক্ক বিক্ৰী কৰাই

এক পৃষ্ঠাৰ পৰা লাখ টকা। এই বাতৰিয়ে এতিয়া সকলোৰে চকু কপালত তুলিছে। ৰাজ্য কঁপাই যোৱা ডিব্ৰুগড়ৰ উদীয়মান যুৱক বিনীত বাগাৰিয়াৰ আত্মহত্যাৰ অন্যতম অভিযুক্ত বইদুল্লাৰ জীৱন কুণ্ডলীত যেন এইবাৰ বাৰুকৈয়ে পাক লাগিছে। সুদূৰ আফগানিস্তানৰ কাবুলৰ নাগৰিক সুদখোৰ আব্দুলা খান ওৰফে আমিৰ খানৰ পুত্ৰ বইদুল্লা বিনীতৰ আত্মহত্যাৰ অন্যতম অভিযুক্ত বুলি সৰ্বত্ৰে প্ৰচাৰ হোৱাৰ পাছত এইবাৰ বাতৰিৰ শিৰোনামালৈ আহিছে বইদুল্লাৰ লগতে তেওঁৰ ভগ্নী চায়েৰাৰ নাম। পিতৃ আৰু ভ্ৰাতৃৰ পদাংক অনুকৰণ কৰিয়েই চায়েৰাই দিছিল সুদলৈ ধন আৰু সেই ধন সময়ত পৰিশোধ নকৰিলে চায়েৰাইও হত্যাৰ ভাবুকি দিয়া, পৰিয়াল নিঃশেষ কৰি দিয়া, বুলড'জাৰেৰে দি ঘৰ ভাঙি পেলোৱাৰ ভাবুকি দিয়াৰ ঘটনাও পোহৰলৈ আহিছে। ঋণ লোৱা মহিলাগৰাকীয়ে সময়ত টকা পৰিশোধ কৰিব নোৱৰাত চিনেমাৰ কায়দাৰে গৈ ভাবুকি দিয়া কাৰ্যই এতিয়া ব্যাপক চৰ্চা লভিছে। তাতোকৈয়ো হৃদয় কঁপোৱা ঘটনা এয়ে যে মহিলাগৰাকীয়ে চায়েৰাৰ পৰা ধাৰে লোৱা ধন ঘূৰাব নোৱাৰি অৱশেষত নিজৰ বৃক্ক বিক্ৰী কৰি টকা ঘূৰাই দিবলগীয়া হোৱাৰ বিষয়টোৱে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

উল্লেখ্য যে ডিব্ৰুগড়ৰ কমৰুদ্দিন আহমেদৰ পত্নী মিনু বেগমে এক লাখ টকা লৈ অৱশেষত নিজৰ বৃক্ক বিক্ৰী কৰি বইদ্দুলাৰ ভগ্নী চায়েৰাক মুঠ তিনি লাখ ৫০ হেজাৰ টকা সুদে-মূলে ঘূৰাই দিছিল। ভুক্তভোগী মহিলাগৰাকীয়ে আজি সাংবাদিকৰ আগত কয় যে সন্তানৰ পঢ়াৰ খৰচৰ বাবে মাজে-সময়ে চায়েৰাৰ পৰা অলপ অলপকৈ টকা লৈছিল। এনেদৰে লওঁতে প্ৰায় এক লাখ টকা হৈছিল। মাজে-সময়ে ঘূৰাই আছিল যদিও সকলো টকা একে সময়তে লাগে বুলি কৈ দেহা বিক্ৰী, বৃক্ক বিক্ৰী কৰি হ'লেও টকা লাগে বুলিও ভাবুকি দিছিল বুলিও তেওঁ সদৰী কৰিছে। মিনুৰ স্বামী কমৰুদ্দিন আহমেদকো বুকুত ধৰি মুখত ঘূচিয়াই আৰক্ষী, উকীল সকলো চায়েৰাৰ জেপত বুলিও দম্ভ মাৰি বুলড'জাৰ লগাই ঘৰ ভাঙি দিয়াৰ ভাবুকি দিছিল। সেয়ে আৰক্ষীক গোচৰ দিয়াৰ পাছতো তেতিয়া ডিব্ৰুগড় আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰে কমৰুদ্দিনে। স্থানীয় প্ৰতিবেশীসকলে একেমুখে চায়েৰাৰ আতিশয্যৰ বিষয়ে মুকলিকৈ প্ৰকাশ কৰি বৃক্ক বিক্ৰী কৰি লাভ কৰা সমুদায় টকা চায়েৰাক ঘূৰাই দিয়াৰ বিষয়ে উল্লেখ কৰে। বইদ্দুলাৰ দৰেই চায়েৰাই পিতৃ-ভ্ৰাতৃৰ পদাংক অনুকৰণ কৰি আন এক ক'লা সাম্ৰাজ্য গঢ়ি তুলিছিল। ডিব্ৰুগড় আৰক্ষীয়ে অভিযুক্ত বইদ্দুলাক দুদিনৰ জিম্মালৈ আনিছিল যদিও এনে বিভিন্ন অভিযোগ সন্দৰ্ভত কিমান কি ধৰণে তদন্ত কৰিলে, নামে-বেনামে ক'ত কিমান সম্পত্তি গঢ়িলে বিশেষ তদন্ত নকৰাৰ অভিযোগ উত্থাপিত হৈছে। আৰক্ষীয়ে উচিত তদন্ত কৰিলে সুদূৰ আফগানিস্তানৰ পৰা আহি দম-দাদাগিৰীৰে সাম্ৰাজ্য গঢ়ি তোলা বৈদ্দুলা পৰিয়ালৰ বহু কু-কীৰ্তি পোহৰলৈ আহিব।

চাৰি বছৰে পৰি ৰ'ল ৬৭ মহাবিদ্যালয়ত

এক পৃষ্ঠাৰ পৰা সঞ্চালকালয় কাৰ্যালয়ৰ পৰা সংশ্লিষ্ট মহাবিদ্যালয়বোৰৰ অধ্যক্ষলৈ সেই সম্পৰ্কে জাননী প্ৰেৰণ কৰা হয়। তদানীন্তন উচ্চ শিক্ষা সঞ্চালক এ শইকীয়া বৰুৱাই পি চি/এইছ ই এম আই এছ চি/৭২/২০১৮/৫৪ নম্বৰত প্ৰেৰণ কৰা উক্ত জাননীৰ জৰিয়তে অধ্যক্ষসকলক বি এড পাঠ্যক্ৰম আৰম্ভ কৰাত প্ৰয়োজনীয় পদক্ষেপ তৎকালে গ্ৰহণ কৰিবলৈ জনোৱা হয়। কিন্তু সেই জাননী আজিলৈকে জাননী হৈয়ে থাকিল। পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰৱৰ্তী ব্যৱস্থাসমূহ চৰকাৰে আগনবঢ়োৱাত আজিলৈকে সেইবোৰত বি এড শিক্ষা আৰম্ভ নহ'ল। এই সন্দৰ্ভত কে'বাখনো মহাবিদ্যালয়ৰ অধ্যক্ষৰ সূত্ৰই জনায় যে তেওঁলোকক পাঠ্যক্ৰম আৰম্ভ কৰাৰ পদক্ষেপ গ্ৰহণৰ যি জাননী দিয়া হৈছিল সেই অনুসৰি ব্যৱস্থা লোৱা হয়। কিন্তু উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থাসমূহ গ্ৰহণ কৰা নহ'ল। অথচ শিক্ষাবৃত্তিত বি এড পাঠ্যক্ৰম বাধ্যতামূলক। ৰাজ্যত অতি সীমিত সংখ্যক শিক্ষানুষ্ঠানতহে এই পাঠ্যক্ৰম আছে। বি এড পাঠ্যক্ৰম আৰম্ভ কৰাৰ জাননী প্ৰেৰণ কৰা মহাবিদ্যালয়সমূহ হ'ল— গোৰেশ্বৰ মহাবিদ্যালয়, বৰমা মহাবিদ্যালয়, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা হাউলী মহাবিদ্যালয়, নৰজ্যোতি মহাবিদ্যালয়, বৰনগৰ মহাবিদ্যালয়, বি বি কে মহাবিদ্যালয়, বিশ্বনাথ মহাবিদ্যালয়, অভয়াপুৰী মহাবিদ্যালয়, সোণাৰি মহাবিদ্যালয়, বিজনী মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, ধেমাজি মহাবিদ্যালয়, বি এন মহাবিদ্যালয়, বিলাসীপাৰা মহাবিদ্যালয়, ডিফু মহাবিদ্যালয়, দুলীয়াজান মহাবিদ্যালয়, নামৰূপ মহাবিদ্যালয়, ডিফু চৰকাৰী মহাবিদ্যালয়, গোৱালপাৰা মহাবিদ্যালয়, দুধনৈ মহাবিদ্যালয়, ডি আৰ মহাবিদ্যালয়, লামডিং মহাবিদ্যালয়, ডি চি বি ছোৱালী মহাবিদ্যালয়, মৰিয়নি মহাবিদ্যালয়, বাহনা মহাবিদ্যালয়, কাকজান মহাবিদ্যালয়, এন এন শইকীয়া মহাবিদ্যালয়, আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়, বি বৰুৱা মহাবিদ্যালয়, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী মহাবিদ্যালয়, পাণ্ডু মহাবিদ্যালয়, লোলিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, উত্তৰ গুৱাহাটী মহাবিদ্যালয়, এছ বি এম এছ মহাবিদ্যালয়, জে এন মহাবিদ্যালয়, বি পি চলিহা মহাবিদ্যালয়, ডিমৰীয়া মহাবিদ্যালয়, ডি কে মহাবিদ্যালয়, ৰঙিয়া মহাবিদ্যালয়, পূব কামৰূপ মহাবিদ্যালয়, গোসাঁইগাঁও মহাবিদ্যালয়, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, লখিমপুৰ ছোৱালী মহাবিদ্যালয়, উত্তৰ লখিমপুৰ মহাবিদ্যালয়, এল টি কে মহাবিদ্যালয়, ঢকুৱাখনা মহাবিদ্যালয়, মাজুলী মহাবিদ্যালয়, মৰিগাঁও মহাবিদ্যালয়, জাগীৰোড মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয়, এ ডি পি মহাবিদ্যালয়, ধিং মহাবিদ্যালয়, কলিয়াবৰ মহাবিদ্যালয়, বৰভাগ মহাবিদ্যালয়, টিহু মহাবিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়, মৰাণ মহাবিদ্যালয়, গড়গাঁও মহাবিদ্যালয়, শিৱসাগৰ মহাবিদ্যালয়, দৰং মহাবিদ্যালয়, টি এইছ বি মহাবিদ্যালয়, এল অ' কে ডি মহাবিদ্যালয়, ডিগবৈ মহাবিদ্যালয় আৰু টংলা মহাবিদ্যালয়। জাননীখনত বি এড পাঠ্যক্ৰম আৰম্ভ কৰাৰ অনুমোদন উচ্চ শিক্ষা সঞ্চালকালয়ে দিয়াৰ পাছত মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলক প্ৰয়োজনীয় অনুমতি গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ জনোৱা হৈছিল। সেই অনুসৰি, অধ্যক্ষসকলে ব্যৱস্থা গ্ৰহণ কৰে; কিন্তু আকস্মিকভাৱে সমগ্ৰ প্ৰক্ৰিয়াটোত স্থৱিৰতা আহি পৰে। এই সন্দৰ্ভত অধ্যক্ষৰ সূত্ৰই কয় যে চৰকাৰে অনুমোদন দিলেও তাৰ বাবে আন্তঃগাঁথনি গঢ়ি তোলাৰ কোনো ব্যৱস্থা নল'লে। ফলস্বৰূপে অনুমতি লাভত বাধাৰ সৃষ্টি হয়। অৰ্থাৎ চৰকাৰে সিদ্ধান্তটো লৈ নিজেই দায়িত্ব পালনত পিছহোঁহকে। তাৰ পৰিণতিতে এই অৱস্থাৰ সৃষ্টি হৈছে।

২২ জিলাত আফ্ৰিকান ছোৱাইন জ্বৰৰ

এক পৃষ্ঠাৰ পৰা স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিলহে মাথোঁ; শেহতীয়া বানৰ পাছতে পুনৰ এই ৰোগৰ সংক্ৰমণ দ্ৰুতহাৰত বৃদ্ধি পোৱাত ৰাজ্যখনৰ ২২খন জিলাতে পালকসকলৰ মাজত এক হাহাকাৰ পৰিস্থিতি সৃষ্টি হৈছে। উল্লেখ্য যে আফ্ৰিকান ছোৱাইন জ্বৰৰ ফলত ইতিমধ্যে ৰাজ্যত ৪০,১৫৯টা গাহৰিৰ মৃত্যু হৈছে বুলি পশুপালন বিভাগে তথ্য সদৰী কৰিছে। ২২খন জিলাৰ ৬৬টা উপ-কেন্দ্ৰত এই উল্লিখিত সংখ্যাৰ গাহৰি আফ্ৰিকান ছোৱাইন জ্বৰত আক্ৰান্ত হৈ মৃত্যু হৈছে বুলি বিভাগে তথ্য সদৰী কৰি কয় যে এই ৰোগত আক্ৰান্ত হৈ গাহৰিৰ মৃত্যু হোৱাত সৰ্বাধিক ক্ষতিগ্ৰস্ত জিলা হৈছে ধেমাজি। জিলাখনত বৰ্তমানলৈ ২৩,৯৯০টা গাহৰি এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে; য'ত ৭,৬৪৩টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে বুলি তথ্যত প্ৰকাশ পাইছে। তথ্য অনুসৰি, এই ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে মাজুলীত দ্বিতীয় সৰ্বাধিক ৪,৩৭৫ টা, ডিব্ৰুগড়ত ২,২৫৫টা, শিৱসাগৰত ২,০৯৩টা, গোলাঘাটত ১,৯৯২টা, লখিমপুৰত ১,১৮৭টা, বিশ্বনাথত ১,১৪০টা, কামৰূপ গ্ৰাম্যত ৫৭৩টা, কাৰ্বি আংলঙত ৫৭০টা, পশ্চিম কাৰ্বি আংলঙত ২৯৮টা, দৰঙত ২৮৫টা, শোণিতপুৰত ২৭৭টা, মৰিগাঁৱত ২৩৩টা, বঙাইগাঁৱত ১৮২টা, ওদালগুৰিত ১৪১টা, বাগ্সাত ১১৮টা গাহৰিৰ মৃত্যু হৈছে। ইয়াৰ উপৰি গোৱালপাৰাত ৯৩টা, কামৰূপ মহানগৰত ৯০টা, যোৰহাটত ৮৫টা, তিনিচুকীয়াত ৮০টা, চৰাইদেউত ৭২টা আৰু নলবাৰীত ৩০টা গাহৰি আফ্ৰিকান ছোৱাইন জ্বৰত আক্ৰান্ত হৈ মৃত্যু হৈছে বুলি বিভাগে তথ্য দাঙি ধৰিছে।

ইফালে, ১৯২১ত গাহৰিৰ দেহত চিনাক্ত হোৱা তথা ২০২০ত অসমত প্ৰাদুৰ্ভাৱ ঘটা এই মাৰাত্মক ভাইৰাছৰ প্ৰতিষেধক বৰ্তমানলৈ উদ্ভাৱন নোহোৱাত ইয়াৰ সংক্ৰমণ ৰোধ কৰিবলৈ সংশ্লিষ্ট বিভাগে আক্ৰান্ত গাহৰি নিধন প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। এই সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত পশুপালন মন্ত্ৰী অতুল বৰাই বানপানীৰ পাছতে ৰাজ্যখনত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ দ্ৰুতহাৰত বৃদ্ধি হোৱাৰ কথা স্বীকাৰ কৰি ইয়াক ৰোধ কৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত চিকিৎসক তথা বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহা বুলি কয়। উল্লেখ্য যে চলিত বৰ্ষৰ ১১ জুলাইলৈ পশুপালন বিভাগে এই ৰোগত আক্ৰান্ত ১,১৮১টা গাহৰি নিধন কৰি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। নিধন কৰা এই গাহৰিসমূহৰ পৰা যাতে সংক্ৰমণ বিয়পিব নোৱাৰে, গাহৰিৰ মৃতদেহসমূহ ছফুট দ' গাঁতত ৰাসায়নিক দ্ৰব্য দি পুতি পেলোৱা হৈছে। বিভাগে সদৰী কৰা তথ্য অনুসৰি, এই ৰোগত আক্ৰান্ত সৰ্বাধিক ৩৭৯টা গাহৰি কাৰ্বি আংলং জিলাত নিধন কৰা হৈছে। ইয়াৰ উপৰি ওদালগুৰিত ২৩৬টা, কামৰূপ গ্ৰাম্যত ১৫৩টা, মহানগৰত ১০৮টা, দৰঙত ১০৩টা, বিশ্বনাথত ৭০টা, বাগ্সাত ৪৪টা, গোৱালপাৰাত ৪০টা, মৰিগাঁৱত ১৯টা, মাজুলীত ১০টা, ডিব্ৰুগড়ত নটা , চৰাইদেউত আঠটা আৰু শোণিতপুৰত দুটা এই ৰোগত আক্ৰান্ত গাহৰি নিধন কৰা হৈছে বুলি বিভাগে সদৰী কৰা তথ্যত প্ৰকাশ পাইছে। সমান্তৰালভাৱে আফ্ৰিকান ছোৱাইন জ্বৰৰ সংক্ৰমণ ৰোধ কৰাৰ লক্ষ্যৰে চৰকাৰীভাৱে নিধন কৰা গাহৰিসমূহৰ ক্ষতিপূৰণ পালকসকলে লাভ কৰিব বুলি বিভাগীয় মন্ত্ৰী বৰাই মন্তব্য কৰি বহু পালকে এনে ৰোগত আক্ৰান্ত গাহৰি নিধন কৰিবলৈ নিদি লুকাই ৰখা হয় বুলি অভিযোগ কৰে। প্ৰায় ২১ লাখ গাহৰিৰ জনসংখ্যা থকা তথা ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াই অহা এই উদ্যোগটোক এই মাৰাত্মক ভাইৰাছৰ পৰা বচাবলৈ হ'লে পালকসকল অতি সজাগ হ'ব লাগিব বুলি মন্ত্ৰী বৰাই সদৰী কৰি কয়, 'গাহৰিৰ দেহত সংক্ৰমিত এই মাৰাত্মক বীজাণুৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ বাবে যাৱতীয় সকলো পদক্ষেপ ক্ষিপ্ৰতাৰে গ্ৰহণ কৰা হৈছে। চিকিৎসকৰ দলে আক্ৰান্ত জিলাসমূহত চৰজমিন নিৰীক্ষণ অব্যাহত ৰাখিছে। সজাগতামূলক অভিযানৰ ওপৰতো অধিক গুৰুত্ব আৰোপ কৰা হৈছে। এই ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ বাণিজ্যিক নাইবা পৰম্পৰাগতভাৱে পালন কৰি অহা গাহৰিসমূহ আছুতীয়াকৈ ৰখাৰ পৰামৰ্শ দিয়া হৈছে। অধিক সংক্ৰমিত অঞ্চল প্ৰয়োজনত কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰিবলৈ নিৰ্দেশ প্ৰেৰণ কৰা হৈছে।'

উল্লেখ্য যে অসমত প্ৰথম জোনাইত এই ভাইৰাছৰ লক্ষণ দেখা দিয়াৰ পাছত ক্ৰমান্বয়ে প্ৰথমে ছখন জিলাত আৰু সম্প্ৰতি ২২ খন জিলালৈ ইয়াৰ সংক্ৰমণ বৃদ্ধি হৈছে। প্ৰতিখন জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট বিভাগে এই ভাইৰাছক প্ৰতিৰোধ কৰিবলৈ অক্লান্ত সেৱা আগবঢ়াই অহা বুলি মন্ত্ৰী বৰাই সদৰী কৰি মৃত্যু হোৱা গাহৰি যাতে নদী বা মুকলি স্থানত পেলাই নিদি দ' গাঁত খান্দি পুতি থবলৈ বা সংশ্লিষ্ট পশু পালন বিভাগক খবৰ দিবলৈ ৰাইজক গোহাৰি জনাইছে।

নগাঁও জিলাত বৃদ্ধি পাইছে জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ অবিভক্ত নগাঁও জিলা (নগাঁও-হোজাই)ত শেহতীয়াকৈ জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। অবিভক্ত জিলাখনত জাপানীজ এনকেফেলাইটিছৰ সংক্ৰমণ বৃদ্ধি পোৱাত উদ্বিগ্ন হৈ পৰিছে জিলা স্বাস্থ্য বিভাগ। উল্লেখ্য যে যোৱা ১৩ জুলাইলৈকে এই ৰোগত জিলাখনৰ মুঠ ১৬ গৰাকী লোক আক্ৰান্ত হৈছিল যদিও আজি পৰ্যন্ত এই ৰোগত আক্ৰান্তৰ সংখ্যা ২১ জনলৈ বৃদ্ধি পাইছে। শেহতীয়াকৈ জিলাখনৰ জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত লোককেইগৰাকী হৈছে পানীখাইটিৰ নিজামুদ্দিন, সঁতিৰপাৰৰ মণিৰুল হুছেইন, পূৰ মুকুন্দআটিৰ ৰজিনা খাতুন, ডিমৌ শালমৰাৰ জীৱন চন্দ্ৰ বৰুৱা আৰু দৰঙীয়ালৰ জিতেন চন্দ্ৰ বৰা। ইয়াৰে ৰজিনা খাতুনক চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছে যদিও আন কেইজনে চিকিৎসাধীন অৱস্থাতে আছে। তেওঁলোকে ক্ৰমাৎ সুস্থ হৈ পৰিছে বুলি জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে। ইপিনে, ১৩ জুলাইৰ ভিতৰত জিলাখনৰ জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত তিনিগৰাকী লোকৰ লোকৰ মৃত্যু হয়। জুনৰ পৰা নগাঁও জিলাত সংক্ৰমণ হোৱা এই ৰোগত জিলাখনত সাত জুলাইৰ ভিতৰত ১২ জন লোক আক্ৰান্ত হৈছিল। সাত জুলাইৰ পাছত পুনৰ আন চাৰিজন লোক এই ৰোগত আক্ৰান্ত হৈছে। জিলাখনত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱাৰ বাবে নগাঁও জিলা মেলেৰীয়া বিভাগে এই ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি এই ৰোগ প্ৰতিৰোধৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে সহস্ৰাধিক সজাগতা সভা, ফ'গিং দিয়া, আঠুৱাত ঔষধিকৰণ কৰা আদি ব্যৱস্থা ৰূপায়ণ কৰিছে বুলি জিলা মেলেৰিয়া বিভাগে জনাইছে ।

গুৱাহাটী ৰেল ষ্টেছনত ৫০ লাখ

এক পৃষ্ঠাৰ পৰা ধৃত সৰবৰাহকাৰীজন দিল্লীৰ বিশাল সুখদেউ বুলি আৰক্ষীয়ে সদৰী কৰিছে। ধৃত সৰবৰাহকাৰীজনৰ পৰা পল্টনবজাৰ ৰেল আৰক্ষীয়ে ৮২২ গ্ৰাম চোৰাং সোণ জব্দ কৰে। উল্লেখ্য যে জব্দকৃত সোণখিনি ম্যানমাৰৰ পৰা দিল্লীলৈ সৰবৰাহৰ চেষ্টা কৰিছিল ধৃত লোকজনে। আৰক্ষীয়ে প্ৰাথমিক তদন্তত লাভ কৰা তথ্য অনুসৰি, ধৃত যুৱকজনে ম্যানমাৰৰ পৰা সোণখিনি লৈ যোৰহাটত উপস্থিত হৈছিল আৰু যোৰহাটৰ পৰা নৈশ বাছৰে গুৱাহাটীত উপস্থিত হৈছিল। গুৱাহাটীত উপস্থিত হৈ ধৃত লোকজনে ৰাজধানী এক্সপ্ৰেছৰ জৰিয়তে দিল্লীলৈ যোৱাৰ উদ্দেশ্যে পল্টনবজাৰ ৰেল ষ্টেছনত উপস্থিত হয়। তেতিয়াই এক গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে চলোৱা অভিযানত সোণসহ জালত পৰে সৰবৰাহকাৰীজন। উল্লেখ্য যে আৰক্ষীৰ চকুত ধূলি দিয়াৰ লক্ষ্যৰে অতি কৌশলেৰে লোকজনে চোৰাং সোণখিনি দিল্লীলৈ সৰবৰাহৰ চেষ্টা কৰিছিল। প্ৰায় ৫০ লাখ টকাৰ মূল্যৰ ১৩খন সোণৰ বিস্কুট গলাই দুডাল স্কেলৰ আকৃতি দিয়া হৈছিল। এই স্কেল আকৃতিৰ ৰূপত প্ৰস্তুত কৰা সোণখিনি ধৃত যুৱকজনে পেণ্টৰ বেল্টৰ স'তে সংযুক্ত কৰি সৰবৰাহৰ চেষ্টা কৰিছিল। কিন্তু পল্টনবজাৰ ৰেল আৰক্ষীৰ তীক্ষ্ণ নজৰত যুৱকজন বিফল হয় আৰু সোণসহ যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সম্প্ৰতি অধিক তথ্যৰ সন্ধানত মাৰাথন জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ধৃত যুৱকজন দীৰ্ঘদিন ধৰি সোণ সৰবৰাহৰ লগত জড়িত থকাৰ তথ্য লাভ কৰিছে তদন্তকাৰী আৰক্ষীয়ে। অৱশ্যে এই সোণৰ প্ৰকৃত গৰাকী বেলেগ তথা ধৃতই বৃহৎ ধনৰ বিনিময়ত এটা স্থানৰ পৰা আনটো নিৰ্দিষ্ট স্থানলৈ কেৱল সৰবৰাহৰ দায়িত্বহে পালন কৰে বুলি আৰক্ষীয়ে সদৰী কৰিছে। আজি জব্দকৃত সোণখিনিৰ গৰাকী দিল্লীৰ এজন সোণ ব্যৱসায়ীৰ বুলি প্ৰাথমিক তদন্তৰ ভিত্তিত সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে।

ৰাজ্যত দুজন লোক ছোৱাইন

এক পৃষ্ঠাৰ পৰা কেশৱ মহন্তই দুজন লোকৰ দেহত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰাৰ কথা নিশ্চিত কৰিছে। উল্লেখ্য যে ক'ভিডৰ সমান্তৰালভাৱে গাহৰিৰ দেহত সংক্ৰমিত হোৱা আফ্ৰিকান ছোৱাইন ফ্লু'ৰে ৰাজ্যখনত অব্যাহত ৰখা সন্ত্ৰাসৰ সমান্তৰালভাৱে মানৱ দেহত এনে ভাইৰাছৰ উপস্থিতিৰে আতংক দুগুণে বৃদ্ধি কৰিছে। ইতিমধ্যে এই ৰোগৰ সন্দেহত কে'বাজনো ৰোগী চিকিৎসাধীন হৈ আছে আৰু ইয়াৰ দুজনৰ দেহত উপস্থিতি ধৰা পৰাৰ পাছতে চিন্তিত হৈ পৰিছে সংশ্লিষ্ট সকলো পক্ষ। উল্লেখ্য যে 'ছোৱাইন ফ্লু' বা 'ইনফ্লুৱেঞ্জা' আৰম্ভণিতে গাহৰিৰ পৰা মানুহৰ দেহলৈ সংক্ৰমণ তথা ২০০৯ত মেক্সিকোত মানৱ দেহত প্ৰথম এই ভাইৰাছৰ উপস্থিতি ধৰা পৰা বুলি তথ্য পোৱা যায়। এই ৰোগবিধ সৃষ্টি কৰা ভাইৰাছ গাহৰিৰ ইনফ্লুৱেঞ্জা কৰা ভাইৰাছৰ স'তে একেই বাবে ইয়াক 'ছোৱাইন ফ্লু' বুলি কোৱা হৈছিল আৰু বিভিন্ন দেশত এই ৰোগবিধ 'পিগ ইনফ্লুৱেঞ্জা', 'হেগ ফ্লু', 'পিগ ফ্লু', 'মেক্সিকান ফ্লু' নামেৰেও পৰিচিত বুলি তথ্যত প্ৰকাশ। উল্লেখ্য যে প্ৰথমবাৰলৈ অসমত ধৰা পৰা এই ৰোগ প্ৰকৃততে কিদৰে আৰু ক'ৰ পৰা সংক্ৰমিত হ'ল এতিয়াও স্পষ্ট হোৱা নাই যদিও প্ৰকৃত ছোৱাইন ফ্লু'ৰে যিদৰে গাহৰিৰ শ্বাসতন্ত্ৰত আক্ৰমণ কৰে, মানৱ দেহত সেইদৰে আক্ৰমণ কৰাৰ তথ্য নাই আৰু মানৱ দেহত হোৱা এই ৰোগক জুনেটিক ছোৱাইন ফ্লু' বুলি কোৱা হয়। সমান্তৰাভাৱে এই ভাইৰাছ এজনৰ পৰা আনজনলৈ বিয়পে বুলি তথ্য পোৱা যায়।

সংসদ চৌহদত ধৰ্ণা-বিক্ষোভ

এক পৃষ্ঠাৰ পৰা কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা ৰাজ্যসভাত দলৰ মুখ্য সচেতক জয়ৰাম ৰমেশে টুইটাৰত কেন্দ্ৰীয় চৰকাৰক লক্ষ্য কৰি লিখিছে, 'বিশ্বগুৰুৰ নতুন আদেশ— ডৰনা (ধৰ্ণা) মনা হায়।' প্ৰসংগতে উল্লেখ্য যে বিৰোধীয়ে অতীত সংসদ চৌহদৰ ভিতৰত আৰু মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ তলত ধৰ্ণা প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰই কয়, 'গান্ধীজীৰ প্ৰতিমূৰ্তি চৌহদৰ পৰা কিয় আঁতৰাই নেপেলায় আৰু সংবিধানৰ দফা ১৯ (১ ক) দফা মচি পেলাওক।'

উল্লেখ্য যে ইতিপূৰ্বে লোকসভা আৰু ৰাজ্যসভাৰ অধিৱেশনকালীন কে'বাটাও শব্দৰ ব্যৱহাৰ নিষিদ্ধ কৰা হয়। প্ৰকাশিত 'অসংসদীয় শব্দ'ৰ তালিকাত 'লজ্জাজনক', 'দুৰ্ব্যৱহাৰ', 'প্ৰতাৰণা', 'নাটক', 'দুৰ্নীতিগ্ৰস্ত', 'অযোগ্য' আৰু 'ভণ্ডামি' আদি কে'বাটাও শব্দ সন্নিৱিষ্ট কৰা হৈছে। বিৰোধীৰ সমালোচনাৰ মাজতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই স্পষ্ট কৰি দিয়ে যে কোনো শব্দ নিষিদ্ধ কৰা হোৱা নাই। তেওঁৰ ভাষাত, 'এই শব্দৰ তালিকাখন আচলতে অভিব্যক্তিৰ সংকলন, যিবোৰ সদনকক্ষৰ নথিপত্ৰৰ পৰা বাদ দিয়া হৈছে।'

লোকসভা সচিবালয়ৰ এক নতুন পুস্তিকাত বুধবাৰে কোৱা হৈছে যে 'জুমলাজীৱী', 'বাল বুদ্ধি', 'ক'ভিড স্প্ৰেডাৰ', 'স্নুপগেট' আদি শব্দৰ ব্যৱহাৰ আনকি 'লজ্জিত', 'দুৰ্ব্যৱহাৰ কৰা, 'প্ৰতাৰণা' আদি শব্দৰ ব্যৱহাৰ কৰিব নোৱাৰে।, 'দুৰ্নীতিগ্ৰস্ত', 'নাটক', 'ভণ্ডামি' আৰু 'অযোগ্য'ক এতিয়াৰ পৰা লোকসভা আৰু ৰাজ্যসভা উভয়তে অসংসদীয় বুলি গণ্য কৰা হ'ব। তালিকাখনত কমেও ৪০ টা শব্দক অসংসদীয় বুলি কোৱা হৈছে।

সুৰা বিপণীৰ অনুজ্ঞাপত্ৰক লৈ

এক পৃষ্ঠাৰ পৰা দ্বিবিভাজিত হয় বিজেপি শাসিত পৌৰ সদস্যসকল। উল্লেখ্য যে প্ৰাক্তন পৌৰপতি প্ৰয়াত বিদ্যানন্দ চৌধুৰীৰ সময়তে পৌৰ অঞ্চলত আন কোনো বিলাতী সুৰাৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা নহ'ব বুলি এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰেও তেওঁৰ সমষ্টিত নতুনকৈ বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ নিদিবলৈ আবকাৰী মন্ত্ৰীলৈ এক পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু ইয়াৰ পাছতো বৰপেটাৰোড পৌৰ অঞ্চলতে সাতখনকৈ বিলাতী সুৰা বিপণী তথা ৱাইন শ্বপ স্থাপনৰ প্ৰস্তুতি চলিছে। এই বিষয়টোক লৈয়ে বিজেপি শাসিত পৌৰ ব'ৰ্ডৰ চাৰিজন ৱাৰ্ড কমিছনাৰ ক্ৰমে উপ-সভানেত্ৰী সুৰথি সাহা, ৱাৰ্ড কমিছনাৰ দিলীপ কুমাৰ সাহা, ৰিংকু ৰয় পোদ্দাৰ আৰু সুৰেশ চৌধুৰীয়ে আজি পৌৰ ব'ৰ্ডৰ সভাত এই বিষয়টো উত্থাপন কৰাত তীব্ৰ বিৰোধিতা কৰে। প্ৰাক্তন পৌৰপতি দিলীপ কুমাৰ সাহাই আজিৰ পৌৰ ব'ৰ্ডত নিৰ্দিষ্ট কাৰ্যসূচীৰ সলনি অন্যান্য শিতানত বিলাতী সুৰাৰ দোকান স্থাপনৰ প্ৰসংগ ব'ৰ্ডৰ সভাত উত্থাপন কৰা বুলি কয় আৰু পূৰ্বৰ পৌৰপতিয়ে লোৱা প্ৰস্তাৱ খাৰিজ নকৰাকৈ কোনো কাৰণতে পৌৰ অঞ্চলত বিলাতী সুৰাৰ দোকান স্থাপন কৰাটো পৌৰ আইনত নপৰে বুলি দোহাৰে। ইপিনে পৌৰ ব'ৰ্ডৰ পদেন সদস্য হিচাপে থকা কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদৰ প্ৰতিনিধি (নমিনি), সৰভোগ সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি (নমিনি)য়েও এই কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰে। চিপিআইএমৰ প্ৰতিনিধি নিৰেন নাথে এই সমস্ত প্ৰক্ৰিয়া অবৈধ বুলি কোৱাৰ লগতে বিলাতী সুৰাৰ দোকান স্থাপনৰ অনুমতি পৌৰসভাই প্ৰদান কৰিলে গণ আন্দোলন গঢ়ি তুলিব বুলিও কয়। ইপিনে, বৰপেটাৰোড পৌৰসভাৰ সভাপতি ৰাজেশ সৰকাৰে পাঁচ এপ্ৰিলত তেওঁ পৌৰপতি হিচাপে শপত লয় আৰু তেওঁৰ কাৰ্যকালত বিলাতী সুৰাৰ কোনো আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদান কৰা নাই বুলি কয়। অৱশ্যে পৌৰ ব'ৰ্ড গঠনৰ পূৰ্বে যদি পৌৰসভাৰ পৰা বিলাতী সুৰাৰ বিপণী স্থাপনৰ আপত্তিবিহীন প্ৰমাণপত্ৰ আবকাৰী বিভাগলৈ প্ৰেৰণ কৰা হৈছে তেন্তে ইয়াৰ বিৰোধিতা কৰি লিখিত অভিযোগ দাখিল কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। মুঠতে পৌৰপতিও বৰপেটাৰোডত নতুন তথা আন সুৰাৰ দোকানৰ বিৰোধিতা কৰা বুলি কয় ।

জীৱনদায়িনী প্ৰতিষেধকৰ পৰা বঞ্চিত

এক পৃষ্ঠাৰ পৰা সেৰাই দেশসমূহক এই প্ৰতিবেদনৰ উদ্ধৃতি দি সকীয়াই দিছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ভাৰত আৰু আন চাৰিখন দেশৰ কমেও আঢ়ৈ কোটি শিশুৱে জীৱনদায়িনী প্ৰতিষেধক লাভ কৰা নাই। ফলত সময় মতে প্ৰতিষেধক লাভ নকৰা বিগত এটা বছৰত এই দেশসমূহত হাম, পলিঅ'ৰ দৰে ৰোগ নতুনকৈ বিয়পিবলৈ আৰম্ভ কৰিছে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত ইয়াকে লৈ উদ্বেগ প্ৰকাশিত হৈছে। প্ৰতিবেদনত কোৱা হৈছে যে ডিপথেৰিয়া, ধনুষ্টংকাৰ, হুপিং কাহৰ দৰে ৰোগ প্ৰতিৰোধৰ বাবে শিশুসকলক তিনিটা প্ৰতিষেধক দিয়া হয়। এইকেইটাক একেলগে 'ডিটিপি থ্ৰি' বুলি কোৱা হয়। ২০১৯ৰ পৰা ২০২১ৰ ভিতৰত পাঁচ শতাংশ হ্ৰাস পাইছে। অথচ এই প্ৰতিষেধকে যিকোনো দেশৰ বাসিন্দাৰ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ ভেটি প্ৰস্তুত কৰে।

গভীৰ উদ্বেগ ব্যক্ত কৰি বিশ্ব স্বাস্থ্য সংস্থাৰ মুৰব্বী টেড্ৰছ আধানম গেব্ৰিছিয়াছে কয় যে অতিমাৰীক লৈ সতৰ্কতা এই মুহূৰ্তত সৰ্বাধিক জৰুৰী বিষয়। এই কথাত কোনো সন্দেহ নাই। অৱশ্যে ইয়াৰ লগতে আন ৰোগসমূহক অৱহেলা কৰিলে নহ'ব। ক'ভিডৰ মোকাবিলাৰ লগতে হাম, নিউমোনিয়া, ডায়েৰীয়াৰ দৰে মাৰাত্মক ৰোগৰ বিৰুদ্ধে যুদ্ধখন চলাই থাকিব লাগিব। প্ৰতিবেদনত কোৱা হৈছে যে পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চল দেশসমূহত 'ডিটিপি থ্ৰি' প্ৰতিষেধক প্ৰদান হ্ৰাস পাইছে সৰ্বাধিক। বিগত দুবছৰত কেৱল এই অঞ্চলতে শিশুসকলৰ জীৱনদায়িনী টিকাকৰণ ন শতাংশ হ্ৰাস পাইছে। ভাৰত, নাইজেৰিয়া, ইন্দোনেছিয়া, ইথিওপিয়া আৰু ফিলিপাইনছত বিগত একবছৰত দুই কোটি শিশুৱে বিন্দুমাত্ৰও প্ৰতিষেধক লাভ কৰা নাই। ৰাষ্ট্ৰসংঘৰ কাৰ্যকৰী সঞ্চালকে এই পৰিসংখ্যাত বিপদ সংকেত বুলি কৈছে। ইয়াৰ কাৰণ হিচাপে মূলত দায়ী কৰা হৈছে তথ্য বিভ্ৰান্তি আৰু যোগানৰ অভাৱক। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত কোৱা হৈছে যে অতিমাৰী প্ৰতিৰোধ কৰিবলৈ গৈ প্ৰতিষেধক উৎপাদনকাৰীসকলে মূলত ক'ভিড প্ৰতিষেধক প্ৰস্তুতত গুৰুত্ব দিছে, যাৰ ফলত নৱজাতকৰ প্ৰতিষেধক যোগানত প্ৰভাৱ পৰিছে।

বিক্ৰী-উৎপাদন কেন্দ্ৰ বন্ধ ঃ সংকুচিত

এক পৃষ্ঠাৰ পৰা পুনৰাবৃত্তি যেন এতিয়া আৰ্টফেডৰ ক্ষেত্ৰতো হৈছে। দৰাচলতে ক'ভিডৰ সময়ৰ পৰাই আৰ্টফেডৰ জটিলতা আৰম্ভ হয়। তলাবন্ধৰ সময়ত উৎপাদন আৰু বিক্ৰী বন্ধ হৈ পৰে। তাৰ ফলত আয় বন্ধ হয়। ক'ভিডৰ জটিলতা আঁতৰাৰ পাছত পুনৰ পৰিস্থিতি স্বাভাৱিক হয় আৰু হৈ যোৱা ক্ষতিৰ জোৰা মাৰিবলৈ অন্যান্য প্ৰতিষ্ঠানবোৰত তৎপৰতা চলে যদিও আৰ্টফেডত সেয়া নহ'ল। আৰ্টফেডৰ পৰিচালনা সমিতিয়ে যিদৰে এই ক্ষেত্ৰত তৎপৰতা গ্ৰহণ নকৰিলে চৰকাৰেও একেদৰে দুৰৱস্থা দেখি নেদেখাৰ ভাও জোৰে। ফলস্বৰূপে এতিয়া পৰিৱেশ জটিল হৈ উঠিছে। আৰ্টফেডৰ ৪৮ টা শ্ব'ৰূম তথা বিক্ৰী কেন্দ্ৰ আছে। অসমৰ চৌদিশৰ লগতে কলকাতা, দিল্লী, কানপুৰ, জয়পুৰ, ইন্দোৰতো শ্ব'ৰূম আছে। কানপুৰ, জয়পুৰ আৰু ইন্দোৰৰ শ্ব'ৰূম ইতিমধ্যে বন্ধ কৰি দিয়া হৈছে। দিল্লী আৰু কলকাতাৰ শ্ব'ৰূম দুটা কোনোমতে চলাই থকা হৈছে। ইয়াৰ বিপৰীতে অসমৰ কেন্দ্ৰবোৰৰ অৱস্থা তথৈবচ হৈ পৰিছে। অকল গুৱাহাটীতে আৰ্টফেডৰ ১১ টা বিক্ৰী কেন্দ্ৰ আছে। গ্ৰাহকক আকৰ্ষণৰ বাবে বাতানুকূল কেন্দ্ৰ সাজি উলিওৱা হৈছিল। এই কেন্দ্ৰবোৰত নতুন সামগ্ৰী পাবলৈ নাই। গতিকে ভঁৰাল একেবাৰে সীমিত হৈ পৰিছে। প্ৰধানকৈ থলুৱা বস্ত্ৰ আৰু অন্যান্য সামগ্ৰী বিক্ৰী কৰা আৰ্টফেডৰ গুৱাহাটীৰ বামুণীমৈদাম, পশ্চিম বৰাগাঁও আৰু নলবাৰীত তিনিটা উৎপাদন কেন্দ্ৰ আছে। কিন্তু এই কেন্দ্ৰ তিনিটাত কেঁচামাল যোগান প্ৰায় বন্ধ হৈ পৰাত উৎপাদনো বন্ধ হৈ পৰিছে। বিভিন্ন আত্মসহায়ক গোটৰ পৰাও সামগ্ৰী সংগ্ৰহ কৰি আৰ্টফেডে বিক্ৰী কৰে; কিন্তু পুঁজিৰ নাটনিত তেনে ক্ৰয় ব্যৱস্থাও একেবাৰে সীমিত হৈ পৰিছে। গতিকে আয়ৰ পথো একেবাৰে সংকুচিত হৈছে। ফলস্বৰূপে বন্ধ হৈছে কৰ্মচাৰীৰ দৰমহা। প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীৰ সংখ্যা প্ৰায় ১৫৮ গৰাকী। তেওঁলোকে যোৱা আঠ মাহে দৰমহা পোৱা নাই। এনে জটিলতাৰ বিষয়ে কৰ্মচাৰী সমাজে ৰাজ্য চৰকাৰক অৱগত কৰিছে; কিন্তু চৰকাৰে সহযোগিতাৰ কোনো ইংগিত এই পৰ্যন্ত দিয়া নাই।

পুনৰীক্ষণত বিজ্ঞানত ৬৭ৰ পৰিৱৰ্তে ৯৯

এক পৃষ্ঠাৰ পৰা দুগৰাকী প্ৰশিক্ষাৰ্থীয়ে স্থান লাভ কৰে। প্ৰাপ্ত নম্বৰৰ বিসংগতিৰ পৰিণতিত এনে অক্ষমণীয় তথা দুৰ্ভাগ্যজনক ঘটনাৰ বলি বোৱা ছাত্ৰ-ছাত্ৰী দুগৰাকী হ'ল শিৱসাগৰৰ প্ৰাৰ্থনা দত্ত আৰু ছিপাঝাৰৰ অবিনাশ চহৰীয়া। প্ৰাৰ্থনাই ষষ্ঠ আৰু অবিনাশে দশম স্থান দখল কৰে।

শিৱসাগৰৰ শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী প্ৰাৰ্থনা দত্তই সাধাৰণ বিজ্ঞানত মাত্ৰ ৬৭ নম্বৰ লাভ কৰিছিল; কিন্তু ছাত্ৰীগৰাকী আত্মবিশ্বাসী আছিল যে তেওঁ তাতকৈ অধিক নম্বৰ পাব লাগে। সেয়েহে উত্তৰ বহী পুনৰীক্ষণৰ বাবে তেওঁ আবেদন জনায়। এই পুনৰীক্ষণতে প্ৰাৰ্থনাই ৬৭ ৰ পৰিৱৰ্তে সাধাৰণ বিজ্ঞানত ৯৯ নম্বৰ লাভ কৰে। ইয়াৰ ফলত তেওঁ ৰাজ্যৰ ভিতৰতে ষষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হয়। শলগুৰিৰ বাসিন্দা প্ৰাৰ্থনাৰ পিতৃ প্ৰয়াত তিলক দত্ত আৰু মাতৃ জুৰী শইকীয়া দত্ত। মাত্ৰ তিনিবছৰ বয়সতে পিতৃক হেৰুওৱা ছাত্ৰীগৰাকীৰ আজিৰ এই ফলাফলে পৰিয়ালৰ লগতে তেওঁ অধ্যয়ন কৰা বিদ্যালয়খনতো আনন্দৰ জোৱাৰ তুলিছে।

ইপিনে, দশম স্থান লাভ কৰা অবিনাশ চহৰীয়া হ'ল ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ছাত্ৰ। মেধাৱী ছাত্ৰজনে গণিতত ৫৩ নম্বৰ লাভ কৰিছিল; কিন্তু তেওঁ নিশ্চিত আছিল সেয়া তেওঁৰ নম্বৰ হ'বই নোৱাৰে। সেয়েহে অবিনাশেও উত্তৰ বহী পুনৰীক্ষণৰ আবেদন জনায়। এই পুনৰীক্ষণৰ পাছতে পোহৰলৈ আহে প্ৰকৃত ফলাফল। ৫৩ ৰ পৰিৱৰ্তে অবিনাশে গণিতত ১০০ ৰ ভিতৰত ১০০ নম্বৰে লাভ কৰে। ফলত তেওঁ ৰাজ্যৰ ভিতৰত দশম স্থান দখল কৰে। অবিনাশে অসমীয়াত ৯২, ইংৰাজীত ১০০, গণিতত ১০০, বিজ্ঞানত ১০০, সমাজ বিজ্ঞানত ৯৬ আৰু উচ্চ গণিতত ১০০ নম্বৰসহ সৰ্বমুঠ ৫৮৮ নম্বৰ লাভ কৰি এই স্থান লাভ কৰিবলৈ সক্ষম হয়। আজি বিয়লি ছেবা কৰ্তৃপক্ষই অবিনাশৰ ঘৰলৈ আহি অভিভাৱক আৰু বিদ্যালয়ৰ অধ্যক্ষৰ হাতত অৰ্পণ কৰে ছাত্ৰজনৰ নম্বৰ তালিকা আৰু স্থান প্ৰাপক প্ৰমাণপত্ৰ। শীতলাবড়িৰ বদন চন্দ্ৰ চহৰীয়া আৰু কবিতা চহৰীয়াৰ পুত্ৰ অবিনাশে সম্প্ৰতি ছাই বিকাশ একাডেমীত অধ্যয়নৰত। ছাত্ৰজনৰ সাফল্যত উৎফুল্লিত হৈ পৰিছে সমগ্ৰ ছিপাঝাৰবাসী। উল্লেখ্য যে তিনিটা পৰ্যায়ত উত্তৰ বহীসমূহ পৰীক্ষা কৰা হয়। তাৰ পাছতো কিদৰে এনেধৰণৰ বৃহৎ বিসংগতি সংঘটিত হৈ আহিছে সেয়াহে আশ্চৰ্যকৰ।

গোটাবায়া পলাল যদিও শ্ৰীলংকা ত্যাগত

এক পৃষ্ঠাৰ পৰা পদত্যাগ কৰাৰ লগে লগে কঠোৰ স্থিতি লৈছে দেশখনৰ উচ্চতম ন্যায়ালয়ে। ৰাজাপক্ষৰ পদত্যাগৰ পাছতে উচ্চতম ন্যায়ালয়ে দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মহিন্দা ৰাজাপক্ষ আৰু বিত্তমন্ত্ৰী বাছিল ৰাজাপক্ষক দেশ ত্যাগ কৰাত নিষেধাজ্ঞা প্ৰদান কৰে। এই পৰিস্থিতিত এজন ভ্ৰাতৃ পলায়ন কৰিলেও আন দুই ভ্ৰাতৃ আবদ্ধ হ'ল দ্বীপৰাষ্ট্ৰত। মাত্ৰ দুমাহ পূৰ্বে প্ৰধানমন্ত্ৰীৰ পদ এৰিছিল মহিন্দা ৰাজাপক্ষই। পলাতক প্ৰাক্তন ৰাষ্ট্ৰপতি তথা তেওঁৰ ভ্ৰাতৃ গোটাবায়াৰ কাৰ্যালয়ৰ সন্মুখত প্ৰায় দুমাহ পূৰ্বে প্ৰতিবাদ কৰি থকা কিছুমান লোকক তেওঁৰ সমৰ্থকে আক্ৰমণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীৰ পদ বাদ দিছিল। এই ঘটনাৰ পাছতে প্ৰতিবাদ অধিক শক্তিশালী হৈ উঠে আৰু অৱশেষত দেশ ত্যাগ কৰি বিদেশৰ পৰাই ৰাষ্ট্ৰপতিৰ পদ এৰিবলৈ বাধ্য হয় গোটাবায়া ৰাজাপক্ষই। আজি সংসদৰ অধ্যক্ষ মহিন্দা য়াপা আৰেয়াবৰ্ধনে সাংবাদিকক জনায় যে গোটাবায়াই কালি পদত্যাগ কৰিলে।

সম্প্ৰতি প্ৰধানমন্ত্ৰী ৰণিল বিক্ৰমসিংঘেক কাৰ্যবাহী সভাপতিৰূপে দায়িত্ব অৰ্পণ কৰা হৈছে। অহা ২০ জুলাইত নতুন ৰাষ্ট্ৰপতি ঘোষণা কৰা হ'ব বুলি কোৱা হৈছে। আজি প্ৰতিবাদকাৰীসকলে বিগত কেইদিনমান ধৰি দখল কৰি থোৱা ৰাষ্ট্ৰপতিৰ প্ৰাসাদ চৰকাৰক হস্তান্তৰ কৰে। ইয়াৰ লগে লগে প্ৰাসাদত প্ৰৱেশ কৰে ফৰেনচিক দল। এই দলটোৱে আঙুলিৰ ছাপ সংগ্ৰহ কৰাৰ লগতে ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ আৰম্ভ কৰিছে। ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতিৰ পদ গ্ৰহণ কৰিয়ে বিক্ৰমসিংঘেই আইন-শৃংখলা কঠোৰভাৱে নিয়ন্ত্ৰণ কৰিবলৈ কয়। তদুপৰি সাংবিধানিক সাল-সলনি কৰাৰ কথাও কয়। এক বৃহৎ সাংবিধানিক সাল-সলনিৰ জৰিয়তে ৰাষ্ট্ৰপতি কৰ্তন কৰাৰ ক্ষমতা আৰু সংসদৰ সবলীকৰণ পুনৰ উদ্ধাৰ কৰা হ'ব বুলি কয়। যিকোনো ধৰণৰ হিংসা আৰু কূটাঘাতৰ ব্যৱস্থা ল'বলৈ সেনা বাহিনীক সম্পূৰ্ণ কৰ্তৃত্ব দিয়া হৈছে বুলিও তেওঁ সদৰী কৰে। তেওঁ কয় যে তেওঁ শান্তিপূৰ্ণ প্ৰতিবাদৰ সমৰ্থক যদিও প্ৰতিবাদী আৰু সংঘৰ্ষকাৰীৰ মাজত পাৰ্থক্য আছে।

এএমচিএইছত ৫৬ জনৰ দেহত চিনাক্ত

অসম দাপোণ

বোকাজানৰ বৰপথাৰত ৫০ লক্ষাধিক টকাৰ গাঞ্জা জব্দ

অগ্ৰদূত বাৰ্তা

বোকাজান, ১৫ জুলাই ঃ কাৰ্বি আংলঙৰ বৰপথাৰ আৰক্ষী আৰু ২০ নম্বৰ বোকাজান চিআৰপিএফ বাহিনীৰ যুটীয়া অভিযানত আজি বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰা হয়। আৰক্ষীৰ সূত্ৰই সদৰী কৰা অনুসৰি এক বিশেষ খবৰৰ ভিত্তিত বৰপথাৰ থানাৰ অন্তৰ্গত খাকৰাজানত আৰক্ষী বাহিনীয়ে চলোৱা বিশেষ তালাচীত এখন ট্ৰাকৰ পৰা পলিথিনৰ পেকেটত ভৰাই অনা ৪৬ পেকেট গাঞ্জা জব্দ কৰে। জব্দ কৰা গাঞ্জাখিনিৰ ওজন চাৰি কুইণ্টল ৭৭ কেজি। ইয়াৰ বজাৰ মূল্য ৫০ লক্ষাধিক টকা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। এন এল-০১ এ-০১৬৪ নম্বৰৰ ট্ৰাকখন নগালেণ্ডৰ ডিমাপুৰৰ পৰা ৩৯ নম্বৰ ঘাইপথেৰে গুৱাহাটী অভিমুখে আহি আছিল। ট্ৰাকখনৰ ওপৰত এক বিশেষ কোঠা নিৰ্মাণ কৰি গাঞ্জাৰ পেকেটখিনি ভৰাই আনিছিল। আৰক্ষীয়ে গাঞ্জাখিনি সৰবৰাহ কৰা গুৱাহাটীৰ বেলতলা তিনিআলিৰ ৰামচন্দ্ৰ যাদৱ নামৰ লোকজনক আটক কৰিছে। অৱশ্যে যাদৱৰ ঠিকনা উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

চাইকেল চলাই সমষ্টিৰ গ্ৰামাঞ্চল পৰিভ্ৰমণ বিধায়ক পদ্ম হাজৰিকাৰ

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৫ জুলাই ঃ যিটো সময়ত চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে সেই সময়তে চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ তথা প্ৰধানমন্ত্ৰীৰ আৱাসগৃহ আঁচনিৰ নিজৰ সমষ্টিত সঠিকভাৱে ৰূপায়ণ হৈছে নে নাই তাৰ বুজ লোৱাৰ বাবে নিজা সমষ্টিৰ গাঁৱে গাঁৱে চাইকেল চলাই প্ৰধানমন্ত্ৰীৰ আৱাসগৃহ নিৰ্মাণৰ কাম-কাজ স্বচক্ষে পৰ্যবেক্ষণ কৰিছে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই। পুৱাই ঘৰৰ পৰা ওলোৱা বিধায়কজনে সমষ্টিটোৰ পঞ্চায়তৰ জনপ্ৰতিনিধিসকলক লগত লৈ চাইকেলৰ পেডেল মাৰি মাৰি হিতাধিকাৰীৰ ঘৰত উপস্থিত হৈ চৰকাৰী আৱাসগৃহ সঠিকভাৱে নিৰ্মাণ হৈছে নে নাই সেয়া পৰ্যবেক্ষণ কৰে। চতিয়া সমষ্টিৰ অন্তৰ্গত ১৯ খন গাঁও পঞ্চায়তত চৰকাৰী আঁচনিৰ সঠিক ৰূপায়ণ হোৱাত সৰ্বতো প্ৰকাৰৰ গুৰুত্ব আৰোপ কৰিছে বিধায়কজনে। ইফালে, সমষ্টিটোত নিৰ্মাণ হোৱা প্ৰধানমন্ত্ৰীৰ আৱাসগৃহসমূহৰ ভিতৰত প্ৰতিখন পঞ্চায়তত যিগৰাকী হিতাধিকাৰীয়ে ভালকৈ গৃহটো নিৰ্মাণ কৰি প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হ'ব সেইগৰাকী হিতাধিকাৰীক একোটাকৈ টেলিভিছন উপহাৰ দিয়াৰ কথাও ঘোষণা কৰে বিধায়কে। চৰকাৰী আঁচনিৰ সফল ৰূপায়ণৰ বাবে বিধায়ক হাজৰিকাই নিজৰ সমষ্টিত লোৱা এই পদক্ষেপ ইতিবাচকৰূপে বিবেচিত হৈছে। উল্লেখ্য যে বানপানীৰ সময়ত দুৰ্গত ৰাইজৰ কাষত থাকি সহায় কৰা, বন্যহস্তীৰ আক্ৰমণৰ পৰা সমষ্টিবাসীক পৰিত্ৰাণ দিয়াৰ বাবে বনৰীয়া হাতী খেদাৰ অভিযানত বন বিভাগক সহযোগ কৰাকে ধৰি নিজস্ব কিছুমান কাম-কাজৰ বাবে বিধায়ক হাজৰিকাই সমষ্টিটোত নিজৰ জনপ্ৰিয়তা অটুট ৰাখিবলৈ সক্ষম হৈছে।

কোকৰাঝাৰত শালিধানৰ বীজ বিতৰণৰ আৰম্ভণি

অগ্ৰদুত বাৰ্তা

কোকৰাঝাৰ, ১৫ জিলা ঃ কোকৰাঝাৰ জিলা কৃষি বিভাগে দুৰ্যোগ ব্যৱস্থাপনা আঁচনি ২০২২-২৩ৰ অধীনত আজি শালিধানৰ বীজ-বিতৰণ আৰম্ভ কৰা হয় । কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰাজীৱ কুমাৰ দাসে এই কাৰ্যসূচীৰ আৰম্ভ কৰি চৰকাৰে কৃষক ৰাইজৰ বাবে লোৱা এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। বছৰটোৰ দ্বিতীয়টো বানত সমগ্ৰ ৰাজ্যৰ লগতে কোকৰাঝাৰ জিলাৰ কৃষক ৰাইজ ভালেখিনি বিধ্বস্ত হৈছে। বানে বিধ্বস্ত কৰা কৃষক ৰাইজক সকাহ দিবৰ বাবে ৰাজ্যৰ কৃষি বিভাগে গ্ৰহণ কৰিছে এনেকুৱা বিভিন্ন পদক্ষেপ। কোকৰাঝাৰ জিলা কৃষি বিভাগে জানিবলৈ দিয়া মতে, আজিৰ দিনত জিলাখনত বানে জুৰুলা কৰা কৃষকৰ মাজত বিতৰণ কৰা হয় বীনা ধান বীজ-১০। জিলাখনৰ তিনিটা মহকুমাৰ ১৩ টা কৃষি উন্নয়ন খণ্ডৰ বাবে মুঠ ৪৪০ কুইণ্টল বীজৰ যোগান ধৰা হয়। কৃষি বিভাগে যোগান ধৰা এই বীজৰ জৰিয়তে এহেজাৰ এশ হেক্টৰ ভূমিৰ বাবে কঠীয়া উৎপাদন কৰিব পাৰিব। কৃষি বিভাগৰ এই পদক্ষেপে বানে বিধ্বস্ত কৰা বহু সংখ্যক কৃষক উপকৃত হ'ব। আজি দুৰ্যোগ ব্যৱস্থাপনা আঁচনি ২০২২-২৩ৰ অধীনত শালিধানৰ বীজ বিতৰণৰ আৰম্ভণিৰ পাছতে ১০ জনকৈ কৃষকক প্ৰতি হেক্টৰ ভূমিৰ বাবে ৪০ কেজিকৈ বীজ বিতৰণ কৰা হয়। আৰু পৰৱৰ্তী সময়ত কৃষি বিভাগৰ কাৰ্যালয়ৰ পৰা কৃষকক বীজ সংগ্ৰহৰ বাবে আহ্বান জনাইছে কৃষি বিভাগে। কোকৰাঝাৰ মহকুমাৰ কৃষকৰ বাবে কোকৰাঝাৰস্থিত অসম বীজ নিগমত, গোসাঁইগাঁও মহকুমৰ কৃষকৰ বাবে মহকুমা কৃষি গুদামৰ লগতে পৰ্বতঝৰা মহকুমাৰ কৃষকৰ বাবে পৰ্বতঝৰা কৃষি গুদামত বীজ উপলব্ধ হ'ব। গতিকে জিলাখনৰ বান বিধ্বস্ত প্ৰতিজন কৃষকক এই আঁচনিৰ লাভালাভ গ্ৰহণৰ বাবে আহ্বান জনাইছে জিলা কৃষি বিভাগে। আজিৰ বীজ বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে কোকৰাঝাৰ জিলা কৃষি বিষয়া বিনোদ বসুমতাৰী, মহকুমা কৃষি বিষয়া বুৰলুং বুথুৰ নাৰ্জাৰীৰ লগতে কোকৰাঝাৰ ৰাজহ চক্ৰ বিষয়া ৰাহুল ফুকনে।

ডিমৌ নদীৰ খহনীয়া সন্দৰ্ভত বিধায়কলৈ আবেদনপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

ডিমৌ, ১৫ জুলাই ঃ ডিমৌ নদীৰ খহনীয়া অংশসমূহত শৈলস্পাৰ দিয়াৰ সন্দৰ্ভত ডিমৌৰ বগপৰা, দোপনী, চৰাইজান, দেওডুবি আৰু কলালোৰ গাঁৱৰ ৰাইজসকলে বগপৰা বাপুটিগড় গাঁৱৰ সীমামূৰীয়া ডিমৌ দিহিং আলিৰ উৎসৰ পৰা উক্ত গাওঁকেইখনৰ মাজেৰে গৈ নহাটৰ ডিমৌ-দিহিং আলিত সংলগ্ন হোৱা বগপৰা দোপনী ন-আলিটোৱেই উক্ত গাঁওকেইখনৰ ৰাইজৰ যাতায়াতৰ একমাত্ৰ পথ। স্বাধীনতাৰ পৰৱৰ্তী সুদীৰ্ঘ প্ৰায় সাতটা দশকজুৰি এই আলিটো স্থায়ীভাৱে নিৰ্মাণ নোহোৱাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত নানান দুৰ্যোগ ভুগিব লগা হৈছিল। কিন্তু চলিত বৰ্ষত এই আলিটো ব্লক ইটাৰে নিৰ্মাণ হৈ উঠাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে সকাহ পাইছিল। কিন্তু দুৰ্ভাগ্যবশতঃ ডিমৌ নদীৰ বৰকলা ঘাট আৰু বেজৰ চুকত এই নদীৰ ভয়াবহ খহনীয়াই উক্ত দুয়োখণ্ডতে প্ৰায় ৫০০ মিটাৰ মানকৈ খহাবলৈ আৰম্ভ কৰাত আলিটোৰ ঠায়ে ঠায়ে পকী বিমত খুন্দা মাৰিছে। এই অৱস্থা অব্যাহত থাকিলে চলিত বাৰিষাতে উক্ত দুয়ো অংশ ছিঙি যাব আৰু ৰাইজৰ একমাত্ৰ যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিব। সেয়ে, উক্ত বিষয়ৰ সন্দৰ্ভত তাৎক্ষণিকভাৱে বিভাগীয় বিষয়ৰ দ্বাৰা চৰজমিন তদন্ত কৰাই খহনীয়া অংশ দুটাত শৈলস্পাৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰি ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত সুবিধা কৰি দিয়াৰ উদ্দেশ্যে উক্ত গাঁওসমূহৰ ৰাইজসকলে ১০৭ নম্বৰ থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইলৈ আজি এখন আবেদনপত্ৰ প্ৰেৰণ কৰে।

বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ১৫ জুলাই ঃ কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত বান বিধ্বস্ত পশ্চিম বড়িগোগ মৌজাৰ কামপীঠ হাইস্কুল প্ৰাংগণত আজিৰ দিনৰ ভাগত ৰঙিয়া মহকুমা ছাত্ৰ সন্থা আৰু স্বস্তি হাস্পতালৰ উদ্যোগত আৰু পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। শিবিৰটো উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ধৰ্মেশ্বৰ দাসে। শিবিৰ উদ্বোধন কৰি দাসে কয় যে বানৰ পাছত মৌজাখনৰ বিভিন্ন প্ৰান্তত নানা ধৰণৰ ৰোগৰ আবিৰ্ভাৱ হৈছে। বানে সৰ্বশ্ৰান্ত কৰা ৰাইজে অধিক ধন ভৰি ৰোগৰ চিকিৎসা কৰিবলৈ অপাৰাগ। সেয়েহে আছুই ৰঙিয়া 'স্বস্তি হাস্পতাল'ৰ লগত আলোচনা কৰি উক্ত বিনামূলীয়া স্বাস্থ্য শিবিৰটো অনুষ্ঠিত কৰিছে। ইয়াৰ পৰা ৰাইজ নিশ্চয় উপকৃত হ'ব। শিবিৰ উদ্বোধনী অনুষ্ঠানত স্বস্তি হাস্পতালৰ অধীক্ষক ডাঃ মিতুল দাসে সমবেত ৰোগীসকলক বানৰ পাছত হোৱা ৰোগৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে তাক বিতংকৈ বিশ্লেষণ কৰে। শিবিৰত ডাঃ দাসৰ লগতে ডাঃ গৌতম শ্বাহ, ডাঃ পুনম সিং, ডাঃ খলিলুল্লাহ ৰাহিদ, ডাঃ হিমাংশু শেখৰ আদিয়ে সকলো ৰোগীৰে স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধৰো যোগান ধৰে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি ভৰজ্যোতি ডেকাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত চিকিৎসকসকলৰ লগতে স্বাস্থ্যকৰ্মী কে'বাগৰাকী আমন্ত্ৰিত বিশিষ্ট ব্যক্তি আৰু সাংবাদিকক গামোচাৰে আদৰণি জনায়। শিবিৰত প্ৰায় দুই শতাধিক ৰোগীয়ে চিকিৎসা সেৱা গ্ৰহণ কৰে। শিবিৰটো পৰিচালনাৰ ক্ষেত্ৰত সদৌ ৰঙিয়া মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জিতু ডেকা, সম্পাদক অৰুণ দাস, কামৰূপ জিলা আছুৰ তথ্য সম্পাদক কমল কলিতা, পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিশ্বজিৎ পাটোৱাৰী, ভাৰপ্ৰাপ্ত সম্পাদক ত্ৰিলোচন কলিতা আদি কৰি অসংখ্য শুভকাংক্ষী আৰু ৰাইজে স্বতঃস্ফূৰ্তভাৱে সহযোগ কৰে।

ডিমৌৰ বহুমুখী ভৱনত এটিএম মুকলি

অগ্ৰদূত বাৰ্তা

ডিমৌ, ১৫ জুলাই ঃ ডিমৌ নগৰৰ মাজমজিয়াত অৱস্থিত ডিমৌ বহুমুখী ভৱনৰ চৌহদত আজি এটা এটিএম মুকলি কৰা হয়। অইল ইণ্ডিয়া লিমিটেডৰ 'হিচাচ্চী' নামেৰে এটিএম মুকলি কৰা হয় ডিমৌ বহুমুখী ভৱনত। আনহাতে, এই এটিএমটোত সকলো ধৰণৰ বেংকৰ এটিএম কাৰ্ড গ্ৰহণযোগ্য হ'ব আৰু এই এটিএমৰ টকা-পইচা লেনদেনৰ ক্ষেত্ৰত ডিমৌ অঞ্চলৰ ৰাইজৰ যথেষ্ট সহায়ক হ'ব।

সমস্যাৰ চাকনৈয়াত বিষয়া-কৰ্মচাৰী, শিক্ষক-ৰাইজ

জহি-খহি গৈছে ঘগ্ৰাপাৰ শিক্ষাখণ্ডৰ কাৰ্যালয়

অগ্ৰদুত বাৰ্তা

ঘগ্ৰাপাৰ, ১৫ জুলাই ঃ যি সময়ত ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিক্ষা বিভাগটোক সকলো দিশতে আগুৱাই নিয়াৰ বাবে বিশেষ তৎপৰতা অৱলম্বন কৰি আহিছে, বহুক্ষেত্ৰত এক মাত্ৰা আৰু গতি দিছে যদিও ৰাজ্যত এতিয়াও এনেকুৱা কিছুমান চৰকাৰী কাৰ্যালয় আছে যিবিলাক মেৰামতিৰ অভাৱত জহি-খহি যাবলৈ ধৰিছে। তেনে এক উদাহৰণ হ'ল নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ- বনভাগ প্ৰাথমিক শিক্ষাখণ্ডৰ কাৰ্যালয়। দুখ আৰু পৰিতাপৰ বিষয় যে ২০০২তে নলবাৰীৰ তদানীন্তন বিধায়ক প্ৰয়াত মদন কলিতাৰ তৎপৰতাত স্থাপন হোৱা শিক্ষা বিভাগৰ অতি গুৰুত্বপূৰ্ণ কাৰ্যালয়টো সুদীৰ্ঘ ২০ বছৰ পাৰ হোৱাৰ পাছতো আজিলৈ চৰকাৰীভাৱে এবাৰো মেৰামতি নোহোৱাত সম্প্ৰতি জহি-খহি যোৱাৰ উপক্ৰম হৈছে বুলি কাৰ্যালয়টোৰ বাহিৰে-ভিতৰে চৰ্চিত হৈছে। এতিয়াও শিক্ষা বিভাগৰ গুৰুত্বপূৰ্ণ এই কাৰ্যালয়টোত প্ৰায় ২০গৰাকী বিষয়া-কৰ্মচাৰী, শিক্ষা খণ্ডটোৰ অন্তৰ্গত ২৬৩খন বিদ্যালয়ৰ প্ৰায় ৯০০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীসহ অঞ্চলবাসী ৰাইজে প্ৰতি



সময়তে কাৰ্যালয়টোৰ বিধ্বস্ত ৰূপৰ বাবে বিভিন্ন সমস্যাত পৰাই নহয়, কাৰ্যালয়টোৰ ভিতৰলৈ সোমাই গ'লে প্ৰস্ৰাৱাৰ দুৰ্গন্ধৰ বাবে নাকত হাত দি থাকিব লগা পৰিস্থিতি হৈছে। কিয়নো, কাৰ্যালয়টোৰ ভিতৰতে সেই সময়তে এটা শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ নিৰ্মাণ কৰা হৈছিল যদিও সেয়া এতিয়া ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। প্ৰতিদিনে চতুৰ্থ বৰ্গৰ কৰ্মচাৰীজনে পানী মাৰে যদিও শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰৰ নলীৰে পানী ভিতৰলৈ সোমাই যোৱাৰ পৰিৱৰ্তে বাহিৰলৈ উভতি আহে বুলি জানিব পৰা হৈছে। উল্লেখ্য যে উক্ত শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ ২০ বছৰে ব্যৱহাৰ হ'ল যদিও আজিলৈ কোনো ধৰণৰ মেৰামতি নোহোৱাত সম্প্ৰতি বিধ্বস্ত ৰূপ লৈছে, যাৰ পৰিপ্ৰেক্ষিতত কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকলে নিতৌ এক দুৰ্গন্ধময় পৰিৱেশৰ মাজত কৰ্তব্য পালন কৰিব লগাত পৰিছে। এই ক্ষেত্ৰত শিক্ষা বিভাগে এইসমূহ সমস্যা আঁতৰ কৰাৰ ক্ষেত্ৰত এই পৰ্যন্ত গুৰুত্ব নিদিয়া কাৰ্যক অঞ্চলটোৰ দল-সংগঠনে ক্ষোভ প্ৰকাশ কৰিছে। লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতি, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, চিপিআইএম ঘগ্ৰাপাৰ আঞ্চলিক সমিতি, বড়িগোগ-বনভাগ ব্লক কংগ্ৰেছ সমিতি, ঘগ্ৰাপাৰ ক্ৰীড়া সন্থা আদিয়ে কাৰ্যালয়টোৰ জৰাজীৰ্ণ গৃহটোৰ দৰ্জা, খিৰিকী, পকী মজিয়া, শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ আদি ভাঙি-ছিঙি জৰাজীৰ্ণ হোৱাত নতুনকৈ নিৰ্মাণৰ দাবী জনাইছে। ইয়াৰ উপৰি বছৰ বছৰ ধৰি বিকল হৈ থকা ডিজিটেল জেনেৰেটৰটো কাৰ্যক্ষম কৰাৰ লগতে বিশুদ্ধ খোৱাপানীৰ অভাৱ দূৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা বিভাগক দাবী জনাইছে। উল্লেখ্য যে নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই শিক্ষা, স্বাস্থ্য, যাতায়াত ব্যৱস্থা সুচল কৰাই প্ৰধান লক্ষ্য বুলি সভাই-সমিতিয়ে ঘোষণা কৰি থকা সময়ত ঘগ্ৰাপাৰৰ মাজমজিয়াত থকা শিক্ষা বিভাগৰ কাৰ্যালয়টোৰ জৰাজীৰ্ণ ৰূপ পৰিদৰ্শন কৰিবলৈ এবাৰ সময় হ'বনে বুলিও সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। বিধায়ক তথা মন্ত্ৰীজনৰ নিজৰ এবছৰীয়া কাৰ্যকালত গৃহ সমষ্টি নলবাৰীৰ গ্ৰাম্য চহৰ ঘগ্ৰাপাৰৰ মাজমজিয়াত অৱস্থিত শিক্ষা বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ কাৰ্যালয়ৰ জৰাজীৰ্ণ ৰূপ আঁতৰ কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

কণ্ঠশিল্পী-সুৰকাৰ ভবানন্দ বৰুৱাৰ পৰলোক বিভিন্ন দল-সংগঠনৰ শোক

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ১৫ জুলাই ঃ বিশিষ্ট কণ্ঠশিল্পী, সুৰকাৰ আৰু সংগীত পৰিচালক ভবানন্দ বৰুৱা (৬৫)ৰ কালি লখিমপুৰ মৈদমীস্থিত নিজা বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে। উল্লেখ্য যে যোৱা কিছুদিন ধৰি তেওঁ অসুখত ভুগি চিকিৎসাধীন হৈ আছিল। লখিমপুৰ পশু চিকিৎসালয়ত চাকৰি জীৱন আৰম্ভ কৰা বৰুৱাই লখিমপুৰ কদম মূলা- গাভৰু জনজাতি হাইস্কুলৰ পৰা সংগীত শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। পঢ়ি থকা অৱস্থাৰ পৰাই সংগীত ক্ষেত্ৰখনৰ স'তে জড়িত হৈ পৰা বৰুৱাই পৰৱৰ্তী সময়ত এগৰাকী দক্ষ কণ্ঠশিল্পী, সুৰকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰে। দিব্যজ্যোতি মইনা পাৰিজাতৰ সভাপতি বৰুৱাই লখিমপুৰ সংগীত মহাবিদ্যালয়ৰ উপৰি জিলাখনৰ বহুকেইখন শিক্ষানুষ্ঠানৰ শীৰ্ষগীত ৰচনা কৰাৰ উপৰি গীতসমূহ সুৰ কৰিছিল। মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী কন্যা সন্তানক ইহসংসাৰত এৰি যায়। লখিমপুৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ এগৰাকী অক্লান্ত কৰ্মী বৰুৱাৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

গোৱালপাৰাৰ মাকৰীত এটা বনৰৌ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৫ জুলাই ঃ গোৱালপাৰা আঞ্চলিক বন বিভাগৰ অন্তৰ্গত মাকৰীৰ ডাকুৰভিটা গাঁৱত আজি পুৱাৰ ভাগত এটা বনৰৌ উদ্ধাৰ হয়। পাছত মাকৰী বন খণ্ডৰ বিষয়া মজিন্দ্ৰ চাংমাৰ সহযোগত ভালুকডুবিৰ বন খণ্ডৰ বিষয়া দেবেন বৈশ্যই প্ৰায় আঠ কিলোগ্ৰাম ওজনৰ বনৰৌটো পঞ্চৰত্ন পাহাৰৰ নিৰাপদ স্থানত এৰি দিয়ে।

আহাৰমহীয়া খৰাঙত মাজুলীৰ কৃষকৰ দুৰৱস্থা

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৫ জুলাই ঃ আহাৰ মহীয়া খৰাঙে দহিছে মাজুলীৰ কৃষকৰ মন। অসমৰ কৃষকৰ মূল জীৱিকাই হ'ল ধান খেতি। জেঠ-আহাৰৰ পৰাই কৃষকে সোণোৱালী সপোন ৰচি বৰ্ষাসিক্ত বোকাময় পথাৰত পুৰ্ণোদ্যমে কৃষিকৰ্মত ব্যস্ত থাকে, আহাৰ আৰু শাওণ মাহেই হৈছে শালিখেতিৰ বাবে উপযুক্ত সময়, কিন্তু এইবাৰৰ বতৰে বিধি পথালি দি কৃষকৰ স্বপ্ন থৰক-বৰক কৰিছে। উল্লেখনীয় যে এই অঞ্চলৰে বিজেপিৰ ভ্ৰাতৃ সংগঠন কিষাণ মৰ্চাৰ একাংশ নেতাই চৰকাৰী সৌৰশক্তি চালিত পানী যোগান আঁচনি পাইছে যদিও ব্যক্তিস্বাৰ্থত মনোনিৱেশ কৰাৰ কথা স্থানীয় কৃষকে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। এতিয়া প্ৰশ্ন হয় দুৰ্নীতিৰ শূন্যসহনশীল বিজেপি চৰকাৰে তৃণমূল পৰ্যায়ত হোৱা এনে অনিয়মৰ বিষয়ত কি ভূমিকা ল'ব? পৰিতাপৰ কথা কে'বাদিনো হোৱা আহাৰ মহীয়া খৰাঙত সিংহ ভাগ লুইতপৰীয়া গ্ৰাম্য কৃষকে শালি খেতি কৰিব নোৱাৰি মূৰে-কপালে হাত দি হুমুনিয়াহ কাঢ়িব লগাত পৰিছে। ফলত গ্ৰাম্য কৃষকে দেখা আঘোণৰ সোণোৱালী সপোন টুকুৰা-টুকুৰ হৈ ভাগি পৰা দেখা গৈছে। সেয়ে পথাৰবোৰত পানী যোগান আঁচনিৰ ব্যৱস্থা কৰি গ্ৰাম্য কৃষকক উপকৃত কৰিবলৈ চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক দুৰ্ভগীয়া ৰাইজে কাতৰ আহ্বান জনাইছে।

মৰাণত ৰাজহ মন্ত্ৰীৰ সমূহীয়া কঠীয়া সিঁচা কাৰ্যসূচীৰ আৰম্ভণি

অগ্ৰদূত বাৰ্তা

মৰাণ, ১৫ জুলাই ঃ চৰাইদেউ জিলাৰ মৰাণৰ ডোমৰ দলং হাবি গাঁৱত আজি এক সমূহীয়া কঠীয়া সিঁচা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে চৰাইদেউ জিলাতো কৃষকক সহায়ৰ বাবে তৎপৰ হৈছে জিলা কৃষি বিভাগ। মৰাণ কৃষি চক্ৰৰ অন্তৰ্গত ডোমৰ দলং হাবি গাঁৱত আৰকেভিৱাই ২০২২-২৩ৰ অধীনৰ 'কমিউনিটি নাৰ্ছাৰী' শীৰ্ষক আঁচনিৰ যোগেদি অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে কঠীয়া সিঁচি এই কাৰ্যৰ আৰম্ভণি কৰে। কাৰ্যসূচীত জিলা কৃষি বিষয়া ৰবীন ৰেইন, কৃষি উন্নয়ন বিষয়া প্ৰণৱজ্যোতি চেতিয়া, কৃষি সম্প্ৰসাৰণ সহায়ক, পঞ্চায়ত সভানেত্ৰী, কাউঞ্চিলৰ, ৱাৰ্ড সদস্য তথা গাঁৱৰ ৰাইজৰ উপস্থিতিত প্ৰায় এক হেক্টৰ মাটিত পাঁচ কুইণ্টল বাহাদুৰ ছাব এক ধানৰ কঠীয়া সিঁচা হয়।

বৰদামালৰ দৰণী নামাপাৰাত ১০ টুকুৰা চোৰাং শালৰ কুণ্ডা উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৫ জুলাই ঃ বন বিভাগে অভিযান চলাই আজি বৰদামালৰ দৰণী নামাপাৰাৰ পৰা ১০ টুকুৰা চোৰাং শাল গছৰ কুণ্ডা উদ্ধাৰ কৰে। গোৱালপাৰা আঞ্চলিক বন বিভাগৰ বন পালক-এক নজৰুল ইছলামে চোৰাং কাঠখিনি জব্দ কৰি কাৰ্যালয়লৈ আনে। জব্দকৃত কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ৩০ হেজাৰ টকা হ'ব বুলি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই সদৰী কৰে। মেঘালয়ৰ পৰা দুষ্কৃতিকাৰীয়ে উক্ত চোৰাং কাঠখিনি অনা বুলি সন্দেহ কৰিছে বনাঞ্চলিক বিষয়াজনে। উল্লেখ্য যে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীক মেনেজ কৰি অসাধু চক্ৰই জিলাখনৰ বিভিন্ন ঠাইত চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ অসম-মেঘালয় সীমান্তৱৰ্তীৰ নৈপৰীয়া তথা চৰাঞ্চলসমূহত অবৈধভাৱে কাঠ ফলা কল বহুৱাই অসাধু চক্ৰই অবাধ গতিত চোৰাং কাঠৰ কাৰবাৰ চলাই থকা বুলিও এক গুৰুতৰ অভিযোগ উঠিছে।

সৰ্বত্ৰে প্ৰতিক্ৰিয়া ঃ ব্যৱস্থা গ্ৰহণৰ দাবী সচেতন ৰাইজৰ

জিলা পৰিষদৰ নেত্ৰীৰ নেতৃত্বত সোণাপুৰত অবৈধ পাহাৰ খনন

অগ্ৰদূত বাৰ্তা

সোণাপুৰ, ১৫ জুলাই ঃ ভৰ বাৰিষাৰ বাবে সম্প্ৰতি কামৰূপ মহানগৰ জিলা প্ৰশাসনে সমগ্ৰ জিলাখনতে ১৪৪ ধাৰা বলৱৎ কৰি পাহাৰ খননত কঠোৰভাৱে নিষেধাজ্ঞা বাহাল ৰাখিছে। এনে সময়তে মহানগৰীৰ পাৰ্শ্বৱৰ্তী সোণাপুৰত চৰকাৰী আঁচনিৰ ৰূপায়ণৰ অজুহাতত প্ৰশাসন তথা বন বিভাগৰ নীতিক অংগুষ্ঠ প্ৰদৰ্শন কৰি স্বয়ং পঞ্চায়ত প্ৰতিনিধিয়ে অবৈধভাৱে পাহাৰ খনন কৰা কাৰ্যই অঞ্চলটোতে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, ডিমৰীয়া উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ চৌহদত তথা ৩৭ নম্বৰ ঘাইপথৰ দাঁতিত সম্প্ৰতি জিলা পৰিষদৰ অনুদানৰ ধনেৰে বজাৰ গৃহ নিৰ্মাণৰ কাম চলি আছে। এগৰাকী জিলা পৰিষদৰ সদস্যাৰ নেতৃত্বত ৫০ লাখ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ১০ টাতকৈ অধিক গৃহ সম্পূৰ্ণ হৈ উঠিছে যদিও এই বজাৰ গৃহৰ ভেটি পূৰণৰ বাবে যথেষ্ট মাটিৰ প্ৰয়োজন। চৰকাৰী নীতি মতে এই মাটি সম্পূৰ্ণ বৈধভাৱে মাটিৰ চালান কাটি, চৰকাৰক কৰ দি এই কাম সম্পূৰ্ণ কৰিব লাগে। কিন্তু গুৰু গোসাঁই নমনা জিলা পৰিষদৰ নেত্ৰীগৰাকীয়ে চৰকাৰী নীতিক জলাঞ্জলি দি নিজস্ব মইমতালিৰে বন বিভাগক পতিয়ন নিয়াই উৰলত অবৈধভাৱে পাহাৰ খনন কৰাৰ লগতে সেই মাটি নিৰ্মীয়মাণ বজাৰ গৃহৰ ভেটি পূৰণত ব্যৱহাৰ কৰাত এতিয়া অঞ্চলটো

সচেতন মহলৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনহাতে, জিলা পৰিষদৰ নেত্ৰীগৰাকীয়ে অবৈধ পাহাৰ খননৰ মাটি ট্ৰাইচেম ভৱনৰ খলা-বমা ঠাইসমূহ পূৰণৰ লগতে বজাৰ গৃহসমূহৰ লগত সংলগ্ন ৰাষ্ট্ৰীয় পথৰ একাংশ দ ঠায়ো সমান কৰাত ব্যৱহাৰ কৰিছে। অভিযোগ অনুসৰি, যোৱা নিশাই নেত্ৰীগৰাকীয়ে সমাপন কৰে এই অবৈধ কাৰ্য। ইফালে, ঘাইপথৰ কাষত হঠাতে এনেদৰে বিশাল পৰিমাণৰ পাহাৰৰ ৰঙা মাটি ডাম্পাৰেৰে জমা হোৱাত উৎসুক একাংশ স্থানীয় সাংবাদিক আৰু দল-সংগঠনৰ নেতৃবৃন্দই সোণাপুৰৰ বনাঞ্চলিক বিষয়াক নিশাই কথাটো টেলিফোন যোগে অৱগত কৰাত বনাঞ্চলিক বিষয়াগৰাকীয়ে বিষয়টোৰ সন্দৰ্ভত ৰহস্যজনকভাৱে সম্পূৰ্ণ অজ্ঞতা প্ৰকাশ কৰাৰ লগতে প্ৰশ্ন কৰা সাংবাদিক, দল-সংগঠনৰ নেতৃবৃন্দক কটু বাক্যবাণ নিক্ষেপ কৰাৰো অভিযোগ উঠিছে। এনে পৰিস্থিতিত আজি ডিমৰীয়াৰ সাংবাদিক সমাজে স্থানীয় চক্ৰ বিষয়াক সাক্ষাৎ কৰি ডিমৰীয়াত চলি থকা অবৈধ মাটি খননৰ লগতে বিশেষকৈ উৰলত শেহতীয়াকৈ পঞ্চায়ত প্ৰতিনিধিয়ে অবৈধ পাহাৰ খনন কৰি চৰকাৰী আঁচনিত সেই মাটি ব্যৱহাৰ কৰাৰ কথাটো অৱগত কৰে। চক্ৰ বিষয়াই বিষয়টো মনোযোগেৰে শুনি তৎপৰতাৰে স্থানীয় গাঁওবুঢ়া, মণ্ডলক এই ক্ষেত্ৰত তদন্তৰ নিৰ্দেশ প্ৰদান কৰে। একেদৰে সাংবাদিক সমাজে এই সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত হস্তক্ষেপ বিচাৰি আজি বন বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষ আৰু বনমন্ত্ৰীক পত্ৰ প্ৰৰণ কৰাৰ কথা জানিব পৰা গৈছে। ইফালে, সাধাৰণ ৰাইজক সততে নীতি আওৰাই থকা প্ৰশাসন তথা বন বিভাগে এইগৰাকী জন প্ৰতিনিধিৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয়।

ওদালগুৰিত ৰাভা বেপ্তিচ খ্ৰীষ্টান এছ'চিয়েছনৰ উদ্যোগত দক্ষতা বিকাশ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

টংলা, ১৫ জুলাই ঃ যুৱ সমাজে নিজৰ কৰ্ম দক্ষতাৰে সঠিক পথলৈ আগবাঢ়ি যাবলৈ কেনেদৰে উচিত সিদ্ধান্ত লোৱা উচিত বা নিজকে কেনেদৰে এজন সফল ব্যক্তি হিচাপে গঢ়িব পাৰি তাৰ সন্দৰ্ভত আজি 'ওদালগুৰি আদামছ কম্পাউণ্টত' ৰাভা বেপ্তিচ খ্ৰীষ্টান এছ'চিয়েছনৰ উদ্যোগত দক্ষতা বিকাশ কাৰ্যসূচী অনুষ্ঠিত হয়। সমাজ সংগঠক লিনা ৰাভা আৰু খঞ্জনা ৰাভাৰ পৰিচালিত অনুষ্ঠানত আদৰণি ভাষণ দিয়ে ৰাভা বেপ্তিচ খ্ৰীষ্টান এছ'চিয়েছনৰ সভাপতি মণ্টু কুমাৰ ৰাভাই। গীত পৰিৱেশন কৰে ক্ৰমে কৰ্ণ ৰাভাই আৰু ৰিকী ৰাভাই। নৃত্য কৰে ছাবুকধৰা যুৱ সংঘই। অনুষ্ঠানত সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰে ক্ৰমে ভেৰগাঁও হাইস্কুলৰ সহকাৰী শিক্ষক এলি দৈমাৰী, জিলা সমাজ কল্যাণ বিভাগৰ জিলা সমন্বয়ক জৌংছাৰ দৈমাৰী আৰু প্ৰযুক্তি বিভাগৰ কৰ্মী ৰৌস্তম দৈমাৰীয়ে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ধীৰাজ ৰাভাই।

দৈনিক
অগ্ৰদূত



নির্বাসন বাহাল ক্রীড়া আদালতৰ ঃ অনিশ্চিত ৰাছিয়াৰ ফুটবল ভৱিষ্যৎ

নিউজ ব্যুৰ'

জুৰিখ, ১৫ জুলাই ঃ আন্তৰ্জাতিক ক্রীড়া আদালতৰ দ্বাৰস্থ হোৱা সত্ত্বেও লাভ নহ'ল ৰাছিয়াৰ। ইউক্রেইনত সামৰিক অভিযানৰ শাস্তিৰূপে ফিফা আৰু উৱেফাই জাৰি কৰা নির্বাসন বাহাল ৰাখিলে আদালতে। ইয়াৰ ফলত ৰাছিয়াৰ ক্লাবসমূহে ইউৰোপৰ ক্লাব পৰ্যায়ৰ কোনো প্রতিযোগিতাতে অংশ ল'ব নোৱাৰিব।

উল্লেখ্য যে ৰাছিয়া ইতিমধ্যেই আগন্তুক কাতাৰ বিশ্বকাপৰ পৰা বাহিৰ হৈছে। কাৰণ ইউক্রেইন আক্রমণৰ বাবে বিশ্ব ফুটবলৰ অভিভাৱক সংস্থা ফিফাই ৰাছিয়াক সকলো ধৰণৰ আন্তৰ্জাতিক ফুটবলৰ পৰা নির্বাসিত কৰিছিল। ফলত ৰাছিয়াই বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ সকলো মেচ খেলাৰ পৰা বঞ্চিত হয়। একেই সিদ্ধান্ত লৈছিল ইউৰোপ ফুটবলৰ অভিভাৱক সংস্থা উৱেফায়ো। ফিফা আৰু উৱেফাৰ এই সিদ্ধান্তৰ প্রতিবাদতে ৰুছ ফুটবল সংস্থা আন্তৰ্জাতিক ক্রীড়া আদালতৰ দ্বাৰস্থ হৈছিল। যদিও আদালতে ৰাছিয়াৰ আবেদন নাকচ কৰি নির্বাসনৰ সিদ্ধান্ত বাহাল ৰখাত এতিয়া ৰুছ ফুটবল দলৰ লগতে দেশখনৰ ফুটবল ক্লাবসমূহৰ ভৱিষ্যতো অনিশ্চিত হৈ পৰিছে। ৰুছ ফুটবল ফেডাৰেছন আৰু চাৰিটা ফুটবল ক্লাবৰ আবেদন খাৰিজ কৰি আন্তৰ্জাতিক ক্রীড়া আদালতৰ বিচাৰকে কয়, 'সকলো দিশ চালি-জাৰি চাই দেখা গৈছে যে ইউক্রেইনত সামৰিক অভিযান দুৰ্ভাগ্যজনক আৰু অনৈতিক। এই ঘটনাৰ বাবে ৰাছিয়াৰ ফুটবল দল, ক্লাব আৰু খেলুৱৈসকলৰ কোনো দোষ নাই। ফিফা আৰু উৱেফাৰ সিদ্ধান্তই তেওঁলোকৰ ওপৰত বিৰূপ প্রভাৱ পেলাইছে। কিন্তু বিশ্বৰ বাকী অংশত নির্বিঘ্নে আৰু সুস্থভাৱে ফুটবল পৰিচালনাৰ বাবেই এই সিদ্ধান্ত গ্রহণ কৰা হৈছে।' ফুটবলৰ নির্বাসন বাহাল ৰাখিলেও অৱশ্যে আন্তৰ্জাতিক ক্রীড়া আদালতে আন খেলসমূহৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত দিয়া নাই। ৰাছিয়াৰ বিভিন্ন খেলৰ অভিভাৱক সংস্থা সমূহেও ইতিমধ্যে সিবিলাকৰ বিশ্ব অভিভাৱক সংস্থাই জাৰি কৰা নির্বাসনৰ বিৰুদ্ধে আন্তৰ্জাতিক ক্রীড়া আদালতৰ শৰণাপন্ন হৈছে।



খেলপথাৰৰ বাহিৰত একালৰ বিখ্যাত যুটি, ভাৰত-ইংলণ্ডৰ এদিনীয়া মেচ উপভোগৰ পৰত সৌৰভ গাংগুলীৰ সতে সস্ত্রীক শচীন তেণ্ডুলকাৰ।

বিশ্বৰ সবাতোকৈ দামী ফুটবলাৰ হোৱাৰ প্ৰস্তাৱ অগ্ৰাহ্য ৰোণাল্ডোৰ

নিউজ ব্যুৰ'

মানচেষ্টাৰ, ১৫ জুলাই ঃ মানচেষ্টাৰ ইউনাইটেড ত্যাগৰ বাবে উন্মুখ হৈ আছে ক্রিষ্টিয়ানো ৰোণাল্ডো। অথচ তেওঁক প্রত্যাখ্যান কৰিছে পেৰিছ ছেইণ্ট জাৰ্মেইন আৰু চেল্ছিৰ দৰে ক্লাবে। ইয়াৰ মাজতে এক লোভনীয় প্ৰস্তাৱ লৈ ৰোণাল্ডোৰ কাষত উপস্থিত হৈছিল ছৌদি আৰবৰ এটা ক্লাব। সেই প্ৰস্তাৱ গ্রহণ কৰা হ'লে বিশ্বৰ সবাতোকৈ দামী ফুটবলাৰত পৰিণত হ'লহেঁতেন পৰ্তুগীজ মহাতাৰকাজন। যদিও ৰোণাল্ডোৱে সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিছে।

অৱশ্যে ছৌদিৰ কোন ক্লাবৰ প্ৰস্তাৱ ৰোণাল্ডোৱে অগ্ৰাহ্য কৰিলে সেই কথা সদৰী হোৱা নাই। ব্রিটিছ সংবাদ মাধ্যমে দাবী কৰিছে যে যাৱতীয় ভাট্টা-ব'নাছ আদি মিলাই ৰোণাল্ডোক ২৭৫ নিযুত ইউৰ' (ভাৰতীয় মুদ্ৰাত ২,২০৫ কোটি) টকা দিয়াৰ প্ৰস্তাৱ দিয়া হৈছিল। ঘনিষ্ঠ মহলত ৰোণাল্ডোৱে মন্তব্য কৰিছে যে এতিয়াও ইউৰোপৰ যিকোনো প্ৰথম শাৰীৰ ক্লাবত খেলাৰ সক্ষমতা তেওঁৰ আছে। সেয়ে ধনৰ লোভতে এছিয়াৰ কোনো ক্লাবত যোগ দি নিজৰ ফুটবল জীৱন এতিয়াই সমাপ্ত কৰিব নোখোজে বিশ্বৰ অন্যতম শ্রেষ্ঠ ষ্ট্ৰাইকাৰজনে। অৱশ্যে এতিয়াও ৰোণাল্ডোৰ এজেণ্ট জৰ্জ মেণ্ডেছে মহাতাৰকাজনৰ বাবে নতুন ক্লাবৰ সন্ধান কৰি আছে। ইপিনে, ৰোণাল্ডোক বিক্রী কৰা নহয় বুলি জনাইছে ইউনাইটেডৰ নতুন প্রশিক্ষক এৰিক টেন হেগে। উল্লেখ্য যে ইউনাইটেডে পৰৱৰ্তী চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰা নাই। যাৰ ফলত চেম্পিয়নছ লীগৰ সৰ্বাধিক গ'লদাতাজনে পৰৱৰ্তী প্রতিযোগিতাত খেলিব নোৱাৰিব। চেম্পিয়নছ লীগত খেলাৰ আশাতেই তেওঁ প্রতিযোগিতাখনলৈ যোগ্যতা অৰ্জন কৰা কোনো ক্লাবত যোগ দিব বিচাৰে বুলি ঘনিষ্ঠ মহলে সদৰী কৰিছে।

ছিংগাপুৰ অপেনৰ ছেমিফাইনেলত সিন্ধু

সাফল্য দীৰ্ঘস্থায়ী নহ'ল ছাইনাৰ ঃ কোৱাৰ্টাৰৰ পৰা বিদায় ল'লে প্ৰণয়েও

নিউজ ব্যুৰ'

ছিংগাপুৰ, ১৫ জুলাই ঃ দ্বৈত অলিম্পিক পদক জয়ী পি ভি সিন্ধুৱে ছিংগাপুৰ অপেন ছুপাৰ-৫০০ বেডমিণ্টনৰ ছেমিফাইনেলত প্রৱেশ কৰিছে। অৱশ্যে দীৰ্ঘদিনৰ মূৰত কোনো প্রতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্রৱেশ কৰা ছাইনা নেহৱালৰ সাফল্যৰ ধাৰা দীৰ্ঘস্থায়ী নহ'ল। সেইদৰে পুৰুষৰ ছিংগল্ছৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰাই বিদায় ল'লে ভাৰতৰ আন এজন তাৰকা খেলুৱৈ এইছ এছ প্ৰণয়েও।

বিশ্বৰ সপ্তম স্থানৰ তথা প্রতিযোগিতাৰ তৃতীয় বাছনিপ্ৰাপ্ত সিন্ধুৱে আজি তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলত চীনৰ হান ইউইক পৰাজিত কৰে। প্ৰথম গেমত পৰাজিত হোৱা সত্ত্বেও ভাৰতীয় তাৰকাগৰাকীয়ে খেলখনত ১৭-২১, ২১-১১, ২১-১৯ পইণ্টত জয়লাভ কৰে। সম্প্রতি প্রতিযোগিতাত বৰ্তি থকা একমাত্র ভাৰতীয় খেলুৱৈ হৈছে সিন্ধু। ইফালে, লণ্ডন অলিম্পিকৰ ব্রঞ্জ বিজয়ী ছাইনাই দ্বিতীয় ৰাউণ্ডত বিশ্বৰ নৱম স্থানৰ খেলুৱৈক পৰাজিত কৰিছিল যদিও আজি সেই ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে। জাপানৰ আয়া অ'হ'ৰিয়ে ভাৰতীয় তাৰকাগৰাকীক ২১-১৩, ১৫-২১, ২১-২০ পইণ্টত পৰাজিত কৰে। সেইদৰে, ফৰ্মত থকা প্ৰণয়ক জাপানৰ ক'ডাই নাৰাঅ'কাই ১২-২১, ২১-১৪, ২১-১৮ পইণ্টত পৰাজিত কৰে। ভাৰতৰ পুৰুষ ডাবল্ছ যুটি এমআৰ অৰ্জুন আৰু ধ্রুৱ কপিলাও আজিৰ কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হয়। ইণ্ডোনেছিয়াৰ মহম্মদ আহছান আৰু হেন্দ্ৰা ছেটিয়াৱানে ভাৰতীয় যুটিটোক ১০-২১, ২১-১৮, ২১-১৭ পইণ্টত পৰাস্ত কৰে।

৩৯ বছৰীয়া অভিলেখ ভাঙিলে চাহালে

নিউজ ব্যুৰ'

লণ্ডন, ১৫ জুলাই ঃ ইংলণ্ডৰ বিপক্ষে কালি চাৰিটা উইকেট দখল কৰিলেও দললৈ জয় আনিব নোৱাৰিলে ভাৰতীয় স্পীনাৰ যুজৱেন্দ্ৰ চাহালে। তৎসত্ত্বেও তেওঁ লৰ্ডছত এটা ৩৯ বছৰীয়া ভাৰতীয় অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। ১৯৮৩ৰ বিশ্বকাপৰ ফাইনেলত ভাৰতৰ জয়ৰ অন্যতম নায়ক মহিন্দাৰ অমৰনাথে ১২ ৰাণৰ বিনিময়ত তিনিটা উইকেট দখল কৰিছিল। লৰ্ডছত এদিনীয়া মেচত কালি পৰ্যন্ত সেয়াই আছিল কোনো ভাৰতীয় বলাৰৰ শ্রেষ্ঠ বলিং। কালি চাহালে ইংলণ্ডৰ বেটাৰ জনী বেয়াৰষ্ট', জো ৰুট, বেন ষ্ট'ক্ছ আৰু মঈন আলীক আউট কৰি অমৰনাথৰ অভিলেখ ভংগ কৰে।

কমনৱেল্থত পৃথকে থাকিব প্রতিযোগীয়ে

নিউজ ব্যুৰ'

নতুন দিল্লী, ১৫ জুলাই ঃ আগন্তুক বাৰ্মিংহাম কমনৱেল্থ গেমত ভাৰতৰ ক্রীড়াবিদসকলে একেলগে থাকিব নোৱাৰিব। উক্ত ক্রীড়া সমাৰোহৰ বাবে নিৰ্মাণ কৰা পাঁচটা পৃথক গেমছ ভিলেজত খেলুৱৈসকল থাকিব লাগিব। সচৰাচৰ এটা গেমছ ভিলেজত সকলো দেশৰ প্ৰত্যেক ইভেণ্টৰ খেলুৱৈসকলক ৰখা হয়। যদিও ক'ভিডৰ সম্ভাব্য সংক্ৰমণৰ কথা চিন্তা কৰিয়ে আয়োজকে এই সিদ্ধান্ত গ্রহণ কৰিছে। অহা ২৮ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া কমনৱেল্থ গেমছত অংশ ল'বলৈ ২১৫জন খেলুৱৈসহ ভাৰতে ৩২৫জনীয়া এটা দল প্রেৰণ কৰিব।

ভাৰতক পৰাস্ত কৰিও সন্তুষ্ট নহয় বাটলাৰ

জয়ৰ বাবে তিনিজন খেলুৱৈক বিশেষ কৃতিত্ব দিলে ইংৰাজ অধিনায়কে



নিউজ ব্যুৰ'

লণ্ডন, ১৫ জুলাই ঃ ভাৰতক ১০০ ৰাণত পৰাজিত কৰা সত্ত্বেও দলৰ বেটিঙক লৈ সন্তুষ্ট নহয় ইংলণ্ডৰ সীমিত অভাৰৰ দলৰ অধিনায়ক জ'ছ বাটলাৰ। অৱশ্যে বাটলাৰে দলৰ তিনিজন ক্রিকেটাৰক এই বিজয়ৰ বাবে বিশেষভাৱে কৃতিত্ব প্ৰদান কৰে। তেওঁলোক হৈছে দুই অলৰাউণ্ডাৰ মঈন আলী আৰু ডেভিদ উইলীৰ উপৰি ফাষ্টবলাৰ ৰীচ ট'পলে। উল্লেখ্য যে প্ৰথমে বেটিং কৰি ইংলণ্ডে এটা সময়ত ১৪৮ ৰাণতে ছয় উইকেট হেৰুৱাই বিপদত পৰিছিল। তাৰ পাছতে মঈন আৰু উইলীৰ দৃঢ়তাৰ বাবে দলটোৱে ২৪৬ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে ট'পলে (৬/২৪)ৰ কেৰিয়াৰৰ শ্রেষ্ঠ বলিঙেৰে জয়ী হৈ ইংলণ্ডে শৃংখলাত সমতা স্থাপন কৰে।

বাটলাৰে জয়ৰ এই কৃতিত্ব দিছে মঈন আৰু উইলীক। শীৰ্ষক্ৰমৰ বেটিঙত অসন্তুষ্টি ব্যক্ত কৰি অধিনায়কজনে কয়, 'ট'পলেয়ে দুৰ্দান্ত বলিং কৰিছে। জয়ী হ'লেও আমি নিজৰ শ্রেষ্ঠ বেটিং কৰিব নোৱাৰিলো। তথাপি যুঁজ কৰিব পৰা ৰাণ উঠিছিল। সচৰাচৰ লৰ্ডছৰ উইকেটত প্ৰথমে বেটিং কৰিলে সুবিধা হয়। মঈন আৰু উইলীয়ে দুৰ্দান্ত যুটি গঢ়ি আমাক ভাল স্থানত উপনীত কৰাইছিল। বৰ বেছি ৰাণ নোহোৱাত দ্রুতগতিৰে উইকেট লোৱাৰ প্ৰয়োজন আছিল। টপ'লেয়ে সেই কামটো কৰিলে।'

উল্লেখ্য যে কালিৰ দ্বিতীয় এদিনীয়াত ২৪৭ ৰাণৰ লক্ষ্য লৈ ইনিংছ মুকলি কৰিয়েই ভাৰতীয় দল ট'পলেৰ বিধ্বংসী বলিঙৰ সন্মুখীন হয়। অধিনায়ক ৰোহিত শৰ্মা (০), শিখৰ ধৱন (৯), বিৰাট কোহলি (১৬) আৰু ঋষভ পন্ট (০) দলৰ ৩১ ৰাণতে পেভিলিয়নলৈ উভতি যায়। সূৰ্যকুমাৰ যাদৱ (২৭), হাৰ্দিক পাণ্ড্যিা (২৯), ৰবীন্দ্ৰ জাদেজা (২৯), আৰু মহম্মদ ছামি (২৩)য়ে চেষ্টা কৰিছিল যদিও এজনেও বৃহৎ স্ক'ৰ কৰাত ব্যৰ্থ হয়। ফলত ভাৰতীয় দলে ১৪৬ ৰাণতে ইনিংছ সামৰিবলৈ বাধ্য হয়।

কোহলিক কটাক্ষ কৰিলে প্ৰাক্তন জাতীয় নির্বাচকে

নিউজ ব্যুৰ'

নতুন দিল্লী, ১৫ জুলাই ঃ প্ৰায় তিনি বছৰ ধৰি আন্তৰ্জাতিক ক্রিকেটত শতৰাণ নাই। যাৰ বাবে বিৰাট কোহলিৰ বেটিঙক কেন্দ্ৰ কৰি সমালোচনাৰ ঢৌ উঠিছে। ইয়াৰ লগতে যোগ হৈছে তেওঁ ঘনাই বিশ্ৰাম লোৱা বিতৰ্কই। এই বিশ্ৰাম-বিতৰ্কত যুক্ত হৈ কোহলিক কটাক্ষ কৰিলে প্ৰাক্তন জাতীয় নির্বাচক চৰণদীপ সিঙে। ভাৰতৰ প্ৰাক্তন স্পীনাৰজনৰ মতে, বিশ্ৰামে কোহলিক অলপো সাহায্য নকৰিব।

আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণৰ দলত কোহলিক কিয় ৰখা নহ'ল বুলি প্ৰশ্ন কৰি চৰণদীপে কয়, 'এই বিশ্ৰামৰ অৰ্থ কি? মইতো বুজিবই পৰা নাই। এশ ৰাণ কৰিলে বিশ্ৰামৰ প্ৰয়োজন হ'ব পাৰে। কোহলিয়ে যদি একেৰাহে তিনি মাহ খেলিলেহেঁতেন, চাৰি-পাঁচটা শতৰাণ কৰিলেহেঁতেন তেতিয়াহ'লে বিশ্ৰামৰ কথা ক'ব পাৰিলেহেঁতেন। তেনে অৱস্থাত সঁচাকৈয়ে বিশ্ৰামৰ প্ৰয়োজন হ'লহেঁতেন।' প্ৰাক্তন নির্বাচকজনে লগতে প্ৰশ্ন কৰে যে খেলপথাৰৰ বাহিৰত থাকি এজন ক্রিকেটাৰে কেনেকৈ ছন্দ ঘূৰাই পাব সেয়া তেওঁ বুজা নাই। উল্লেখ্য যে বিচিচিআইৰ সভাপতি সৌৰভ গাংগুলীসহ প্ৰাক্তন ক্রিকেটাৰ আকাশ চোপ্ৰা, ইৰফান পাঠান আদিয়েও কোহলিৰ বিশ্ৰামক লৈ প্ৰশ্ন উত্থাপন কৰিছে।

উইকেট দখলৰ পাছত সতীৰ্থৰ অভিনন্দন ইংলণ্ডৰ জয়ৰ নায়ক ৰীচ ট'পলে (সোফালৰ পৰা দ্বিতীয়)ক।

৪০ বছৰ বয়সতো শীৰ্ষলৈ ওভতাৰ প্ৰস্তুতি

আশা এৰি দিয়া নাই ছেৰেণাই

নিউজ ব্যুৰ'

নিউ য়ৰ্ক, ১৫ জুলাই ঃ উইম্বলডনত চূড়ান্তভাৱে ব্যৰ্থ হ'লেও টেনিছৰ শীৰ্ষলৈ প্রত্যাৱৰ্তনৰ আশা এৰি দিয়া নাই ছেৰেণা উইলিয়ামছে। প্ৰাক্তন এক নম্বৰ খেলুৱৈগৰাকীয়ে এইবাৰ আগন্তুক কানাডা অপেনত খেলাৰ সিদ্ধান্ত লৈছে। ছেৰেণাই জনাইছে যে উইম্বলডনৰ প্ৰথম ৰাউণ্ডতে পৰাজিত হ'লেও তেওঁ হতোদ্যম হোৱা নাই।

উল্লেখ্য যে আঘাতৰ পৰা সুস্থ হৈ ছেৰেণাই দীৰ্ঘদিনৰ পাছত উইম্বলডনৰ জৰিয়তে ক'ৰ্টলৈ উভতি আহিছিল। অৱশ্যে প্ৰায় এবছৰ ক'ৰ্টৰ বাহিৰত থকা ২৩টাকৈ গ্রেণ্ড শ্লামৰ অধিকাৰী ছেৰেণাই প্ৰথম ৰাউণ্ডতে বিদায় লয়। সেয়ে আমেৰিকান তাৰকাগৰাকীয়ে কানাডা অপেনক গুৰুত্ব দিছে। লক্ষ্যণীয়ভাৱে ইগা ছিয়টেক, নাওমি অ'ছাকা, এমা ৰাডুকানুসহ বিশ্বৰ প্ৰায় সকলো শীৰ্ষস্থানীয় মহিলা টেনিছ খেলুৱৈয়ে এই প্রতিযোগিতাত অংশ ল'ব। যাৰ বাবে ৪০ বছৰীয়া ছেৰেণাই কঠিন প্রত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।ছয় আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া প্রতিযোগিতাখনত ছেৰেণাই পোনপটীয়াকৈ খেলাৰ সুযোগ লাভ কৰিছে।

বিৰাটৰ প্ৰসংগত অতিষ্ঠ ৰোহিত

পুনৰ পূৰ্বসুৰীৰ কাষত ভাৰতীয় অধিনায়ক

নিউজ ব্যুৰ'

লণ্ডন, ১৫ জুলাই ঃ বিৰাট কোহলিৰ বেটিং ফৰ্মৰ সন্দৰ্ভত প্ৰশ্ন শুনি শুনি অতিষ্ঠ হৈ পৰিছে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মা। কালি ইংলণ্ডৰ বিপক্ষে দ্বিতীয় এদিনীয়াত পুনৰ ব্যৰ্থ হোৱা কোহলিৰ কাষত থিয় দি ৰোহিতে সংবাদমেলত নিজৰ অসন্তুষ্টি ব্যক্ত কৰে। কালিৰ পৰাজয়ৰ বাবে অধিনায়কজনে দলৰ বেটিং আৰু ফিল্ডিঙক দোষ দিলেও কোহলিৰ প্ৰতি নিজৰ সমৰ্থন প্ৰকাশ কৰে।

উল্লেখ্য যে কোহলিয়ে কালিও মাত্ৰ ১৬ ৰাণহে কৰে। খেলৰ শেষত আয়োজিত সংবাদমেলত এই প্ৰসংগ এজন সাংবাদিকে উত্থাপন কৰাৰ লগে লগে ৰোহিতে যথেষ্ট উষ্মাৰে কয়, 'কিয় ইমান কথা হৈছে কওকচোন! মই একোৱেই বুজিব পৰা নাই। এজনে আমাৰ বাবে ইমানখিনি ৰাণ কৰিছে। তেওঁৰ ছন্দক লৈ ইমান কথা ক'বলৈ কি আছে? বিষয়টো মই বুজিবই পৰা নাই।' ইয়াৰ পাছতে আন এজন সাংবাদিকে কোহলিক কেন্দ্ৰ কৰি দলৰ অৱস্থানৰ বিষয়ে কৰা প্ৰশ্নত ৰোহিতে কয়, 'কোহলি অত্যন্ত উচ্চ মানৰ বেটাৰ। দীৰ্ঘদিন ধৰি খেলিছে। দলক বহু মেচত জিকাইছে। তেওঁক কোনো অতিৰিক্ত আশ্বাস দিয়াৰ কথা থাকিব নোৱাৰে। তেওঁৰ খেলৰ মানৰ ফালে চাওক। সকলোৰে জীৱনলৈ বেয়া দিন আহিব পাৰে। তেওঁ কিমান ৰাণ আৰু কিমান শতৰাণ কৰিছে সেয়া চাওক। কোহলিৰ গড় চাওক।' অধিনায়কজনে কয় যে কোহলিক কেন্দ্ৰ কৰি ইমান আলোচনাৰ কথাই থাকিব নোৱাৰে।

মৰিগাঁও জিলা ক্রীড়া সন্থাৰ উদ্যোগত ১৫দিনীয়া হকী প্ৰশিক্ষণ আৰম্ভ

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ৰপ্ত জুলাই ঃ মৰিগাঁও জিলা ক্রীড়া সন্থাৰ উদ্যোগত নৱপ্ৰজন্মৰ যুৱক-যুৱতীসকলক ক্রীড়া ক্ষেত্ৰখনৰ প্ৰতি উৎসাহিত কৰিবলৈ বিভিন্ন কাৰ্যপন্থা গ্রহণ কৰি থকাৰ মাজতে আজিৰে পৰা ১৫দিনীয়াকৈ ল'ৰা আৰু ছোৱালীৰ এক প্ৰশিক্ষণ শিবিৰ আৰম্ভ হৈছে। অহা ৩০ জুলাইত সামৰণি পৰিবলগীয়া উক্ত প্ৰশিক্ষণ শিবিৰটো আজি মৰিগাঁও ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত মুকলি কৰে তিৱা স্বায়ত্ত পৰিষদৰ মনোনীত সদস্য অজিত ডেকাই। জিলা ক্রীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা অসম হকী সন্থাৰ যুটীয়া সম্পাদক জিতু বৰদলৈ, যুটীয়া সম্পাদক নাছিৰুদ্দিন আহমেদ, হকী সম্পাদক ৰূপৰাম বৰদলৈ, সহঃ সম্পাদক সমুদ্ৰ নাৰায়ণ মেধি, বেডমিন্টন সম্পাদক মুক্তাৰ হুছেইনকে আদি কৰি জিলা ক্রীড়া সন্থাৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰা উদ্বোধনী অনুষ্ঠানত প্ৰশিক্ষকৰূপে উপস্থিত থাকে সোণাপুৰস্থিত টেপেছিয়াৰ লক্ষ্মীবাঈ ৰাষ্ট্ৰীয় শাৰিৰীক শিক্ষা প্ৰতিষ্ঠানৰ বিক্ৰম সিংনাই। ইফালে, জিলা ক্রীড়া সন্থাৰ সাধাৰণ সম্পাদক বৰদলৈয়ে জানিবলৈ দিয়া মতে, যোৱা আঠ জুলাইৰ পৰা আৰম্ভ হৈ থকা বেডমিন্টনৰ প্ৰশিক্ষণ শিবিৰটো অহা ৩০ জুলাইত সামৰণি পৰিব আৰু ইয়াৰ সমান্তৰালকৈ অহা ২৫ জুলাইৰ পৰা ক্রিকেটৰো এক প্ৰশিক্ষণ শিবিৰ আৰম্ভ হ'ব।

ইংলিছ কাউণ্টীত খেলিব ছাইনীয়ে

নিউজ ব্যুৰ'

কেণ্ট, ১৫ জুলাই ঃ জাতীয় দললৈ প্ৰত্যাৱৰ্তনৰ স্বাৰ্থত নির্বাচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ইংলিছ কাউণ্টীত খেলিব পেচবলাৰ নৱদীপ ছাইনীয়ে। ভাৰতৰ শীৰ্ষ পাঁচজন দ্রুততম বলাৰৰ অন্যতম ছাইনী ইংলণ্ডৰ কেণ্ট কাউণ্টী দলৰ স'তে চুক্তিবদ্ধ হৈছে। চলিত সত্ৰত তেওঁ কেণ্টৰ হৈ আঠখন মেচ খেলিব। উল্লেখ্য যে ২০১৯ত টি-২০ৰ জৰিয়তে জাতীয় দলৰ অভিষেক ঘটোৱা ছাইনীয়ে আঘাতৰ বাবে দলৰ বাহিৰ হৈছিল। দীৰ্ঘদিন তেওঁ জাতীয় দলৰ বাহিৰত আছে।

মহিলা ইউৰ' কাপৰ ছেমিফাইনেলত ফ্ৰান্স

নিউজ ব্যুৰ'

ৰ'থাৰহাম (ইংলণ্ড), ১৫ জুলাই ঃ বেলজিয়ামক পৰাজিত কৰি ইংলণ্ডত চলি থকা মহিলা ইউৰ' কাপ ফুটবলৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিলে ফ্ৰান্সে। কালি অনুষ্ঠিত 'ডি' গ্ৰুপৰ মেচত ফ্ৰান্সে বেলজিয়ামৰ বিপক্ষে ২-১ গ'লত জয়লাভ কৰে। খেলৰ ছয় মিনিটতে ফ্ৰান্সৰ কাডিদিয়াটাও ডিয়ানিয়ে গ'ল দিয়াৰ পাছত বেলজিয়ামৰ হৈ জেনিচ কেইমেনে সমতা স্থাপন কৰিছিল। অৱশ্যে খেলৰ ৪১ মিনিটত ফ্ৰান্সৰ হৈ জয়সূচক গ'লটো দিয়ে এমবক বেথীয়ে। 'ডি' গ্ৰুপত একেৰাহে দুখন খেলত জয়ী হৈ ফ্ৰান্সে ছয় পইণ্টেৰে শীৰ্ষস্থান অধিকাৰ কৰি এখন খেল বাকী থকা অৱস্থাতে ছেমিফাইনেলৰ স্থান নিশ্চিত কৰে। অৱশ্যে গ্ৰুপৰ দ্বিতীয় দলৰূপে ছেমিফাইনেলত প্ৰৱেশৰ ক্ষেত্ৰত আন তিনিওটা দলৰে সুযোগ আছে। দুখন ড্ৰ মেচ খেলি দুই পইণ্টেৰে আইচলেণ্ড দ্বিতীয় স্থানত আছে। বেলজিয়াম আৰু ইটালীয়ে এটাকৈ পইণ্ট সংগ্ৰহ কৰিছে। তিনিওটা দলৰে এখনকৈ খেল বাকী আছে।

প্ৰাইজমানি নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবলত ৰেডিয়েলৰ জয়

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ১৫ জুলাই ঃ নগাঁও ক্রীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত ৰেডিয়েল ক্লাবে উদয় সংঘক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ ৮৯ মিনিটত ৰেডিয়েল ক্লাবৰ হৈ বিজয়সূচক গ'লটো চিনু টপ্ন'ৱে দিয়ে। নগাঁও ক্রীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে ৰূপম বৰদলৈ, শোণিত কুমাৰ বৰা আৰু কৃষ্ণকান্ত দাসে (চতুৰ্থ)। উল্লেখ্য যে আজিৰ খেলখনত দৃষ্টিনন্দন খেল প্ৰদৰ্শনৰ কৰাৰ বাবে উদয় সংঘৰ গ'লৰক্ষক পাপলু বাগলাৰী শ্রেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

বিল্যাসনন্দন চ'ৰা



বেয়া শব্দ

বেয়া শব্দৰ লিষ্টখন দেখিছেনে? ইমান বছৰে কোনেও চাগে অনুমানেই কৰা নাছিল যে এই সচৰাচৰ ব্যৱহাৰ কৰি থকা শব্দবোৰ বেয়া শব্দৰ তালিকাত পৰে। কিন্তু এইবাৰ দিল্লীৰ প্ৰাসাদে লিষ্ট এখন উলিয়াই কৈ দিছে শব্দবোৰ কিমান বেয়া। আচলতে দিল্লীৰ বাদশ্বাহে কেতিয়াবাৰ পৰাই বিৰোধীৰ মুখত ভৰাবলৈ পিঠাৰ সন্ধানত আছিল। পিঠাৰ কাৰণে বিখ্যাত আখামকে কৈছিল যিমান পাৰি সিমান পিঠা বনাই দিবলৈ। কিন্তু মুখত পিঠা ভৰাই থ'লেই সম্পূৰ্ণ নিৰাপদ হ'ব বুলি বাদশ্বাহ পতিয়ন যোৱা নাছিল। বিৰোধীবোৰৰ মুখত জোৰ-জবৰদস্তি কৰি পিঠাবোৰ ভৰাই দিয়া হ'লেই যেনিবা, এটা সময়ত পিঠাবোৰতো লেলাউটিত গলি নাইকিয়া হ'ব। তেতিয়া যদি আকৌ গৰজি উঠে! গতিকে বিৰোধীক মুখত পিঠা ভৰাবলৈ বাধ্য কৰায়ো যে সম্পূৰ্ণ নিৰাপদ হ'ব পাৰিব, দিল্লীৰ বাদশ্বাহে তাকে লৈ খাটাং হ'ব পৰা নাছিল। পাছত ভাবিলে—একোটা ডাঙৰ সোপা তৈয়াৰ কৰা হওক আৰু বিৰোধীক অৰ্ডাৰ দিয়া হওক—প্ৰত্যেকে মুখত সোপা মাৰি আহিব লাগিব। পাছত ভবা হ'ল—নাই, কামটো বৰ ভাল নহ'ব। অড় লাগিব, যদিহে বিৰোধীয়ে মুখত একো একোটা সোপা মাৰি আহে। কিন্তু দিল্লীৰ বাদশ্বাহে পিঠাই হওক বা সোপাই হওক, কিবা নহয় কিহবাৰে বিৰোধীক কথা ক'ব নোৱৰাকৈ ৰাখিব খুজিছে। নহ'লে যে বিৰোধীবোৰে এনেয়ে চিঞৰ-বাখৰ কৰি থাকে! শান্তিত বহি তেলৰ দাম কিমান বঢ়াব, চিলিণ্ডাৰৰ দাম কিমান বঢ়াব, তাৰ হিচাপ কৰিব নিদিয়ে। দৰবৰ দাম কিমান বঢ়াব, কাপোৰ-জোতাৰ জি এছ টি কিমান বঢ়াব, আটা-চাউলৰ দাম কিমানখিনি বঢ়ালে জেনেৰেল পাব্লিকে লঘোনে থাকিব লগা নহয়, কমচে কম আধাপেটী হৈ উঠিব পাৰিব, সেইবোৰ ঠিক-ঠাক কৰিবলৈ এটা পৰিৱেশ লাগেতো! ওচৰতে হৈ-হাল্লা চলি থাকিলে এইবোৰ কাম কৰিব নোৱাৰিতো! লগতে মন কী বাত আছেই! মাজে মাজে ফৰেইনলৈ গৈ চমক দিব লগা কামবোৰ আছেই! এই সমস্ত কামবোৰ কৰিবলৈ অলপ শান্তি লাগে। কাণৰ কাষত বিৰোধীয়ে হাল্লা কৰি থাকিলে মূৰ গৰম হৈ যায়। এই যে ঘৰত কিবা কাম কৰি থাকিলে সৰু বাচ্চাবোৰে চিঞৰ-বাখৰ কৰে আৰু সেই চিঞৰ-বাখৰ বন্ধ কৰিবলৈ সৰু ল'ৰা-ছোৱালীবোৰৰ মুখত ললীপপ এটা ভৰাই দিয়া হয়, বাদশ্বাহেও তেনে এটা ললীপপ বিচাৰি আছিল, কিন্তু পোৱা নাছিল। অৱশেষত দুজনমানে ক'লে—'জাহাপনা, এটা কাম কৰা যাওক!'

ঃ কি?

ঃ বিৰোধীয়ে যে গালি-গালাজবোৰ কৰে, সেই গালিবোৰ তৈয়াৰ হয় কেনেকৈ?



ঃ কেনেকৈ?

ঃ শব্দৰ পৰা তৈয়াৰ হয়।

ঃ সেইটো অৱশ্যে হয়!

ঃ আমি যদি শব্দবোৰ বেণ্ড কৰি দিওঁ?

ঃ কোনবোৰ শব্দ?

ঃ যিবোৰ শব্দৰে সিহঁতে আপোনাক গালি-গালাজ কৰে!

ঃ যেনে?

ঃ যেনে ধৰক—শকুনি! দুৰ্নীতিগ্ৰস্ত, জুমলাবাজি!

ঃ আৰু?

ঃ ক'ভিড স্প্ৰেডাৰ।

ঃ আৰু?

ঃ স্বেচ্ছাচাৰী।

ঃ আৰু?

ঃ ভণ্ডামি!

ঃ আৰু?

ঃ বিশ্বাসঘাতক। তামাচা।

ঃ আৰু?

ঃ একনায়কত্ববাদ!

এফালৰ পৰা শব্দবোৰ শুনি শুনি বাদশ্বাহৰ মুখত হাঁহি বিৰিঙি উঠিল। বাদশ্বাহৰ ফিলিংছ হ'ল—ললীপপটো যেন তেওঁ বিচাৰি পালে। বেণ্ড হ'ব লগা শব্দৰ লিষ্টখন শুনি শুনি এটা সময়ত বাদশ্বাহে চিঞৰি দিলে—'সিহঁতক কথা কোৱাটোৱে বেণ্ড কৰি দিমহে! কি বুলি ভাবিছে মোক?'

ধিঙৰ মোৱামাৰীত ব্ৰহ্মপুত্ৰৰ, কামপুৰত কপিলীৰ খহনীয়াৰ তাণ্ডৱ

নগাঁও জিলাৰ লাওখোৱাৰ ভূৰবন্ধাত খহনীয়াই কাল ৰূপ ধাৰণ কৰিছে চপৰা চপৰে খহিছে গৰা

বিশেষ সংবাদদাতা

নগাঁও, ১৫ জুলাই ঃ নগাঁও জিলাৰ বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰ আৰু কপিলী নদীৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। পানী শুকাবলৈ আৰম্ভ কৰাৰ লগে লগে আৰম্ভ হৈছে খহনীয়াৰ তাণ্ডৱ। জিলাখনৰ নৈপৰীয়া লাওখোৱাৰ ভূৰবন্ধাত বানৰ পাছত পুনৰ আৰম্ভ হৈছে তীব্ৰ গৰাখহনীয়া। উল্লেখ্য যে দুটা বছৰ পূৰ্বে মহাবাহু ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰি সাতখন ৰাজহ গাঁৱৰ লগতে কে'বা হেজাৰ পৰিয়াল ভেটিয়ে মাটিয়ে উছন হৈ মথাউৰিত আশ্ৰয় ল'বলগীয়া হৈছিল। পূৰ্বৰ জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই কলিয়াভোমোৰা দলঙৰ পৰা আৰম্ভ কৰি বৰঘুলি আৰু ভূৰবন্ধাৰ কিছু অংশত জিঅ' বেগেৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিছিল যদিও এইবাৰ আকৌ নতুনকৈ তিনিখন ৰাজহ গাঁও ক্ৰমে এক নম্বৰ ভূৰবন্ধা, দুই নম্বৰ ভূৰবন্ধা আৰু তিনি নম্বৰ ভূৰবন্ধাত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই কাল ৰূপ ধাৰণ কৰিছে। খহনীয়াৰ ফলত চপৰা চপৰে মাটি খহাই ক্ৰমাৎ নদী অগ্ৰসৰ হোৱাত তিনিওখন গাঁৱৰ শতাধিক পৰিয়ালৰ ঘৰ-বাৰী যিকোনো মুহূৰ্তত নদীৰ বুকুত জাহ গৈ নিশ্চিহ্ন হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ভয় আৰু শংকাৰ মাজত দিন অতিবাহিত কৰিছে উপৰোক্ত তিনিওখন গাঁৱৰ শ শ পৰিয়ালে। তথাপি কোনো সঁহাৰি নাই চৰকাৰ প্ৰশাসন তথা জলসম্পদ বিভাগৰ বিষয়াবৰ্গৰ। এই সন্দৰ্ভত স্থানীয় ৰাইজে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকালৈ খহনীয়াৰ কালৰূপৰ বিষয়ে লিখিতভাৱে আজি পত্ৰ প্ৰেৰণ কৰিছে। ইপিনে, জিলাখনৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত মোৱামাৰী অঞ্চলতো ব্ৰহ্মপুত্ৰৰ বিধ্বংসী খহনীয়াই কালৰূপ ধাৰণ কৰি তাণ্ডৱ অব্যাহত ৰাখিছে। তাতো ইতিমধ্যে শতাধিক পৰিয়াল খহনীয়াৰ কবলত পৰি গৃহহীন হ'বলগীয়া হৈছে। একাধিক শিক্ষানুষ্ঠান জাহ গৈছে লুইতত। ধিঙৰ মোৱামাৰীৰ খহনীয়াই ধিং চহৰৰ প্ৰতিও চৰম ভাবুকি কঢ়িয়াই আনিছে।

আনহাতে, জিলাখনৰ কামপুৰত কুণ্ডীৰডুবি বালিটোপতো কপিলী নৈৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। অঞ্চলটোত ২৫ ঘৰ লোক খহনীয়াৰ কবলত পৰি গৃহহীন হ'বলগীয়া হৈছে।

বাগ্‌সাৰ নেমু লণ্ডনলৈ ৰপ্তানিৰ আৰম্ভ কৰে উপায়ুক্ত আয়ুষ গাৰ্গে

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ১৫ জুলাই ঃ বহু প্ৰতীক্ষাৰ অন্তত আজি বাগ্‌সাৰ নেমু লণ্ডনলৈ ৰপ্তানি হ'ল। লণ্ডনৰ খাদ্য তালিকাত সন্নিৱিষ্ট হ'ল বাগ্‌সা জিলাৰ নেমু। বাগ্‌সা নহয় সমগ্ৰ অসমৰ বাবে ই এক সুখবৰ।

এক আশাব্যঞ্জক বতৰাৰে আজি বাগ্‌সা জিলাৰ মুছলপুৰৰ পৰা সুদূৰ লণ্ডনলৈ নেমু ৰপ্তানিৰ আৰম্ভ কৰা হয়। এই উপলক্ষে বাগ্‌সা জিলাৰ মুছলপুৰস্থ জিলা উপায়ুক্ত কাৰ্যালয় প্ৰাংগণত আজি নেমুভৰ্তি ৰপ্তানিৰ গাড়ী উদ্বোধন কৰে জিলা উপায়ুক্ত আয়ুষ গাৰ্গে। নীলাচল এগ্ৰ' প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ উদ্যোগত উৎপাদন কৰা প্ৰায় চাৰি হেজাৰ নেমু আজি লণ্ডনলৈ বুলি ৰপ্তানি কৰে। নেমু ৰপ্তানিৰ ফ্লেগ অফ কৰি জিলা উপায়ুক্ত আয়ুষ গাৰ্গে কয় যে বাগ্‌সা জিলাৰ কৃষকসকলে এতিয়া আৰু উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত কোনো চিন্তা কৰিব নালাগে। সকলো কৃষকে নিজৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ জিলা কৃষি বিভাগৰ লগত যোগাযোগ কৰিব পাৰে। জিলা কৃষি বিভাগৰ লগতে আন বিভাগসমূহেও কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে সহায়-সহযোগিতা আগবঢ়াব। কৃষকসকলক প্ৰতিদিনে এহেজাৰ কিলোগ্ৰাম নেমু উৎপাদন কৰি সেইবোৰ ৰপ্তানি কৰিবলৈ আহ্বান জনায়। আনহাতে, নীলাচল এগ্ৰ' প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া মানস প্ৰতীম কলিতাই কয় যে জিলা উপায়ুক্ত আয়ুষ গাৰ্গৰ সহযোগত আজি প্ৰথমবাৰৰ বাবে বিদেশলৈ নেমু ৰপ্তানি কৰিবলৈ সক্ষম হওঁ। বাগ্‌সা জিলা নেমু খেতিৰ বাবে উত্তম ঠাই। সেয়েহে নেমু খেতি কৰাৰ বাবে কৃষকসকল আগবাঢ়ি আহিছে। ইতিমধ্যে প্ৰায় সাতশ কৃষকে নীলাচল এগ্ৰ' প্ৰডিউচাৰ কোম্পানী লিমিটেডত পঞ্জীভুক্ত হৈ নেমু খেতিৰ উৎপাদনেৰে এক বিপ্লৱৰ সূচনা কৰা বুলি উল্লেখ কৰি তেওঁ কৃষিখণ্ডক বাণিজ্যকৰণ কৰাৰ বাবে প্ৰচেষ্টা হাতত লোৱা বুলি মন্তব্য কৰে। উল্লেখ্য যে দুবছৰ পূৰ্বে হৰ্টিকালচাৰ মিছন ফৰ নৰ্থ ইষ্ট এণ্ড হিমালয়ান ষ্টেট নামৰ কেন্দ্ৰীয় আঁচনিৰ জৰিয়তে ইণ্ডিয়ান ছ'চাইটী অৱ এগ্ৰিবিজনেছ প্ৰফেচনেলছৰ সহযোগত নীলাচল এগ্ৰ' প্ৰডিউচাৰ কোম্পানী লিমিটেড গঠন কৰা হৈছিল। আজিৰ এই নেমু ৰপ্তানিৰ অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত আশ্ৰাফুল আমিন, আৰক্ষী অধীক্ষক ৰাজেন সিং, বাগ্‌সা জিলা কৃষি বিষয়া দুলাল দাস, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰবন্ধক হীৰেন তালুকদাৰ, উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ তামুলপুৰৰ অধীক্ষক দুৰ্গা কিংকৰ ভট্টাচাৰ্যৰ লগতে বহু লোক উপস্থিত থাকে।

উজনি মাজুলীৰ শালমৰাৰ কামজান-এলেঙীত খহনীয়াৰ তাণ্ডৱ

মাজুলীবাসীৰ প্ৰতিবাদত সেওমানি ৰাজ্য চৰকাৰৰ অনুৰোধত কেন্দ্ৰীয় চৰকাৰে ২০০৪ ত মাজুলীৰ ভৌগলিক সুৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰি কেন্দ্ৰীয় সংস্থা ব্ৰহ্মপুত্ৰ ব'ৰ্ডক খহনীয়া প্ৰতিৰোধৰ দায়িত্ব অৰ্পণ কৰে আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডেও প্ৰথমে বাঁহৰ জেঙেৰে প্ৰতিৰোধৰ কাম আৰম্ভ কৰি বৰ্তমান নদীৰ পাৰত ঠায়ে ঠায়ে জিঅ'বেগ জাপি খহনীয়া প্ৰতিৰোধৰ বৃথা চেষ্টা অব্যাহত ৰাখিছে। তাৰ জলন্ত উদাহৰণ উজনি মাজুলী শালমৰাৰ কামজান এলেঙী অঞ্চল। অঞ্চলটোত ব'ৰ্ডে ২০১৭-১৮ত জিঅ'বেগ আৰু জিঅ'কাৰ্পেটিং আঁচনি ৰূপায়ণ কৰে যদিও সেয়া বৰ্তমান নদীৰ গৰ্ভত।

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ১৫ জুলাই ঃ উজনি মাজুলী শালমৰা মৌজাত ১৯৫০ ৰ প্ৰবল ভূমিকম্পৰ পাছৰে পৰা অব্যাহত থকা ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া প্ৰতিৰোধ কৰাত ৰাজ্যত শাসন কৰা কোনোটো দলৰ চৰকাৰেই সক্ষম নোহোৱাত মাজুলীবাসীয়ে তীব্ৰ উদ্বেগ প্ৰকাশ কৰিছে।

■ আঠ পৰিয়ালে হেৰুৱালে ঠিকনা
■ হাতসাবটি বহি থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ডে বিধায়কৰ নিৰ্দেশো নামানে
■ আতংকিত নৈপৰীয়া ৰাইজ

প্ৰথম অৱস্থাত সেই সময়ৰ ৰাজ্যৰ ই এণ্ড ডি বিভাগে বাহৰ জেঙেৰে খহনীয়া প্ৰতিৰোধৰ ভেকোভাওনা আৰম্ভ কৰাৰ পাছত ক্ষুব্ধ মাজুলীবাসীৰ প্ৰতিবাদত সেওমানি ৰাজ্য চৰকাৰৰ অনুৰোধত কেন্দ্ৰীয় চৰকাৰে ২০০৪ ত মাজুলীৰ ভৌগলিক সুৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰি কেন্দ্ৰীয় সংস্থা ব্ৰহ্মপুত্ৰ ব'ৰ্ডক খহনীয়া প্ৰতিৰোধৰ দায়িত্ব অৰ্পণ কৰে আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডেও প্ৰথমে বাঁহৰ জেঙেৰে প্ৰতিৰোধৰ কাম আৰম্ভ কৰি বৰ্তমান নদীৰ পাৰত ঠায়ে ঠায়ে জিঅ'বেগ জাপি খহনীয়া প্ৰতিৰোধৰ বৃথা চেষ্টা অব্যাহত ৰাখিছে। তাৰ জলন্ত উদাহৰণ উজনি মাজুলী শালমৰাৰ কামজান এলেঙী অঞ্চল। অঞ্চলটোত ব'ৰ্ডে ২০১৭-১৮ত জিঅ'বেগ আৰু জিঅ'কাৰ্পেটিং আঁচনি ৰূপায়ণ কৰে যদিও সেয়া বৰ্তমান নদীৰ গৰ্ভত। সেই সময়ত ব'ৰ্ডৰ আঁচনি ৰূপায়ণৰ ৰেহৰূপ চাই বিভিন্ন কাকতত আঁচনিখন ফলপ্ৰসু নহ'ব বুলি বাৰম্বাৰ বাতৰি প্ৰকাশ পাইছিল, কাৰণ ব্ৰহ্মপুত্ৰৰ সোঁতে নদীৰ খহনীয়াৰ সৃষ্টি কৰে। ব'ৰ্ডে জিঅ'বেগ গৰাৰ ওপৰত জাপে। সেয়ে কামজান এলেঙীত ব'ৰ্ডৰ আঁচনি ভেঙুচালি কৰি জিঅ'বেগ খহাই নদী আহি গাঁওবাসীৰ চোতাল পায়। এনে অৱস্থাত চলিত বৰ্ষত অঞ্চলটোৰ আঠটা পৰিয়ালে পৈতৃক ভেটি হেৰুৱাই নিৰাপদ স্থানত চালি নিৰ্মাণ কৰিব লগা হয়। চলিত বৰ্ষত কামজান এলেঙীত অব্যাহত থকা খহনীয়াৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছত যোৱা ২২ জুনত মাজুলীৰ নৱনিৰ্বাচিত বিধায়ক ভূবন গাম দলীয় কাৰ্যকৰ্তা, ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জলসম্পদ বিভাগৰ বিষয়ববীয়াক লগতলৈ খহনীয়াস্থলীত উপস্থিতহৈ খহনীয়াগ্ৰস্তৰ খবৰ লোৱাৰ লগতে ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জলসম্পদ বিভাগক অঞ্চলটোত খহনীয়া প্ৰতিৰোধৰ আঁচনি ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে। বিধায়কৰ নিৰ্দেশৰ পাছত, পাছৰ দিনাৰ পৰা দুদিন অঞ্চলটোত পাৰ্কুপাইন আঁচনি ৰূপায়ণৰ কাম আৰম্ভ কৰি তৃতীয় দিনাৰ পৰা বৰ্তমানলৈকে আঁচনিৰ ৰূপায়ণ বন্ধ ৰাখিছে বুলি মাজুলী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক কাকুমনি কলিতাই অভিযোগ কৰিছে। তেওঁ আৰু জানিবলৈ দিয়া মতে, বিষয়টোৰ সন্দৰ্ভত তেওঁ ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ লগত যোগাযোগ কৰি জানিব পৰা মতে, ব'ৰ্ডৰ উচ্চ পদস্থ বিষয়াৰ পৰা অঞ্চলটোত আঁচনি ৰূপায়ণৰ অনুমতি নোপোৱাৰ বাবে আঁচনি ৰূপায়ণ কৰা নাই বুলি জনায়। সমষ্টিটোৰ সন্মানীয় বিধায়কৰ নিৰ্দেশকো অমান্য কৰি দায়িত্বশীল বিভাগটোৱে স্পৰ্শকাতৰ অঞ্চলটোত প্ৰতিৰোধ আঁচনি ৰূপায়ণ নকৰাত পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ছাত্ৰ সন্থাই জানিবলৈ দিয়া মতে, আৰু প্ৰায় এক কিলোমিটাৰ ভূমি ব্ৰহ্মপুত্ৰত জাহ গ'লেই জিলাখনৰ মূল ভূখণ্ডত খহনীয়াই স্পৰ্শ কৰিব। এনে পৰিস্থিতিত পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু জোঁৰ পুৰি হাত পোৱাৰ পূৰ্বেই অঞ্চলটোত খহনীয়াৰ স্থায়ী সমাধানৰ বাবে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী, প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু মাজুলীৰ বিধায়কক দাবী জনাইছে।

পানীৰ অভাৱত পথাৰত ছিৰাল ফাট

বানৰ পাছত খৰাঙৰ কবলত তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ বিস্তীৰ্ণ অঞ্চল

তামুলপুৰ, ১৫ জুলাই ঃ বানপানীৰ পাছত খৰাঙৰ কবলত পৰিছে তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ বিস্তীৰ্ণ অঞ্চল। ছন পৰি ৰৈছে কে'বাখনো গাঁৱৰ কৃষি ভূমি। কঠীয়া ৰোৱাৰ ভৰপক সময়তে তীব্ৰ খৰাঙৰ বাবে ভুঁই ৰুবলৈ চহ কৰা মাটি শুকাই ছিৰাল ফাট মেলাত তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ চেঁচাপানী, পলাশগুৰী, কাডোঙা, দক্ষিণ পলাশগুৰী আদি কে'বাখনো গাঁৱৰ কৃষকৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। জলসিঞ্চনৰ কোনো সু ব্যৱস্থা নথকা কেৱল বৰষুণৰ পানীৰ ওপৰতে নিৰ্ভৰ কৰি কৃষি কাৰ্য কৰা বৃহত্তৰ অঞ্চলটোৰ হেজাৰ হেজাৰ বিঘা মাটি এতিয়া খৰাঙৰ কবলত পৰি ছিৰাল ফাট দিয়াত কৃষকসকলে মূৰে-কপালে হাত দিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে জলসিঞ্চনৰ কোনো ব্যৱস্থা নথকা সীমান্তৱৰ্তী অঞ্চলটোৰ কৃষকসকলে বছৰ বছৰ ধৰি এটা প্ৰাকৃতিক দোঙৰ পানীৰ ওপৰতে নিৰ্ভৰ কৰি বাৰিষা কালত ধান খেতি কৰি আহিছিল যদিও শেহতীয়াকৈ ভূটানৰ পৰা বৈ অহা পানীৰ ধলে দোংটোত উল্টাখন্দাৰ সৃষ্টি কৰাৰ ফলত সোঁত সলনি হৈ মূল দোঙৰ পানীও শুকাই যোৱাত উপায়হীন হৈ পৰিছে স্থানীয় কৃষকসকল। আনহাতে, বিগত কে'বাদিন ধৰি সমগ্ৰ তামুলপুৰ জিলাখনেই খৰাঙৰ কবলত পৰাত বাঢ়ি অহা কঠীয়াসমূহো পথাৰতে নষ্ট হৈ যোৱাত কিংকৰ্তব্যবিমূঢ় হৈ পৰিছে কৃষকসকল। পানীৰ অভাৱত কৃষিভূমি চহাব নোৱাৰাত পথাৰতে পৰি ৰৈছে কৃষকৰ নাঙল, কোৰ। একমাত্ৰ বৰষুণ তথা প্ৰাকৃতিক দোঙেৰে ভূটান পাহাৰৰ পৰা বৈ অহা পানীৰ ওপৰতে নিৰ্ভৰ কৰি হাঁড় ভঙা পৰিশ্ৰম কৰি বছৰটোৰ বাবে পৰিয়ালৰ বাবে এমুঠি অন্ন যোগাৰ কৰা স্থানীয় কৃষকসকলৰ অভিযোগ স্থানীয় বিধায়ক, এমচিএলক বিগত সময়ছোৱাত অঞ্চলটোত ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰাৰ পাছতো আজিকোপতি অঞ্চলটোত এটা গভীৰ নলী নাদৰো ব্যৱস্থা নকৰিলে। কেৱল নিৰ্বাচনৰ সময়তহে জনপ্ৰতিনিধিৰ মুখ দেখা পোৱা আৰু ৰাইজক বিভিন্ন সা-সুবিধা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচন শেষ হ'লেই অঞ্চলটোলৈ পিঠি দিয়া জনপ্ৰতিনিধিয়ে অঞ্চলটোত কোনো ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা নকৰাত ক্ষোভিত হৈ পৰিছে স্থানীয় কৃষকসকল। স্থানীয় কৃষকসকলৰ বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী তথা স্থানীয় এমচিএলএ বিজিত গৌড়া নাৰ্জাৰীলৈ কাতৰ অনুৰোধ-আমাক কৃষিকৰ্ম কৰিবলৈ অচিৰেই জলসিঞ্চনৰ ব্যৱস্থা কৰি দিয়ক।

বৰহোলা চাহ বাগিচাত আটছাৰ উত্তাল প্ৰতিবাদ

বিশেষ সংবাদদাতা

নগাবাট, ১৫ জুলাই ঃ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বৰহোলাৰ প্ৰাথমিক গোটে আজি বৰহোলা চাহ বাগিচাৰ কাৰ্যালয়ৰ সন্মুখত বাগিচাৰ শ্ৰমিক ৰাইজৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বাগিচাৰ শ্ৰমিকসকল আৱাসগৃহসমূহ শীঘ্ৰে মেৰামতি কৰা, বাগিচাত বিশুদ্ধ খোৱাপানী যোগান ধৰা, বৰহোলা আৰু কলাপানী চাহ বাগিচাৰ কাৰ্যালয়ত খালী হৈ থকা পদসমূহত শীঘ্ৰে যোগ্যতা ভিত্তিত নিযুক্তি দিয়া, বাগিচাৰ চিকিৎসক, নাৰ্ছৰ বাবে স্থায়ী আৱাসগৃহৰ ব্যৱস্থা কৰা, এখন এম্বুলেন্স প্ৰদান কৰা, নৈশ চকীদাৰৰ ব্যৱস্থা কৰা, দৰিদ্ৰ সীমাৰেখাৰ তলৰ শ্ৰমিকৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে আৰ্থিক সাহায্য দিয়া, বাগিচাৰ শ্ৰমিকৰ প্ৰাপ্য দৰমহা, ৰেছন, তেলৰ পইচা, চাহপাত সময়মতে দিয়াৰ ব্যৱস্থা কৰা, অৱসৰ গ্ৰহণ কৰা শ্ৰমিক কৰ্মচাৰীৰ বন্ধ হৈ থকা ভৱিষ্যনিধিৰ ধন অতি শীঘ্ৰে আদায় দিয়া আদি দাবী উত্থাপন কৰি প্ৰতিবাদকাৰীসকলে প্ৰায় এঘণ্টাৰ বাবে বৰহোলা চাহ বাগিচাৰ কাৰ্যালয়ৰ চৌহদ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীতে আটছাৰ বৰহোলা প্ৰাথমিক গোটৰ সভাপতি গণেশ গঞ্জু, উপদেষ্টা চনু তুৰী, সম্পাদক বিপিন তুৰীৰ স্বাক্ষৰিত নটা দাবী সম্বলিত এখন স্মাৰকপত্ৰ বাগিচা পৰিচালকৰ যোগেদি স্বত্বাধিকাৰীলৈ প্ৰেৰণ কৰে। আনহাতে ৩০ দিনৰ ভিতৰত উল্লিখিত দাবীসমূহ সমাধানৰ বাবে বাগিচাৰ কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ নকৰিলে অধিক জংগী আন্দোলন গঢ়ি তুলিব বুলি সংগঠনটোৱে সকীয়নি প্ৰদান কৰে।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com